
সা বিদ্যা যা বিমুক্তয়ে
বিদ্যা ভাৰতী

# বিদ্যা ভাৰতী সংবাদ

শিশু শিক্ষা সমিতি অসম
স্বয়মেৱ মৃগেন্দ্ৰতা

বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ , শিশু শিক্ষা সমিতি, অসমৰ ষাণ্মাসিক বাৰ্তালোচনী

সংখ্যা - এশ পাঁচ, পুহ - আহাৰ, ১৯৪৭-৪৮ শকাব্দ, জানুৱাৰী-জুন, ২০২৬



## প্ৰচ্ছদ নিবন্ধ

## পাৰ্বতি প্ৰসাদ বৰুৱা

# অন্যান্য আলোকচিত্ৰ




বন্দে মাতৰম্ গৌৰৱপূৰ্ণ ১৫০ বৰ্ষ পুৰ্তি




ডবকা নিকেতনৰ মাতৃ পূজন কাৰ্যক্ৰম




বগীনদী নিকেতনৰ উৎকৰ্ষ মহোৎসৱ




ৰাষ্ট্ৰীয় পঢ়ুৱৈ দিৱস উপলক্ষ ৰাম প্ৰসাদ শৰ্মাৰ দ্বাৰা শিশু শি সমিতি, অসমৰ পুথি ভৰালৰ উন্মোচন



অসম চাহ জনগোষ্ঠী শিক্ষা সংস্কৃতি ন্যাসৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস




শিৱসাগৰ বিভাগৰ শিশু বাটিকা কৰ্মশালা




উত্তৰ গুৱাহাটী নিকেতনৰ প্ৰতিষ্ঠা দিৱসৰ এটি মুহূৰ্ত



বিশ্ব পৰিৱেশ দিৱসৰ দৃশ্য



শঙ্কৰদেৱ শিশু আৰু বিদ্যা নিকেতন বিলাসীপাৰাত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন




দলগোমা নিকেতনৰ মাতৃ সন্মিলন




সংকুল সংগীত কৰ্মশালা

## এই সংখ্যাত আছে -


| বিষয় সূচী | পৃষ্ঠা |
|---|---|
| • সম্পাদকীয় - | ৩ |
| • অন্তৰ্জগত শিতান- | ৪ |
| • উপনিষদৰ কাহিনী | ৫ |
| • প্ৰচ্ছদ নিবন্ধ | ৬ |
| • ভাষা-সাহিত্য শিতান | ১২ |
| • ক্ৰীড়া শিতান | ১৪ |
| • বিজ্ঞান শিতান | ১৬ |
| • বিদ্যাৰ্থী শিতান | ১৮ |
| • কাহিনী | ২২ |
| • প্ৰাক্তন ছাত্ৰ-ছাত্ৰী শিতান | ২৩ |
| • সংস্কৃতি শিতান | ২৫ |
| • অন্যান্য শিতান | ২৮ |
| • সংবাদ পৰিক্ৰমা | ৩১ |




**সম্পাদক**
**গায়ত্ৰী গোস্বামী**
(অবৈতনিক)
ভ্ৰাম্যভাষ ঃ ৮৪৮৬৫৯৭৯৫৭

**প্ৰকাশক**
সাধাৰণ সম্পাদক
শিশু শিক্ষা সমিতি,অসম
গুৱাহাটী -৭৮১০২৪

ভ্ৰাম্যভাষ ঃ ৮৮১১০৭২৪২৭
website : www.sssassam.in
E-mail.-
shishushikshasamiti@gmail.com

**মুদ্ৰক**
এম. এন. প্ৰিন্টাৰ্ছ
গুৱাহাটী - ৭৮১০২৫


## শ্ৰদ্ধাঞ্জলি



- শিশু শিক্ষা সমিতি, অসমৰ প্ৰথম সাংগঠনিক সম্পাদক নাগপুৰ নিবাসী স্বৰ্গীয় শ্ৰীবিৰাগ পাচপোৰ ডাঙৰীয়াৰ ১৭-০৬-২০২৬ তাৰিখে হোৱা পৰলোক গমনৰ সংবাদ অত্যন্ত বেদনাদায়ক। তেখেতে ১৯৮৪ চনৰ ছেপ্টেম্বৰ মাহলৈ শিশু শিক্ষা সমিতি, অসমৰ সাংগঠনিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। লগতে তেখেত সংঘৰ এজন জ্যেষ্ঠ সুদক্ষ কাৰ্যকৰ্তাও আছিল।
- যোৱা ২৯-১২-২০২৫ তাৰিখে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ অন্তৰ্গত মেঘালয় শিক্ষা সমিতি, শ্বিলঙৰ বিভাগ নিৰীক্ষক কমল কুমাৰ শ্ৰীবাস্তৱৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১১-০১-২০২৬ তাৰিখে শংকৰদেৱ শিশু বিদ্যা নিকেতন, বামুন্দীৰ প্ৰধানাচাৰ্য নিভাষ কলিতাৰ পূজনীয়া মাতৃ প্ৰানেশ্বৰী কলিতাৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৬-০১-২০২৬ তাৰিখে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ বৌদ্ধিক প্ৰমুখ তীৰ্থাংকৰ দাসৰ পূজনীয়া মাতৃ নিহাৰীকা দাসৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৬-০১-২০২৬ তাৰিখে শংকৰদেৱ শিশু নিকেতন, ডবকাৰ প্ৰাক্তন প্ৰধানাচাৰ্য তথা বৰ্তমান শংকৰদেৱ শিশু নিকেতন, ধিঙৰ আচাৰ্যা দীপশিখা বৰাৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ২৯-০১-২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা পৰিচালিত নিকেতন শংকৰদেৱ শিশু কুঞ্জ, অম্বিকাগিৰী নগৰ আৰু শংকৰদেৱ বিদ্যা

নিকেতন, বিষ্ণুপথৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক মুকুল বৰকটকীৰ পৰলোক প্ৰাপ্তি ঘটে।

- যোৱা ২৬-০২-২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ কাৰ্যকৰী পৰিষদৰ উপ-সভাপতি অনিমা শৰ্মাৰ স্বামী সদানন্দ শৰ্মাৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ২৭-০২-২০২৬ তাৰিখে শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন, বৰপেটাৰ প্ৰাক্তন সভাপতি বাৰীন্দ্ৰ ভূঞাৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ০৯-০৩-২০২৬ তাৰিখে শংকৰদেৱ শিশু নিকেতন, কাৰৈমাৰীৰ প্ৰাক্তন সভাপতি নবীন চন্দ্ৰ নাথৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৩-০৩-২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ মাননীয় সাধাৰণ সম্পাদক শ্ৰী জগন্নাথ ৰাজবংশীৰ জ্যেষ্ঠ ভাতৃ গণেশ ৰাজবংশীৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৭-০৩-২০২৬ তাৰিখে শংকৰদেৱ শিশু-বিদ্যা নিকেতন, মঙলদৈৰ জ্যেষ্ঠ আচাৰ্য ভৰত চন্দ্ৰ চহৰীয়াৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ২৪-০৩-২০২৬ তাৰিখে শংকৰদেৱ শিশু নিকেতন, ৰাইডঙীয়াৰ প্ৰধানাচাৰ্য পৰাগধৰ শইকীয়াৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১২-০৪-২০২৬ তাৰিখে প্ৰসিদ্ধ সুললিত কণ্ঠী গায়িকা আশা ভোঁসলেৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ০৩-০৪-২০২৬ তাৰিখে শংকৰদেৱ শিশু নিকেতন, পাটাছাৰকুছিৰ প্ৰাক্তন সভাপতি বীৰেন্দ্ৰ নাথ কলিতাদেৱৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ১৫-০৫-২০২৬ তাৰিখে শংকৰদেৱ শিশু নিকেতন, দেৰগাঁৱৰ প্ৰতিষ্ঠাপক সভাপতি ড০ ৰাজীৱ বৰঠাকুৰৰ দেহাৱসান হয়।
- যোৱা ২২-০৫-২০২৬ তাৰিখে শংকৰদেৱ শিশু নিকেতন, চেংনৈৰ প্ৰাক্তন সম্পাদক হেমন্ত হালৈৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ২৬-০৫-২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ প্ৰাক্তন সাংগঠনিক সম্পাদক নীৰব ঘেলানীৰ পূজনীয়া মাতৃ নিৰু বেনৰ পৰলোক প্ৰাপ্তি ঘটে।
- যোৱা ৩১-০৫-২০২৬ তাৰিখে কোকিল কণ্ঠী গায়িকা সুমন কল্যাণপুৰৰ দেহাৱসান হয়।
- **উপৰিউক্ত আটাইৰে লগতে পৰলোক প্ৰাপ্ত সকলো জ্ঞাত-অজ্ঞাত সকলৰ বাবে শিশু শিক্ষা সমিতি, অসমৰ অধিকাৰী, কাৰ্যকৰ্তা তথা নিকেতনৰ সকলোৰে গভীৰ শোক প্ৰকাশ কৰি বিদেহ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।**

## সুভাষিত

**একং বিষৰসো হন্তি শস্ত্ৰেনৈকশ্চ ৰধ্যতে। সৰাষ্ট্ৰং সপ্ৰজা হন্তি ৰাজানং মন্ত্ৰ বিপ্লৱঃ।।**

**অৰ্থ ঃ** বিহ খালে এজনৰহে মৃত্যু হয়। অস্ত্ৰৰ আঘাতত্তো এজনৰহে মৃত্যু হ'ব পাৰে। কিন্তু ভ্ৰান্ত চিন্তাধাৰাৰ ফলত ৰজা প্ৰজাকে ধৰি সমগ্ৰ জাতিটোৰেই বিনাশ হ'ব পাৰে।

## সম্পাদকীয়

এতিয়া বসন্ত ঋতুৰ শেষ আৰু গ্ৰীষ্ম ঋতুৰ আৰম্ভণিৰ সময়। প্ৰকৃতিয়ে এই সময়ছোৱাত এক অনন্য ৰূপ ধাৰণ কৰে। গভীৰ সেউজীয়া পাতেৰে ঢাকি ৰখা গছবোৰ ভিন্নৰঙী চৰাইবোৰে শুৱনি কৰে। গছৰ ডালত, ধোন্দত, ঘৰৰ মূধত বিভিন্ন চৰায়ে পোৱালি জগায়। এই শান্ত, গম্ভীৰ প্ৰকৃতিখন যাতে মানুহৰ কামৰ দ্বাৰা হানি নহয় তালৈ প্ৰতিজন মানুহে লক্ষ্য ৰখাটো কৰ্তব্য। বসন্ত কালতে নতুন বছৰৰ আৰম্ভণি হয়। পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহে নৱবৰ্ষৰ উৎসৱ পালন কৰে। আচৰিত ধৰণেৰে সেই উৎসৱ সমূহৰ মাজেৰে প্ৰকৃতি আৰু মানুহৰ সম্পৰ্ক গাঢ় হয়।

অসমত বসন্ত ঋতুত পালন কৰা অন্যতম উৎসৱ সমূহ হ'ল বিহু, আলি আই লৃগাং, বৈশাগু আদি। বৌদ্ধ পূৰ্ণিমাও বসন্ত কালতে উদ্‌যাপন কৰা হয়।

বুদ্ধদেৱ বৌদ্ধধৰ্মৰ প্ৰৱৰ্তক। বৌদ্ধধৰ্মৰ মূলমন্ত্ৰ অহিংসা। জীৱই ৰোগ, জৰা, মৃত্যুৰ যন্ত্ৰণাৰ পৰা কিদৰে পৰিত্ৰাণ পাব পাৰে তাৰ উপায় বুদ্ধদেৱে মানুহক দি থৈ গৈছে। হিন্দু ধৰ্মই বুদ্ধদেৱক ভগৱান বিষ্ণুৰ দশম অৱতাৰ হিচাপে গ্ৰহণ কৰিছে। সমগ্ৰ ভাৰতবৰ্ষতে বৌদ্ধপূৰ্ণিমা অতি পৱিত্ৰ তিথি হিচাপে গণ্য কৰা হয়। উজনি অসমৰ টাই ফাকে আদি সম্প্ৰদায়ে বৌদ্ধ পূৰ্ণিমা উৎসৱ অতি ধুমধামেৰে পালন কৰে। এই উৎসৱসমূহে মানুহৰ মাজত সম্প্ৰীতি গঢ়ে।

বৰ্তমান বিশ্বৰ মানুহৰ মাজত সম্প্ৰীতি ভাৱৰ অতি প্ৰয়োজন হৈ পৰিছে। মানুহে মানুহক শত্ৰু জ্ঞান কৰিলে মানুহৰ জীৱন বিপদাপন্ন হৈ পৰে। বিশ্ব ৰাজনীতি সাম্প্ৰতিক সময়ত অতি অস্থিৰ হৈ আছে। আমেৰিকা-ইজৰাইলৰ ইৰাণৰ লগত হোৱা যুদ্ধই বিশ্বৰ আকাশ গোমা কৰি ৰাখিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু ইজৰাইলৰ প্ৰধান শাসক ব্ৰেঞ্জামিন নেতানিয়াহুয়ে ইৰাণৰ ওপৰত আক্ৰমণ চলাই ইৰাণী শাসক ওমৰ খোমেনীক হত্যা কৰাৰ পিছৰে পৰা ইৰাণ প্ৰতিশোধ পৰায়ণ হৈ পৰিল। যুদ্ধৰ বিভীষিকাই বিশ্বক আৱৰি ধৰিলে।

আমাৰ চুবুৰীয়া দেশ নেপালৰ ৰাজনীতিতো পৰিৱৰ্তন ঘটিছে। নতুন প্ৰজন্মৰ নায়ক বালেন শ্বাহৰ নেতৃত্বত নৱ প্ৰজন্মই পুৰণি দুৰ্নীতিগ্ৰস্ত চৰকাৰ ভাঙি নতুন চৰকাৰ গঠন কৰিলে। নেপালৰ উন্নতিৰ বাবে চৰকাৰখনে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

নেপালৰ নতুন ৰাজনৈতিক উত্থানৰ নেতৃত্ব গ্ৰহণ কৰিছিল 'জেন জি (Gen Z)' মানে নতুন প্ৰজন্মই। আজিৰ প্ৰজন্মই নিজকে জেন জি বুলি পৰিচয় দি গৌৰৱ অনুভৱ কৰে। তেওঁলোকৰ বিশেষত্ব হ'ল তেওঁলোক আধুনিক প্ৰযুক্তিৰ লগত গভীৰ ভাৱে সংলগ্ন হৈ থাকে। নেটৱৰ্ক ব্যৱস্থাৰ সুবিধাৰে তেওঁলোক বিশ্বৰ বিভিন্ন তথ্য সম্পৰ্কে জ্ঞাত।

জেন জি আধুনিক ক্ষুদ্ৰ পৰিয়াল ব্যৱস্থাৰ মাজত ডাঙৰ হোৱা প্ৰজন্ম। সেয়েহে কিছুমান সন্তানৰ মাজত দেখা যায় তেওঁলোক সহনশীলতা, সন্মান প্ৰদৰ্শন, তথা ধৈৰ্য আদি গুণৰ পৰা কিছু আঁতৰত। তদুপৰি তথ্য নিৰ্ভৰ হোৱা বাবে তেওঁলোকৰ জ্ঞান বিশ্লেষণৰ ক্ষমতা কম। আনহাতে আজিকালিৰ শিক্ষা ব্যৱস্থায়ো তেওঁলোকৰ নৈতিক-আধ্যাত্মিক উন্নতিত অৰিহণা যোগাব পৰা নাই। নতুন আৱিষ্কাৰ আৰু নতুন চিন্তাৰ বাবে জ্ঞান বিশ্লেষণৰ ক্ষমতাৰ প্ৰয়োজন অধিক।

এতিয়া পৰিবৰ্তনৰ যুগ। এটা সময়ত অসমৰ বাহিৰৰ লোকসকলে অসমক জংঘলৰ ৰাজ্য বুলিয়েই ভাবিছিল। কিন্তু আজিকালি অসমৰ পৰিচয় সলনি হৈছে। আজিৰ অসম চেমি কণ্ডাক্টৰৰ ৰাজ্য, এলিভেটেড কৰিড'ৰৰ ৰাজ্য। আনহাতে ২০২৬ৰ নিৰ্বাচনে আমাক নতুন সাহস আৰু প্ৰেৰণা প্ৰদান কৰিছে। অনাগত দিনত অসমৰ অধিক উন্নতি হ'ব বুলি আমি সকলোৱে আশাবাদী।

**গায়ত্ৰী গোস্বামী**

অন্তৰ্জগত শিতান

# মন চাৰ্জ কৰা বিধি

শশীপ্ৰভা দাস,
জ্যেষ্ঠা লেখিকা

শিশুৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, বয়সীয়াল সকলো লোকৰ বাবে মোবাইল ফোনটো জীৱনত অপৰিহাৰ্য অংগ হৈ আছে। শিক্ষা-দীক্ষা, কৰ্মক্ষেত্ৰ, খেলা-ধূলা, ব্যৱসায়-বাণিজ্য, পাৰিবাৰিক-সামাজিক জীৱনকে মুখ্য কৰি সকলোৰে লগত যোগাযোগ কৰা এক শক্তিশালী মাধ্যম মোবাইল। সেয়ে মোবাইল নহ'লে আমি এখন্তেকো থাকিব নোৱাৰো। সেই বাবেই কিশোৰ-কিশোৰী, ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি সকলোৱেই ৰাতিপুৱা শুই উঠিয়েই মোবাইল চাৰ্জ দি লওঁ, যাতে দিনটোৰ বাবে আমাৰ সকলো কাম-কাজ নিয়াৰিকৈ চলে। কিন্তু সাম্প্ৰতিক সময়ত মোবাইলতকৈও জৰুৰী বস্তু এটাত চাৰ্জ দিয়াটো অপৰিহাৰ্য হৈ পৰিছে। সেয়া হ'ল মনটোক চাৰ্জ দিয়া।

মন অতি সূক্ষ্ম। মনৰ কাম হ'ল, চিন্তা-ভাৱনা কৰা, ভাৱনাৰ সৃষ্টি কৰা। মন কোনেও দেখা নাপায়। গতিকে মনক কেনেকৈ চাৰ্জ দিব? মন হ'ল শৰীৰ নিয়ন্ত্ৰণকাৰী চৈতন্য শক্তি আত্মাৰ সূক্ষ্ম শক্তি। মন ইমানেই সূক্ষ্ম যে মনৰ ওপৰত ভাল বেয়া সকলো কথা বা চিন্তাৰ সহজেই চাপ পৰে। ৰাতিপুৱা শুই উঠি সুন্দৰ দৃশ্য বা ভাল খবৰ শুনিলে দিনটোলৈ মনটো আনন্দেৰে ভৰি থাকে। বিচনাতে পুৱা বেয়া খবৰ পালে বা দুখ লগা দৃশ্য দেখিলে মন অশান্ত হৈ পৰে। সেয়েহে ৰাতিপুৱা সদায় মন ভাল লগা বা সুন্দৰ দৃশ্য চাবলৈ সকলোৱে বিচাৰো।

মনৰ প্ৰকৃততে দুটা অৱস্থা— চেতন আৰু অৱচেতন মন। আমি বাহিৰৰ জগতখনৰ দৃশ্য চোৱা, বিভিন্ন লোকৰ লগত কথা-বতৰা পতা, কাম-বন কৰা আদি চেতন মনৰ কাম। কিন্তু মনৰ ভিতৰৰ স্তৰটো অৱচেতন মন। টোপনি যোৱাৰ আগতে আৰু পুৱা শুই উঠাৰ পিছত দহ মিনিট সময় অৱচেতন মন সক্ৰিয় হৈ থাকে। সেয়েহে ব্যক্তিয়ে যি চিন্তা লৈ টোপনি যায় অৱচেতন মনত প্ৰৱেশ কৰি সেই চিন্তাই প্ৰকম্পন তুলি মন ভৰাই পেলায়। সেইদৰে পুৱা শুই উঠাৰ দহ মিনিটৰ বাবে অৱচেতন মন সক্ৰিয় হৈ থাকে। এই সময়ত সুন্দৰ, সৃষ্টিমূলক চিন্তা কৰিলে মানুহৰ মন দিনটোৰ বাবে সুন্দৰ, শক্তিশালী হৈ থাকে।

সুন্দৰ আৰু ভাল চিন্তা মনক দিয়াটোৱেই মন চাৰ্জ কৰা বুজায়। সদায়েই শোৱাৰ আগতে আৰু পুৱা উঠিয়েই ছাত্ৰ-ছাত্ৰীয়েই নহয় আজিকালি শিশুৰ পৰা বয়সীয়া লোকলৈকে সকলোৱে মন চাৰ্জ দিয়াটো অপৰিহাৰ্য। কাৰণ আজিকালি হতাশা, নিৰাশা, উগ্ৰ মানসিক চাপ, উশৃংখল মানসিকতা, ভ্ৰষ্টাচাৰ, অমানৱীয়তা আদি যিবোৰ ঘটনা ঘটিব লাগিছে সেয়া মানসিক শক্তি ক্ষয় হোৱাৰ বাবেই হৈছে।

মানসিক শক্তিৰ ক্ষয় হোৱাৰ কাৰণ হ'ল— নেতিবাচক আৰু অদৰকাৰী চিন্তা। বৰ্তমান চাৰিওফালে অস্থিৰতা,সংঘৰ্ষ, প্ৰাকৃতিক দুৰ্যোগ, ঘৰুৱা, সামাজিক, শিক্ষা-দীক্ষা, দ্ৰুতগতিত জীৱন যাত্ৰা প্ৰণালীৰ পৰিৱৰ্তন, নানা ধৰণৰ সমস্যা এই সকলোবোৰ মিলি ল'ৰা-বুঢ়া সকলোকে অস্থিৰ কৰি তুলিছে। মানসিক শক্তি অপচয় হ'লে কোনো কামতে সফল হ'ব নোৱাৰে। মন নেতিবাচক চিন্তাৰূপী আবৰ্জনাৰে ভৰি পৰে। সেইবাবে মনক সদায় সাকাৰাত্মক, সুন্দৰ চিন্তাৰে চাৰ্জ দিব লাগে। মনত সদায় চাৰ্জ দি থাকিলে মন অসীম শক্তিৰ অধিকাৰী হয়।

বিশ্বত গৱেষক আৰু বিজ্ঞানীসকলে গৱেষণা কৰি যিবোৰ আশ্চৰ্যকৰ বস্তু আৱিষ্কাৰ কৰিছে, শিল্পীয়ে অসাধাৰণ সৃষ্টি কৰিছে, সাহিত্যিকে মহৎ সাহিত্য ৰচনা কৰিছে, বৰ্তমান সময়ত যিসকলে অসম্ভৱকো সম্ভৱ কৰি তুলিছে তাৰ মূলতে হ'ল সেইসকলে মন চাৰ্জ কৰি থাকে- মানসিক শক্তিৰ অধিকাৰী সেইসকল লোক।

উপনিষদৰ কাহিনী

# পদ্মপুৰাণ - এক সংক্ষিপ্ত আভাস

পীতাম্বৰ হাজৰিকা
প্ৰাক্তন ছাত্ৰ ঃ শ.শি.বি.নি., ভোগপুৰ

আভিধানিক ভাৱে 'পুৰাণ' শব্দৰ অৰ্থ হৈছে প্ৰাচীন অথবা পুৰণি আখ্যান। কোৱা হয় যে ''পুৰাণং পুৰাতনমাখ্যানম্ উচ্যতে''। মূলতঃ সংস্কৃত শব্দ পুৰাণ শব্দটিয়ে হিন্দু পৌৰাণিক কাহিনী, কিংবদন্তি আৰু পৰম্পৰাগত জ্ঞান থকা ভাৰতীয় সাহিত্যৰ বিশাল এটি ধাৰাক বুজায়। খ্ৰীষ্টীয় তৃতীয় আৰু দশম শতিকাৰ ভিতৰত ৰচিত এই পৱিত্ৰ গ্ৰন্থ সমূহত সৃষ্টি, ব্ৰহ্মাণ্ড বিজ্ঞান, দৰ্শন আদিক সামৰি বিষ্ণু শিৱ দেৱীৰ দৰে দেৱতাৰো কাহিনী বৰ্ণনা কৰাটো পৰিলক্ষিত হয়। হিন্দু ধৰ্মৰ প্ৰাচীন আখ্যানমূলক এই পুৰাণ সমূহে বৰ্ণনা কৰে- সৃষ্টি, সৃষ্টিৰ অৱনতি, ঋষি-মুনি, নৃপতিসকলৰ বংশাৱলী ইত্যাদি নানা বিষয়। মূলতঃ মহাপুৰাণ হৈছে ১৮ খন। পঞ্চ লক্ষণযুক্ত এই পুৰাণৰ প্ৰণেতা বুলি বিশ্বাস কৰা হয় 'বেদব্যাসক।' কোৱা হয় যে-

''সৰ্গ প্ৰতিসৰ্গশ্চ বংশো মন্বন্তৰাণি চ
বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চ লক্ষণম্''।

- অৰ্থাৎ, সৰ্গ (সৃষ্টি), প্ৰতিসৰ্গ, বংশ (বংশাৱলী) মন্বন্তৰ (মনুৰ পৰৱৰ্তী কাল)', বংশানুচৰিত এই পাঁচটি হৈছে পুৰাণৰ পঞ্চলক্ষণ। প্ৰতিটো লক্ষণ অতি সুন্দৰ ভাৱে পুৰাণ সমূহত প্ৰতিফলিত হৈছে ।

অষ্টাদশ (১৮) পুৰাণৰ অন্যতম এখন পুৰাণ হৈছে - 'পদ্ম পুৰাণ।' পদ্ম পুৰাণ পৰম্পৰাগত ভাৱে ব্যাসদেৱে ৰচনা কৰা এক বিশাল বিশ্বকোষীয় গ্ৰন্থ, য'ত প্ৰায় ৫৫,০০০ শ্লোক আছে। ব্ৰহ্মাৰ মহাজাগতিক পদ্মৰ নামেৰে নামকৰণ কৰা এই পুৰাণে মূলতঃ বিষ্ণুক মহিমামণ্ডিত কৰাৰ লগতে শিৱ, শক্তি, ব্ৰহ্মাণ্ড, পৌৰাণিক কাহিনী আৰু তীৰ্থযাত্ৰাকো সামৰি লৈছে। পদ্ম পুৰাণত ব্ৰহ্মাণ্ডবিজ্ঞান, বংশাৱলী, ভূগোল নদী আৰু ঋতু, মন্দিৰ আৰু ভাৰতৰ অসংখ্য তীৰ্থ স্থানলৈ তীৰ্থযাত্ৰাৰ অংশ অন্তৰ্ভূক্ত কৰা হৈছে, বিশেষকৈ পুষ্কৰ, ৰাজস্থানৰ ব্ৰহ্ম মন্দিৰ, ৰাম আৰু সীতাৰ কাহিনীৰ সংস্কৰণ, বিষ্ণুও মহিমা বৰ্ণিত আছে। বিশেষকৈ নৈতিকতা, আতিথ্যৰ ওপৰত আলোচনা, যোগ, আত্মন্ (আত্মা), মোক্ষ আৰু অন্যান্য আলোচনা ইয়াত উপলব্ধ। সৃষ্টি, ভূমি, স্বৰ্গ, ব্ৰহ্ম, পাতাল, উত্তৰ, ক্ৰিয়া-যোগসাৰ নামেৰে পদ্মপুৰাণ সপ্ত খণ্ডত বিভক্ত।

পদ্ম পুৰাণৰ পাণ্ডুলিপি সমূহ আধুনিক যুগলৈকে অসংখ্য সংস্কৰণত আছে। ইয়াৰে দুটা প্ৰধান আৰু উল্লেখযোগ্যভাৱে পৃথক। এটা ভাৰতৰ পূব আৰু আনটো ভাৰতৰ পশ্চিম অঞ্চলৰ পৰা পোৱা যায়। ই এক বিস্তৃত গ্ৰন্থ, ইয়াত ৫৫,০০০ পদ আছে বুলি দাবী কৰা হৈছে। প্ৰকৃততে জীৱিত পাণ্ডুলিপিসমূহত প্ৰায় ৫০,০০০ পদ দেখুওৱা হৈছে।

পুৰাণ সমূহ হৈছে গুৰুত্বপূৰ্ণ, বিশ্বকোষীয় হিন্দু গ্ৰন্থ যিয়ে জটিল বৈদিক দৰ্শনক সকলোৰে বাবে সুলভ কৰি তোলে। পুৰাণসমূহে হিন্দু ধৰ্মৰ 'মেৰুদণ্ড' হিচাপে কৰ্ম সম্পন্ন কৰে, নৈতিকতা, ভক্তি, সাংস্কৃতিক ঐক্যক লালন পালন কৰে আৰু দৈনন্দিন জীৱনক পথ প্ৰদৰ্শন কৰে। ভাৰতবৰ্ষৰ সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰখনত পুৰাণ সমূহৰ অৱদান উল্লেখযোগ্য। পুৰাণ সমূহ হৈছে— সংগীত, শাস্ত্ৰীয় নৃত্য (ভাৰতনাট্যম), গল্প নাটককে আদি কৰি ভাৰতীয় কলাৰ ভেটি। প্ৰাচীন নানা তথ্যৰ ভাণ্ডাৰ এই পুৰাণ সমূহ সংৰক্ষিত তথা সু-সংবদ্ধভাৱে ৰখাটো প্ৰতিজন ভাৰতীয়ৰে কৰ্তব্য।

প্ৰচ্ছদ নিৱন্ধ

# সংস্কৃতিৰ মহা সমুদ্ৰত গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা

প্ৰণতি বৰুৱা
আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত কণ্ঠশিল্পী
(আচাৰ্যা, শংকৰদেৱ শিশু-বিদ্যা নিকেতন, মেলাচকৰ, শিৱসাগৰ)

জোনাকী অ জোনাকী! আকাশৰ তৰা জানো তোৰ চিনাকি, আহিনমহীয়া শেৱালি সৰিলে; নিয়ৰত তিতিলে বন, শাৰদী সন্ধিয়াৰ জোনাকী মেল, আই মোৰ সোণৰে অসমৰ আদি অপূৰ্ব গীতৰ স্ৰষ্টা গীতিকবি পাৰ্বতি প্ৰসাদৰ জন্ম হৈছিল শিৱসাগৰৰ দিখৌ নদীৰ পাৰৰ এটি আঢ্যৱন্ত পৰিয়ালত। পিতৃ ৰায়চাহাব ৰাধিকা প্ৰসাদ বৰুৱা অসম কাউন্সিলৰ মেম্বাৰ আছিল। মাতৃ হিমলা দেৱী যোৰহাটৰ বিখ্যাত চাহ খেতিয়ক, ৰায় বাহাদুৰ বিষ্ণুৰাম বৰুৱাৰ কন্যা আছিল। ৰাধিকা প্ৰসাদৰ পৰিয়ালত পুত্ৰ চাৰিজন ক্ৰমে ভগৱতী প্ৰসাদ। পাৰ্বতি প্ৰসাদ বৰুৱা কামাখ্যা প্ৰসাদ বৰুৱা আৰু মোক্ষদা প্ৰসাদ বৰুৱা। তিনিগৰাকী জীয়ৰী হ'ল কমলা বৰুৱা, সুধা বৰুৱা আৰু প্ৰতিমা বৰুৱা।



১৯০৪ চনৰ ১৯ আগষ্টৰ কোনো এক শুভক্ষণত জন্ম লাভ কৰা সংস্কৃতিৰ একনিষ্ঠ পূজাৰী পাৰ্বতি প্ৰসাদৰ জন্মস্থান তাৎপৰ্যপূৰ্ণ। কাৰণ তেখেতৰ কাব্য সাধনাত ইয়াৰ প্ৰভাৱ অপৰিসীম। দিখৌ নৈৰ পাৰৰ প্ৰকৃতিৰ নিৰ্মল কোলাত কবিৰ শৈশৱ পাৰ হৈছিল। সোণৰ চামুচ মুখত লৈ জন্মগ্ৰহণ কৰা কবিজনাই সৰুৰে পৰাই প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক ৰক্ষা কৰি সমগ্ৰ জীৱন প্ৰকৃতিৰ আৰাধনা কৰিলে। পাৰ্বতি প্ৰসাদে অনুভৱ কৰিছিল যে ঐতিহ্যৰ ভেটিতহে জাতীয় সংস্কৃতিৰ বিকাশ সম্ভৱ। কবিৰ ৰচনাত ক'তো চঞ্চলতা নাই, নাই কোনো বাহুল্যতা। আছে মাথো সুন্দৰ সহিষ্ণু মনৰ নিৰ্মল, শান্ত আৰু অচঞ্চল ৰূপ। স্বকীয় শৈলীৰে প্ৰতিভাত হৈছিল কবিৰ শৈল্পিক সৌন্দৰ্য। পাৰ্বতি প্ৰসাদৰ গীত মানেই ব্যঞ্জনাময় শব্দৰ সমদল। লেকলৌ পৰুৱা, জোনাকী পৰুৱা, মাধৈমালতী, শাৰদী সন্ধিয়া আদি নিভাঁজ থলুৱা শব্দৰে ভৰপূৰ অসমৰ মাটিৰ গোন্ধ থকা আপোন আপোন লগা মনোৰম গীতবোৰৰ স্ৰষ্টা পাৰ্বতি প্ৰসাদৰ পৰিয়ালটি যেনে আঢ্যৱন্ত আৰু সুৰুচিপূৰ্ণ, তেনেদৰে কাব্য সাহিত্য চৰ্চা আৰু অসমীয়া সংস্কৃতিৰ প্ৰতি বিশেষ শ্ৰদ্ধা পৰিয়ালটিৰ লগৰীয়া বস্তু আছিল। পৰিৱেশে মানুহৰ জীৱনত প্ৰভাৱ পেলোৱা কথা কবিৰ জীৱনত পৰিস্ফুট হোৱা দেখা যায়। পাৰ্বতি প্ৰসাদৰ কাব্য আৰু জীৱন একে সুৰতে বন্ধা। কবিৰ জীৱনৰ কাহিনী

অধ্যয়ন নকৰাকৈ তেখেতৰ গীত, সাহিত্য, কাব্য আৰু সাংস্কৃতিক অৱদানবোৰৰ সঠিক মূল্যায়ন কৰাতো কঠিন।

পাৰ্ৱতি প্ৰসাদৰ ব্যক্তিত্বত দেখা যায় শান্ত-সৌম্য, নিৰ্ভীক, সুন্দৰ সুঠাম পৌৰুষেৰে এক দীপ্ত চেহেৰা। যাৰ পিন্ধনত আছিল অসমীয়া ডাঙৰীয়াসকলৰ আৰ্হিৰে পাটৰ চেলেং চাদৰ, ধূতি, মূৰত মুগাৰ বনকৰাই লোৱা এড়ীয়া কাপোৰৰ নিজা আৰ্হিৰে তৈয়াৰ কৰা এটা টুপী। নিৰ্ভীকতা আছিল তেখেতৰ ব্যক্তিত্বৰ আন এক পৰিচয়।

বহুমুখী প্ৰতিভাৰ আকৰ পাৰ্ৱতি প্ৰসাদে তেখেতৰ সৰহখিনি গীতি-কবিতাৰ সৃষ্টি কৰিছিল ১৯২৩-১৯৩৩ চনৰ কালছোৱাতে। সৰুৰে পৰা ৰবীন্দ্ৰ কাব্য আৰু সংগীত চৰ্চা কৰি অহা পাৰ্বতি প্ৰসাদে বিশ্বকবিক গুৰু হিচাপে গ্ৰহণ কৰিছিল। কবিৰ জীৱনত ৰবীন্দ্ৰ দৰ্শনৰ ছাঁ পৰিলেও পাৰ্ৱতি প্ৰসাদে অসমীয়া জাতীয়ত্বৰ গা-গছডালৰ গুৰিতহে পানী ঢালি তাৰ স্থায়িত্বৰ বাট কাটিছিল। ৰবীন্দ্ৰ সংগীতত যেনেকৈ ভাৱ আৰু সুৰৰ গাম্ভীৰ্যতা দেখা যায় একেদৰে পাৰ্ৱতি প্ৰসাদৰ গীতত কথা আৰু সুৰৰ গভীৰতা দেখা যায়। তেখেতৰ গীতত অসমৰ মাটিৰ গোন্ধ আছে। পাৰ্ৱতি প্ৰসাদে অসমৰ থলুৱা লোকগীত, আইনাম, বিয়ানাম, টোকাৰী গীতৰ সুৰ দি অসমীয়া সংগীত জগতলৈ এক নতুন ধাৰা বোৱাই আনিলে। কবিৰ ৰচনাত শৰৎ কালৰ স্নিগ্ধতা আছে। সমুদ্ৰৰ গৰ্জন নাই। আছে শেৱালিৰ মৃদু সুবাস। বিদেশী বেণ্ড বাদ্যৰ ঝংকাৰ নাই। আছে অসমীয়া টোকাৰীৰ জনজননি। নিজস্ব সৃজনী প্ৰতিভাৰে পাৰ্ৱতি প্ৰসাদে পৰম্পৰাগতভাৱে চলি অহা প্ৰায় একেধৰণৰ নৃত্যৰ শৈলী পৰিৱৰ্তন কৰি সত্ৰীয়া নৃত্যৰ আৰ্হিত প্ৰাচ্য নৃত্য, নিজৰী নাচ, সৃষ্টি নাচ প্ৰৱৰ্তন কৰি অসমীয়া নৃত্য জগততো এটি নতুন ধাৰাৰ সৃষ্টি কৰিছিল। অসমৰ নাট্য বুৰঞ্জীত এজন কৃতী মঞ্চ অভিনেতা স্বৰূপে পাৰ্ৱতি প্ৰসাদে সুকীয়া আসন অধিকাৰ কৰিছে।

পাৰ্ৱতি প্ৰসাদে অসমীয়া সংস্কৃতিৰ মহা সমুদ্ৰত অৱগাহন কৰি গীত, নৃত্য, নাট, বোলছবি, সাহিত্য আদি অনেক ক্ষেত্ৰত অৱদান আগবঢ়াই অসমীয়া সংস্কৃতিৰ বিশাল পথাৰখন আগুৱাই থৈ গৈছে। পাৰ্ৱতি প্ৰসাদে বিশেষ পৰিস্থিতিত পৰিও থিতাতে গীত ৰচনা কৰা দেখা যায়। এনে এটি গীতৰ বিষয়ে তেখেতৰ বৰপুত্ৰ প্ৰণৱিৰাম বৰুৱাৰ মুখেৰে জানিব পাৰিছিলো। দিখৌ নদীৰ শেহতীয়া বান দেখি কবিয়ে লিখিছিল —আজি আকাশৰ শেহ হ'ব পায় শেহ বাৰিষাৰ গান। দিখৌ নৈৰ বুকুতে সেয়েহে আহিছে শেহতীয়া বান। আন এটি গীত হ'ল — (পাৰ্ৱতি প্ৰসাদৰ ৰচনাৱলীত উল্লেখ আছে) এবাৰ গৰু গাড়ীত আহি থাকোতে সাপেখাতি-মেদেলোজানৰ ওচৰত ৰাতিপুৱাৰ সোণালী পোহৰ দেখি লেখিলে — ওৰে ৰাতি অন্ধকাৰত আছিলে মোৰ দুৱাৰ বন্ধ! কোনে আহি দিলে মেলি, সোণৰ পোহৰ দিলে ঢালি, কি আনন্দ, কি আনন্দ। ধনীয়ে ভোগ বিলাসত দুখীয়া নিচলাৰ কথা ভাবি নোচোৱাৰ কথাও দুই এটি গীতত লিখিছে। তেনে এটি গীত হ'ল, মানুহৰ দেহাতে জীৱই কলমলাই, খাবলৈ খুদকণ নাই, মানুহৰ ভোগতে ভোগ পৰমানত খুদকণ কমিলেই দায়।

পাৰ্ৱতি প্ৰসাদে কেইবাটাও দেশপ্ৰেমূলক গীত ৰচনা কৰিছিল। বন্দে মাতৰম্‌ৰ দৰে মাটি আৰু মাতৃক একাকাৰ কৰি বন্দনা কৰা ঐতিহ্য কেৱল ভাৰতভূমিতেই দেখা যায়। গীতিকবিয়েও জন্মদাত্ৰী আইক বন্দনা কৰি ৰচনা কৰিছে — পূজোঁ আহা আই মাতৃৰ চৰণ কমল, উঠক বাজি জয়ধ্বনি পৰম মঙ্গল/নোবোলো তোক সোণৰ অসম, মাটিৰ অসম আই/জয় জয় আই মোৰ অসমৰ জয়, ৰতনৰে সিংহাসনত জননী বহিছে, সুৱৰ্ণৰে বন্তি গছি উজলি জ্বলিছে।

উল্লেখযোগ্য যে পাৰ্ৱতি প্ৰসাদৰ কেইবাটিও গীতত ৰাগ সংগীতৰ প্ৰকাশ ঘটিছে। উদাহৰণস্বৰূপে লুইতৰ চাপৰিত কৰে নাৱৰীয়া, (ভীম পলাশী) গৰখীয়া হেৰ গৰখীয়া, (ধানী) কিহৰ ৰাগীত জ্বলা কলা হলি, (খাম্বাজ), এনেবোৰ কাৰণতে এই গীতবোৰ ভাৰতীয় ভাষালৈ ৰূপান্তৰ হ'ব পাৰে। সংস্কৃত অনুবাদৰ বাবে

লেখিকাই নিজে পৰিয়ালৰ লগত যোগাযোগ কৰি অনুমতি লোৱা হৈছিল। ইতিমধ্যে দুই এটি সংস্কৃত অনূদিত গীতত কণ্ঠদান কৰি বাণীবদ্ধ কৰা হৈছে। পাৰ্বতি প্ৰসাদক শৰতৰ কবি বুলিও জনা যায়। মূলত শৰৎ কালৰ কবি হ'লেও তেখেতৰ কবিতাত প্ৰকৃতি প্ৰেম, ভগৱৎ প্ৰেম, মানৱ প্ৰেম, ৰহস্যবাদী প্ৰেম এই সকলোবোৰেই অনন্য ৰূপত উদ্ভাসিত হৈছে।

পাৰ্বতি প্ৰসাদ যে কেৱল গীতিকবি আছিল এনে নহয়। তেখেত একেৰাহে গায়ক, সু-অভিনেতা, আবৃত্তিকাৰ, বোলছবি পৰিচালক হোৱাৰ লগতে এজন দানবীৰ আছিল। লখিমী আৰু সোণৰ সোলেং নামৰ দুখন গীতি নাটিকা ৰচনা কৰি অসমীয়া সাহিত্যৰ প্ৰথম গীতি নাটিকাৰ স্ৰষ্টা ৰূপে তেখেতে সুখ্যাতি লাভ কৰিছিল।

পাৰ্বতি প্ৰসাদৰ স্কুলীয়া শিক্ষা শিৱসাগৰতে আৰম্ভ হৈছিল। প্ৰয়াত ৰাধিকানাথ শৰ্মাই স্থাপন কৰা ফুলেশ্বৰী ল'ৰা উচ্চ বিদ্যালয়ত পঢ়ি পাৰ্বতি প্ৰসাদে শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। ১৯২১ চনত স্কুলীয়া জীৱনৰ অন্ত পেলাই গুৱাহাটী কটন কলেজত নামভৰ্তি কৰিছিল। কটন কলেজত পঢ়ি থকা সময়তে পাৰ্বতি প্ৰসাদৰ কবি প্ৰতিভাৰ দুৱাৰ মুকলি হয়। ১৯২৫ চনত পাৰ্বতি প্ৰসাদে কলিকতালৈ গৈ স্কটিছ চাৰ্চ কলেজত নাম ভৰ্তি কৰে। কলিকতাত থকা সময়খিনি কবিৰ সোণসেৰীয়া সময়। ইয়াতে ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱাকো লগ পায়।

পাৰ্বতি প্ৰসাদৰ জীৱন ধাৰা বিশ্লেষণ কৰিলে দেখা যায় তেখেতৰ জীৱন নানা ঘাট প্ৰতিঘাটৰ মাজেদি অতিবাহিত হৈছিল। কটন কলেজত পঢ়ি থকা সময়তে মৰমৰ বায়েক কমলা বৰুৱাক বিয়া দি উলিয়াই দিয়াৰ কিছুদিন পাছতেই মৃত্যু হোৱাত মৰ্মান্তিক আঘাত পাই লিখিছিল — জোনাক জোনাক শীতল জোনাক, চাই মোৰ চকুলো সৰে। বি এ পাছ কৰি অহাৰ পাছত কবিয়ে ১৯২৯ চনত মোমায়েকৰ চাহ বাগিচাত কাম শিকিবলৈ লয়। সেই বছৰতে তেওঁৰ মনত খেলালে এখন নতুন 'মেল' সৃষ্টি কৰাৰ কথা। তেওঁৰ মনলৈ আহিল শাৰদীয় বগা জোনাকত নিশা পোহৰ বিলাই ফুৰা জোনাকী পৰুৱা ধৰি বটলত ভৰাই সিহঁতৰ লগত খেল কৰাৰ কথা আৰু সিহঁতৰ টিমিক টামাক পোহৰ চাই আনন্দ লভাৰ কথা। সেয়ে শাৰদী পূৰ্ণিমা নিশাত সৰু চৰাই বাগিছাৰ বৰ চাহাবৰ বঙলাৰ সন্মুখত থকা খেজুৰ গছৰ তলত তেওঁ আয়োজন কৰিলে 'জোনাকী মেল'ৰ। জোনাকী মেল পাৰ্বতি প্ৰসাদৰ অন্যতম সৃষ্টি। এই মেলৰ উদ্দেশ্য আছিল চাহ-বাগিচাৰ নিৰস-নিৰলা জীৱনৰ অৱসাদবোৰ দূৰ কৰি খন্তেকৰ বাবে হ'লেও আনন্দৰ নিজৰাত বুৰ মৰা। এই মেলত যোগদান কৰা প্ৰতিগৰাকী মেলুৱৈ আছিল একোটা জোনাকী পৰুৱা। এই জোনাকী মেলত গাবৰ বাবেই লিখি উলিয়ালে 'শাৰদী সন্ধিয়াৰ জোনাকী মেল, নিৰলা জীৱনৰ ক্ষণিক খেল। গীতিকবিৰ সৃষ্ট এই জোনাকী মেল আজিও অসমৰ বহু ঠাইত অনুষ্ঠিত হৈ আহিছে। পাৰ্বতি প্ৰসাদ বৰুৱা শিৱসাগৰৰ কাষৰে ৰজাবাৰী বাগিচাৰ মেনেজাৰ হৈ থাকোতেই ১৯৩৩ চনৰ ১৪ অক্টোবৰৰ দিনা মৰমৰ ককায়েক ভগৱতী প্ৰসাদ বৰুৱাৰ পৰিয়ালটি লৈ নিজে গাড়ী চলাই শিৱসাগৰলৈ কনৌজ কুঁৱৰী নাট চাবলৈ আহোতে দিচাং নদীত মটৰ দুৰ্ঘটনাত পতিত হৈ ককায়েক ভগৱতী প্ৰসাদৰ পৰিয়ালটিৰ সলিল সমাধি ঘটিল। সেই সময়ত পকী দলং নাছিল। মাৰনাওঁহে আছিল। মাৰনাওঁখনৰ সন্মুখৰ ডাংডাল লগোৱা নহ'ল। দুৰ্ভাগ্যক্ৰমে গাড়ীখন নাঁৱৰ পৰা পিছল খাই পানীৰ মাজত পৰিলগৈ। পাৰ্বতি প্ৰসাদে কোনোৰকম পানীত ককবকাইহে উঠি আহিল। এই দুৰ্ঘটনাই সদাহাস্য পাৰ্বতি প্ৰসাদৰ জীৱনৰ সুঁতিয়েই সলাই দিলে। ককাইয়েকৰ স্মৃতি যুগমীয়া কৰিবলৈকে পাৰ্বতী প্ৰসাদে অসম সাহিত্য সভা,গুৱাহাটীত ভগৱতী প্ৰসাদ বৰুৱা ভৱন নিৰ্মাণ কৰিবৰ বাবে ৫০ হাজাৰ টকা দান কৰিলে। শিৱসাগৰত ভগৱতী প্ৰসাদ বৰুৱা ঘূৰণ ৰঞ্চমঞ্চ নিৰ্মাণ হ'ল (বৰ্তমান এই ঘূৰণ ৰঙ্গমঞ্চ নাই)। সোণাৰিত ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণি উঃ মাঃ বিদ্যালয়ৰ ঘৰ

আৰু মাটি হ'ল। শেষত কৰ্তব্যৰ আহ্বানত ২০ দিনৰ বাবে কোনো মাননী নোলোৱাকৈ প্ৰধান শিক্ষকৰ দায়িত্বও লৈছিল।

এইখিনিতে সোণাৰিৰ সোণালী পামৰ কথা উল্লেখ কৰিব লাগিব। সোণালী পামত বহি পাৰ্বতি প্ৰসাদে সৃষ্টি কৰিছিল 'ভঙা টোকাৰীৰ সুৰ' (অগ্ৰজ ভ্ৰাতৃ ভগৱতী প্ৰসাদ বৰুৱা পবিত্ৰ সোঁৱৰণীত উছৰ্গা) কবিতা পুথি (১৯৫৯), 'খেল ভঙাৰ খেল' (১৯৬৯) কবিতা পুথি, 'গুণগুণনি' (১৯৬৩), 'লুইতী' (১৯৬৩), 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' (১৯৬৩), 'মায়াপী' (অপ্ৰকাশিত), 'লখিমী' (১৯৩১), 'সোণৰ সোলেং' (১৯৬৫)। সোণাৰিৰ ঘৰটি 'সোণালী পাম' নাম দিছিল পাৰ্বতি প্ৰসাদৰ ককায়েক ভগৱতী প্ৰসাদ বৰুৱাই। সেই সোণালী পামত পৰিয়ালটিৰ স্মৃতি আজিও জিলিকি আছে। কবিৰ বৰ পুত্ৰ প্ৰয়াত প্ৰণৱিৰাম বৰুৱাৰ লগত গৈ সোণাৰিত জোনাকী মেলত অংশগ্ৰহণ কৰাৰ উপৰিও কেইবাটাও সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যাওঁতে এই সোণালী পাম দেখাৰ সৌভাগ্য হৈছিল। কবিয়ে শেষ বয়সত জিৰণি ল'বৰ বাবে শিৱসাগৰত ৰতোৱাল নামেৰে এটি পকী ঘৰ সজাবলৈ লৈছিল যদিও তেখেতৰ জীৱনকালত এই ঘৰটি সম্পূৰ্ণ নহ'ল। পাছত তেখেতৰ সুযোগ্য পুত্ৰ প্ৰণৱিৰাম বৰুৱাই এই ঘৰটি সম্পূৰ্ণ কৰিছিল বুলি জানিব পাৰিছিলো। পাৰ্বতি প্ৰসাদ বৰুৱাৰ পৰিয়ালটিৰ কথা এইখিনিতে উল্লেখ কৰিলো। বৰ পুত্ৰ প্ৰয়াত প্ৰণৱিৰাম বৰুৱা (ৰূপহ) মাজু পুত্ৰ মানৱিৰাম বৰুৱা (সুৰুজ) আৰু সৰু পুত্ৰ ভাৰৱিৰাম বৰুৱা (অৰূপ)। কন্যা ক্ৰমে সান্ত্বনা বৰুৱা, বন্দনা হাজৰিকা, প্ৰয়াত কল্পনা বৰকাকতি আৰু অৰ্পণা দত্ত।

১৯৬৪ চনৰ ৭ জুনত গীতিকবি জনাৰ জীৱন নাটৰ সামৰণি পৰে যদিও তেখেতৰ সোণসেৰীয়া সৃষ্টি গীতসমূহে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ কণ্ঠৰে প্ৰতিষ্ঠা লাভ কৰে। গীতিকবিৰ বৰ পুত্ৰ প্ৰণৱিৰাম বৰুৱাৰ উদ্যোগতে ১৯৭৩ চনৰ প্ৰথমখন ই পি ৰেকৰ্ড বাণীবদ্ধ হয়। ইয়াৰ পাছতো পিতৃৰ গীতখিনি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰসাৰ আৰু প্ৰচাৰত ব্ৰতী হৈ থকা প্ৰয়াত শিল্পী প্ৰণৱিৰাম বৰুৱাই লোৱা ভূমিকা পিতৃভক্তিৰ উৎকৃষ্ট নিদৰ্শন। গীতিকবি জনাই তেখেতৰ জীৱনকালতে পুত্ৰ প্ৰণৱিৰাম বৰুৱাক তেখেতৰ আধৰুৱা হৈ ৰোৱা গীতখিনিত সুৰ দিবৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিছিল। (পাৰ্বতি প্ৰসাদৰ জীয়ৰী সান্ত্বনা বৰুৱাই লিখি থৈ যোৱা 'মই পাহাৰৰ আগতে' গ্ৰন্থত উল্লেখ আছে। ভূপেন হাজৰিকাৰ কণ্ঠত এইচ এম ভি (সা-ৰে-গা-মা) নিবেদিত পাৰ্বতি প্ৰসাদৰ শেহতীয়া এলবাম 'বীণবৰাগী'। পাৰ্বতি প্ৰসাদৰ সোঁৱৰত ভঙা কবিতাৰ গান, পোহৰ জৰা গীত, নীৰৰ কিয় টোকাৰী তোৰ, মৌ টোকাৰীৰ মাত, গোন্ধৰ সঁফুৰা আদি কেছেটো পৰৱৰ্তী সময়ত ওলাইছে। বৰ্তমান পাৰ্বতি প্ৰসাদ বৰুৱাৰ স্মৃতি দিৱস-৭ জুন অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত উদ্‌যাপন কৰি অহা দেখা যায়। এয়া এক শুভ লক্ষণ।

শেহতীয়াকৈ ২০১৯ চনৰ ৭ জুনত গীতিকবিৰ পৰিয়ালৰ সহযোগত লেখিকাৰ দ্বাৰা ৮ টি গীতত কণ্ঠদান কৰি 'কোনে ডাৱৰে ডাৱৰে' নামৰ এখনি শ্ৰব্য সঁফুৰা ৰাইজৰ বাবে উলিয়াই দিয়া হৈছে। উল্লেখ্য যে গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ জীৱন আৰু কৰ্মৰাজি সামৰি লেখিকাৰ দ্বাৰা সম্পাদনা আৰু সংকলন কৰি বৰ্তমান এখনি গ্ৰন্থ প্ৰকাশ কৰিবৰ দিহা কৰা হৈছে। এই ক্ষেত্ৰত পৰিয়ালৰ পৰা যথেষ্ট সঁহাৰি পোৱা হৈছে।

শেষত পুৰোধা ব্যক্তিজনৰ শিল্পী সত্তাক অনুভৱ কৰিবলৈ যিগৰাকী মহান ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিলো তেখেত হ'ল কবিৰ সুযোগ্য পুত্ৰ আমাৰ অতি শ্ৰদ্ধাৰ শিল্পী প্ৰণৱিৰাম বৰুৱা। কবিৰ লগতে তেখেতৰ গুণী পুত্ৰ প্ৰণৱিৰাম বৰুৱালৈও এইখিনিতে শ্ৰদ্ধাৰে মূৰ দোঁৱাই কলা-সংস্কৃতিৰ মহান সাধক গীতিকবিৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদিলো।

OOO

# বন্দে মাতৰম্‌ৰ ১৫০ বছৰ

***(ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মাননীয় ক্ষেত্ৰ সংঘচালক ডাঃ উমেশ চক্ৰৱৰ্তীয়ে 'বন্দে মাতৰম্‌'ৰ ১৫০ বছৰ উপলক্ষে দিয়া বৌদ্ধিকৰ আধাৰত শিশু শিক্ষা সমিতি, অসমৰ সভাপতি শ্ৰীকুলেন্দ্ৰ কুমাৰ ভাগৱতী দেৱে এই প্ৰবন্ধটো প্ৰস্তুত কৰিছে।)***

ভাতবৰ্ষৰ ৰাষ্ট্ৰ গীত 'বন্দে মাতৰম্‌' প্ৰখ্যাত কবি, উপন্যাসিক তথা সাংবাদিক বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়ে ৰচনা কৰিছিল। ১৮৭৫ চনত আৰু এই গীতটি প্ৰকাশিত হয় বংগ দৰ্শন নামৰ এখন মাহেকীয়া আলোচনীত। পিছলৈ ১৮৮২ চনত প্ৰকাশিত হোৱা তেখেতৰ অমৰ উপন্যাস 'আনন্দমঠ'ত এই গীতটিয়ে স্থান পায়। 'আনন্দমঠ' আছিল ১৭৭০ চনত বংগত ভীষণ দুৰ্ভিক্ষৰ সময়ত ইংৰাজৰ বিৰুদ্ধে হোৱা সন্ন্যাসীৰ বিদ্ৰোহৰ পটভূমিত লিখা উপন্যাস। বিদ্ৰোহী সন্ন্যাসীসকলে তেওঁলোকৰ সংগঠনটোৰ নাম দিছিল 'সন্তান দল'।

১৮৯৬ চনত কলিকতাত বহা কংগ্ৰেছ অধিৱেশনত প্ৰথমবাৰৰ বাবে ৰাজহুৱাভাৱে এই গীতটি গাইছিল কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে। ১৯০৫ চনত ভাইচৰয় লৰ্ড কাৰ্জনে বঙ্গ প্ৰদেশক বিভাজিত কৰি পূৰ্ব বংগ আৰু পশ্চিম বংগ হিচাপে ভাগ কৰাৰ বাবে 'বঙ্গ-ভঙ্গ' আইন আনে। সেই সময়ৰ ৰাজনৈতিক, বৌদ্ধিক, আৰ্থিক, শৈক্ষিক আদি সকলো দিশতে বঙ্গ দেশক দুৰ্বল কৰি ক্ৰমবৰ্দ্ধমান স্বাধীনতা আন্দোলনক বাধা দিয়াই এই আইনৰ উদ্দেশ্য আছিল।

ইংৰাজৰ এই কুটিল ষড়যন্ত্ৰ বিফল কৰিবলৈ সমগ্ৰ ৰাজ্যজুৰি 'বঙ্গ-ভঙ্গ' আন্দোলন আৰম্ভ হয়। ১৬ অক্টোবৰ, ১৯০৫ চনত, বঙ্গ-ভঙ্গ আইন কাৰ্যকৰী কৰাৰ দিনাই বৰিশাল নগৰত (বৰ্তমান বাংলাদেশৰ অন্তৰ্গত) ৫০ হাজাৰতকৈয়ো অধিক আন্দোলনকাৰী একত্ৰিত হয়। ৰবীন্দ্ৰ নাথৰ নেতৃত্বত সকলোৱে পৱিত্ৰ গংগা স্নান কৰে, পৰস্পৰৰ হাতত ৰাখী বান্ধে আৰু বঙ্গ-ভঙ্গ আইন বাতিল নোহোৱালৈকে আন্দোলন কৰাৰ শপত লয়। আন্দোলনকাৰী জনতাই 'বন্দে মাতৰম্‌' গীত গাই ৰাজপথত শোভাযাত্ৰা কৰে। ইংৰাজ সেনা বাহিনীয়ে তেওঁলোকৰ ওপৰত ভীষণ অত্যাচাৰ চলায়। কিন্তু আন্দোলনকাৰীসকলে 'বন্দে মাতৰম্‌' ধ্বনি দি সেই সকলো অত্যাচাৰ হাঁহি মুখে সহ্য কৰে।

ইং ১৯০৫ চনতেই প্ৰখ্যাত চিত্ৰকাৰ অৱনীন্দ্ৰ নাথ ঠাকুৰে গেৰুৱা বসনধাৰী চতুৰ্ভুজ বঙ্গ মাতাৰ চিত্ৰ অংকন কৰে যি পিছলৈ ভাৰত মাতালৈ ৰূপান্তৰিত হয়।

ইং ১৯০৬ চনত বিপিন চন্দ্ৰ পালৰ সম্পাদনাত কলিকতাৰ পৰা Bande Matarom নামৰ ইংৰাজী দৈনিক বাতৰি কাকত ওলায়। পিছলৈ ঋষি অৰবিন্দ ঘোষ ইয়াৰ সহকাৰী সম্পাদক হয় আৰু তেওঁৰ অগ্নি বৰ্ষা লিখনিতে যুৱকসকলক আন্দোলনলৈ প্ৰেৰিত কৰে।

ইং ১৯০৭ চনত প্ৰসিদ্ধ স্বাধীনতা সংগ্ৰামী মেডাম কামাই বাৰ্লিন চহৰৰ ষ্টুটগাৰ্ডত প্ৰথম বাৰৰ বাবে ভাৰতৰ জাতীয় পতাকা বিদেশৰ মাটিত উত্তোলন কৰে। সেই পতাকাতো 'বন্দে মাতৰম্‌' লিখা আছিল।

লালা লাজপৎ ৰায়, বাল গংগাধৰ তিলক আৰু বিপিন চন্দ্ৰ পাল — যাক একেলগে লাল-বাল-পাল বুলি কোৱা হয়, তেওঁলোকৰ নেতৃত্বত বঙ্গ-ভঙ্গ আন্দোলন সমগ্ৰ দেশলৈ বিয়পি পৰে। আন্দোলনকাৰীয়ে 'বন্দে মাতৰম্‌' ধ্বনি দি ইংৰাজৰ পুলিচ, মিলিটাৰীৰ সন্মুখীন হ'ল। ইংৰাজে 'বন্দে মাতৰম্‌' ধ্বনিক দেশদ্ৰোহ বুলি ঘোষণা কৰে। বহুতো আন্দোলনকাৰীয়ে সেই সময়ত 'বন্দে মাতৰম্‌' ধ্বনি দি হাঁহি মুখে ফাঁচি কাঠত ওলমিছিল। শেষত উপায়হীন হৈ ইংলণ্ডৰ সম্ৰাট ৫ ম জৰ্জ ভাৰতলৈ আহি ১৯১১

*(৩০ পৃষ্ঠাত চাওক)*

# উৎকৰ্ষ মহোৎসৱ - এক প্ৰয়াস

জগন্নাথ ৰাজবংশী
সাধাৰণ সম্পাদক, শিশু শিক্ষা সমিতি, অসম

বিদ্যাভাৰতীৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ দ্বাৰা পৰিচালিত উত্তৰ অসম প্ৰান্তৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনসমূহ ভাৰতীয় আদৰ্শ, মূল্যবোধ আৰু শিক্ষাদৰ্শনৰ আধাৰত পৰিচালিত এক সু-সংগঠিত শিক্ষা প্ৰতিষ্ঠান। সময়ৰ সৈতে খাপ খুৱাই এই নিকেতনসমূহৰ গুণগত উন্নয়ন, আধুনিকীকৰণ সক্ষমতাৰ বিকাশ আৰু শ্ৰেণী নিৰ্ধাৰণ এক অবিচ্ছেদ্য প্ৰক্ৰিয়া। সেয়েহে শিশু শিক্ষা সমিতি, অসমে পোন প্ৰথমবাৰৰ বাবে নিকেতন সমূহৰ সামগ্ৰিক প্ৰগতি, আত্মমূল্যায়ণ আৰু উৎসাহ বৃদ্ধিৰ উদ্দেশ্যে উৎকৰ্ষ মহোৎসৱ অভিধাৰে যোৱা ফেব্ৰুৱাৰী মাহৰ ৪, ৫ আৰু ৬, ২০২৬ তাৰিখে সকলো শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতনসমূহত এদিনীয়া নিকেতন পৰিদৰ্শন আৰু মান নিৰূপণ কাৰ্যসূচী গ্ৰহণ কৰিছে।

**এই কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে —**

- নিকেতন সমূহৰ শিক্ষণ-শিকণ প্ৰক্ৰিয়া, সংগঠন, পৰিৱেশ আৰু প্ৰশাসনিক দিশ পৰ্যবেক্ষণ কৰা।
- নিকেতনসমূহৰ শ্ৰেণীবিভাজন প্ৰক্ৰিয়াক বাস্তৱ আৰু গুণগত ৰূপ প্ৰদান কৰা।
- নিকেতন পৰিয়ালক আত্মবিশ্বাস বৃদ্ধিৰ বাবে উৎসাহ প্ৰদান কৰা।
- বিদ্যাভাৰতীৰ আদৰ্শ, ভাতৃত্ববোধ আৰু একাত্মতাৰ চেতনাক দৃঢ় কৰা।
- নিকেতন সমূহত উন্নয়ন, আধুনিকীকৰণ আৰু সক্ষমতা বিকাশৰ নতুন দিশ উন্মোচিত কৰা।

**উৎকৰ্ষ মহোৎসৱ** কাৰ্যসূচী সফলভাৱে বাস্তৱায়িত কৰাৰ প্ৰয়োজনীয় পৰিকল্পনা কৰি ৰূপায়ণ কৰাৰ বাবে শিশু শিক্ষা সমিতি, অসমে এগৰাকী সংযোজক আৰু প্ৰতিটো বিভাগৰ বিভাগ নিৰীক্ষকৰ তত্ত্বাৱধানত টোলী গঠন কৰি অগ্ৰসৰ হয়। বিভাগ নিৰীক্ষক সকলে তেখেতসকলৰ অধীনস্থ প্ৰতিখন নিকেতনত এই কাৰ্যসূচী ৰূপায়ণৰ বাবে পাঁচজনীয়া সদস্যৰে একোটাকৈ "মান নিৰূপণ দল" গঠন কৰে। এই মান নিৰূপণ দলত এগৰাকীকৈ স্থানীয় শিক্ষাবিদ, জ্যেষ্ঠ আচাৰ্য, পৰিচালনা সমিতিৰ পদাধিকাৰী, অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰক অন্তৰ্ভুক্ত কৰা হয়। এই সদস্যসকলক বিভাগ নিৰীক্ষকৰ তত্ত্বাৱধানত প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়।

এই কাৰ্যক্ৰমত সমগ্ৰ অসমৰ মুঠ ৫২৭ খন নিকেতনৰ ৫০৬ খনত মান নিৰূপণ কৰা হয়। মান নিৰূপণৰ বাবে গঠন কৰা মুঠ ২৫৩০ গৰাকী 'মান নিৰূপক' দলটোৱে উৎকৰ্ষ মহোৎসৱৰ কাৰ্যসূচী সফল কৰাত প্ৰত্যক্ষ সহযোগ আগবঢ়ায়। এই উৎকৰ্ষ মহোৎসৱত ১,৪৫,২৪৩ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু ৮,৫৫০ গৰাকী আচাৰ্য-আচাৰ্যাসহ মুঠ ১,৫৬,৩২৩ গৰাকী ব্যক্তি জড়িত হৈ শিশু শিক্ষা সমিতি, অসমৰ এই মহান প্ৰচেষ্টাক বাস্তবায়িত কৰি জন মানসত এক নতুন জাগৰণ সৃষ্টি কৰে।


উৎকৰ্ষ মহোৎসৱ শিশু শিক্ষা সমিতি, অসমৰ এক ঐকান্তিক প্ৰয়াস। এই কাৰ্যসূচী পৰিদৰ্শনমূলক যদিও পৰীক্ষামূলক নহয়। ই এক উৎসাহমূলক, দিক্-নিৰ্দেশক প্ৰক্ৰিয়া, যাৰ ফলত নিকেতন সমূহে নিজৰ শক্তিৰ পৰিচয় লাভ কৰাৰ লগতে উন্নয়নৰ ক্ষেত্ৰত আগবাঢ়িবলৈ সহায়ক হ'ব। উৎকৰ্ষ মহোৎসৱ হৈছে নিকেতন পৰিয়ালৰ সৈতে ভাতৃত্ববোধৰ বন্ধন গঢ়াৰ এক প্ৰয়াস। এই ব্যৱস্থাই নিকেতন, সমাজ আৰু সংগঠনৰ মাজত সম্পৰ্ক দৃঢ় কৰাৰ উপৰিও আচাৰ্য-আচাৰ্যা আৰু পৰিচালনা সমিতিৰ মাজত আত্মবিশ্বাস আৰু উদ্যম

বৃদ্ধি কৰিব। এই ব্যৱস্থাই নিকেতনসমূহক সবল (ক্ৰমশঃ)

ভাষা-সাহিত্য শিতান

# লিখা, পঢ়া আৰু কল্পনা

✍ বিজুমণি গোস্বামী
আচাৰ্য, শংকৰদেৱ শিশু নিকেতন, উত্তৰ লখিমপুৰ



(ছবিৰে গণনা পদ্ধতি)

কল্পনা হ'ল মানৱ মনৰ এনে এক সৃষ্টিশীল ক্ষমতা, যাৰ দ্বাৰা কোনো ব্যক্তিৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ অতীত বা বাস্তৱত নথকা কোনো দৃশ্য, ধাৰণা বা প্ৰতিচ্ছবি মানসিকভাৱে নিৰ্মাণ কৰিব পাৰি। ইয়াক "অপূৰ্ব বস্তু নিৰ্মাণক্ষম প্ৰতিভা" বুলিও ক'ব পাৰি, যিয়ে নতুন ধাৰণা গঢ়াত সহায় কৰে। কল্পনাৰ পৰিসৰ ব্যাপক, যি অতীতৰ অভিজ্ঞতাৰ পুনৰ নিৰ্মাণৰ পৰা আৰম্ভ কৰি ভৱিষ্যতৰ কাল্পনিক জগত নিৰ্মাণলৈকে বিস্তৃত।

আদিম স্তৰৰ পৰা বিৱৰ্তন হৈ মানুহে যেতিয়া সভ্যতাৰ জখলাত বগাবলৈ ধৰিলে, তেতিয়া হয়তো পৰিৱেশ সাপেক্ষে বিভিন্ন সময়ত মানুহৰ মনত নতুন চিন্তাৰ উদয় হ'ল। তাৰেই ফলশ্ৰুতিত তেওঁলোকে মনৰ ভাৱ প্ৰকাশৰ তাড়না অনুভৱ কৰিলে আৰু ছবি বা বিভিন্ন প্ৰতীকক তেওঁলোকে মাধ্যম হিচাপে গ্ৰহণ কৰিলে বুলি বিজ্ঞসকলে মত পোষণ কৰে, ইয়াক চিত্ৰলিপি (Pictograph) বোলা হয়। সময়ে বাগৰ সলোৱাৰ লগে লগে ছবি বা প্ৰতীকসমূহ পৰিৱৰ্তিত অৱস্থাৰ মাজেৰে গৈ ধাৰণা চিহ্ন (ideograph) আৰু শেষ ধ্বনিভিত্তিক বৰ্ণমালা (alphabets) ৰ ৰূপ লোৱা বুলি অনুমান কৰিব পাৰি।

ধ্বনিভিত্তিক বৰ্ণমালা উদ্ভাৱন হোৱাৰ পাছৰে পৰা লিখন কৌশলে মানুহৰ চিন্তা, আৱেগ, অনুভূতি আদি প্ৰকাশৰ ক্ষেত্ৰত নতুন মাত্ৰা প্ৰদান কৰিলে। দৃশ্যমান জগতেই হওক বা অদৃশ্যমান জগতেই হওক মানুহৰ চিন্তাধাৰাৰ উৎস হৈ পৰিল। বিভিন্ন ঘটনা-পৰিঘটনাসমূহে মনত ভাৱৰ জোৱাৰ তুলিলে আৰু তেওঁলোকে কাল্পনিক জগতত বিচৰণ কৰিবলৈ ধৰিলে আৰু পাঠকৰ মনতো ভাৱৰ হিল্লোল তুলিলে। ক্ৰমে লিখা, পঢ়া আৰু কল্পনাৰ অঙ্গাঙ্গী সম্পৰ্ক স্পষ্ট হ'ল।

লিখন কলাই ব্যক্তিৰ বৌদ্ধিক বিকাশ সাধন কৰে। চাক্ষুস অভিজ্ঞতা, ব্যক্তিগত জীৱনৰ আৱেগ-অনুভূতি, সুখ-দুখ আদি সকলো বিষয় কলমেৰে নিগৰাই বৌদ্ধিক জগতত বিয়পাই দিব পাৰে। এই লিখন কলাই অন্তৰ্জগতত কল্পনাৰে সাতোৰঙী ৰামধেনুৰ সৃষ্টি কৰিব পাৰে, যাৰ অনুপম সৌন্দৰ্যই পাঠকৰ মন জয় কৰিব পাৰে। লিখকৰ মনৰ ভাৱ-সাগৰত পাঠকেও সাঁতুৰি-নাদুৰি বিচিত্ৰ অভিজ্ঞতা লভিব পাৰে। তাৰ লগে লগে কল্পনাৰ ঐন্দ্ৰজালিক জগতখনত সপোন কোঁৱৰে মায়াৰ জগতত বিচৰণ কৰা বা কোনোবা পৰীয়ে যাদুকাঠীৰে চমৎকাৰিত্ব দেখুওৱাৰ দৰে লিখোঁতাই পাঠকৰ বাবে এনে জগত সৃষ্টি কৰিব পাৰে যে য'ত পাঠকেও সেই কল্পনাত নিজৰ তৰী মেলি উটি ভাঁহি ফুৰিব পাৰে।

লিখা-পঢ়া আৰু কল্পনা তিনিওকে আমাৰ বৌদ্ধিক বিকাশৰ তিনিটা মূল বিন্দু বুলিও আমি অভিহিত কৰিব

পাৰোঁ, য'ত পঢ়াই জ্ঞান বৃদ্ধি কৰিব পাৰে, কল্পনাই নতুন ধাৰণাৰ সৃষ্টি কৰে আৰু লিখনৰ জৰিয়তে তাক স্থায়ী ৰূপ দিয়া হয়। পঢ়া আৰু লিখাৰ নিয়মিত অনুশীলনৰ জৰিয়তে ব্যক্তিৰ সৃজনশীলতা আৰু কল্পনা শক্তি অধিক বিকশিত হ'ব পাৰে।

লিখা-পঢ়াই যিদৰে কিতাপৰ লগত পৰিচয় কৰাই দিয়ে আৰু কিতাপত সন্নিৱিষ্ট জ্ঞান ভাণ্ডাৰৰ ৰস আস্বাদন কৰাব পাৰে, তেনেদৰে কল্পনাই মানুহৰ মনত অজান আৰু আনন্দময়ী জগতৰ সপোন দেখাৰ ক্ষমতা প্ৰদান কৰিব পাৰে, যি বাস্তৱ জগতৰ সকলো সৌন্দৰ্য আৰু ৰহস্য নতুন দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব পাৰে; যাৰ বাবে চিত্ৰকৰে চকুৰ সন্মুখৰ চেপেটা বেৰখনতে গছ-গছনি, জীৱ-জন্তুৰ বিচিত্ৰ সমাৱেশেৰে জীৱন্ত ৰূপত দাঙি ধৰিব পাৰে, আনকি সাগৰ-মহাসাগৰৰ প্ৰকাণ্ড ঢৌ, নদ-নদীৰ কল্লোলিত গতিয়েও দৰ্শকক স্তম্ভিত কৰি তুলিব পাৰে। সদ্যস্নাতা গাভৰুগৰাকীৰ কেশটাৰিৰ পৰা পৰি থকা পানীয়ে দৰ্শকৰ মনত নানা ৰঙীন অনুভূতি জাগ্ৰত কৰিব পাৰে। আনহাতে সাহিত্যিকেও কল্পনাৰ জৰিয়তে চকুৰ আগত দেখি থকা বিচিত্ৰ পৃথিৱীৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কথাক লৈও অমৰ সাহিত্য সৃষ্টি কৰিব পাৰে, যিদৰে কালিদাসে মেঘক দূত কৰি প্ৰেমিক যক্ষই প্ৰেমিকালৈ বিৰহৰ বাতৰি দি সৃষ্টি কৰা "মেঘদূত" কাব্য সদায়ে অসাধাৰণ ৰূপত পাঠকৰ আগত ধৰা দিয়ে; তেনেদৰে আধুনিক অসমীয়া কাব্য জগতততো মাজ ৰাতি সাৰ পাই শুনা কেতেকী চৰাইৰ বিননিয়ে কবি দেৱকান্ত বৰুৱাৰ হৃদয়ত এনে কম্পন তুলিছিল যে তেওঁ সেই অজান-অবুজ পক্ষীটিৰ কণ্ঠতো মানুহৰ হিয়াৰ সম্বাদ শুনিবলৈ পাইছিল। গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাদেৱে নীল গগনত দেখা শুকুলা ডাৱৰক মূৰত পাগুৰি মাৰি অহা কোনোবা সপোন কোঁৱৰ ৰূপে কল্পনাৰে জীৱন্ত কৰি তুলিছে। কল্পনাই ব্যাপক পৰিসৰৰ জৰিয়তে সাহিত্য তথা শিল্প জগতত নিত্য নতুন চৰিত্ৰ, দৃশ্য ও পটভূমিৰ সৃষ্টি কৰাত সহায় কৰে।

ককা-আইতাৰ মুখত শুনা সাধুকথাৰ পৰী, ৰূপকোঁৱৰ, দেওলগা পৰ্বত-পাহাৰৰ কাহিনী, নিৰ্জীৱ বস্তুও জীৱন্ত হৈ উঠা, জীৱ-জন্তু অথবা গছ-গছনিয়ে কথা কোৱা, জোনাক নিশা ফটফটীয়া আকাশৰ হাতীপটীক লৈ কোৱা বিচিত্ৰ কাহিনী, জোনবাইক বেজী খুজি গীত গোৱা আদি কথাবোৰে শিশুসকলৰ মনতো কল্পনাৰ এক বৰ্ণিল জগত ৰচনা কৰিব পাৰে, যাৰ জৰিয়তে তেওঁলোকে চিন্তা আৰু কল্পনা দুয়োটাৰে বিস্তাৰ ঘটাব পাৰে। কল্পনাৰ জৰিয়তে তেওঁলোকৰ চিন্তাৰ উন্মেষ ঘটোৱাত গীত আৰু কাহিনী দুয়োটা সহচৰী হয়। সেয়ে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে 'বুঢ়ী আইৰ সাধু', "ককাদেউতা আৰু নাতিল'ৰা" আদি সাধুসমূহৰ জৰিয়তে শিশুক হাঁহিৰ খোৰাক যোগোৱাৰ লগতে চিন্তাৰ উন্মেষ ঘটোৱাৰ প্ৰয়াস কৰিছিল যাতে শিশুসকলে কল্পনাৰ জগতত বিচৰণ কৰাৰ সুবিধা পায়। উপন্যাস, গল্প, কবিতা, গীত অথবা চিত্ৰশিল্প যিয়েই নহওক সৃষ্টিশীল প্ৰতিভাৰে জকা তৈয়াৰ কৰি কল্পনাৰ ৰহণেৰে ৰক্ত-মাংসৰ লেপন দিয়াৰ লগতে বিচিত্ৰ ভাৱ-ৰঙৰ সমাৱেশেৰে পাঠকৰ মন-মগজুতো সৃষ্টিকৰ্তাৰ ভাৱৰ জোৱাৰ তুলিব পাৰে। কল্পনাৰে কৰ্ষণ কৰি যি কোনো বিষয়ৰ এটি সাধাৰণ বীজক চিন্তাৰে উৎকৰ্ষ ঘটাই লিখনৰ জৰিয়তে সাকাৰ ৰূপ দিব পাৰি।

দেখা যায় যে লিখা, পঢ়া আৰু কল্পনা এই তিনিওটাৰ সমন্বয়তহে গভীৰ সৃষ্টিশীল সাহিত্যৰ জন্ম হ'ব; ইটোক সিটোৰ পৰিপূৰক বুলি ক'ব পাৰি।

OOO

*(১১ পৃষ্ঠাৰ পৰা)*

মূল্যায়ন নকৰে, বৰঞ্চ এই ব্যৱস্থাই নিকেতনসমূহক উৎসাহ প্ৰদান কৰাৰ লগতে আগন্তুক পথৰ সন্ধান দিয়াৰ লগতে নিকেতনসমূহে নিজকে উন্নীতকৰণ কৰি এখন সক্ষম শিক্ষা প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হ'ব পাৰিব।

ক্ৰীড়া শিতান

# ছাত্ৰ-ছাত্ৰীৰ নেতৃত্ব গুণৰ বিকাশত খেলৰ ভূমিকা

✍ সংগ্ৰহ



শিক্ষা জীৱনত খেল-ধেমালিৰ গুৰুত্ব অপৰিসীম। খেল কেৱল শাৰীৰিক ব্যায়াম বা মনোৰঞ্জনৰ মাধ্যম নহয়, ই ব্যক্তিত্ব গঠন আৰু নেতৃত্ব গুণ বিকাশৰ এক শক্তিশালী উপায়। ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীণ বিকাশৰ ক্ষেত্ৰত খেলৰ ভূমিকা অতি উল্লেখযোগ্য।

খেলৰ জৰিয়তে শিক্ষাৰ্থীয়ে দলবদ্ধভাৱে কাম কৰাৰ শিক্ষা লাভ কৰে। এটা দলৰ সফলতা কেৱল এজন খেলুৱৈৰ ওপৰত নিৰ্ভৰ নকৰে; সকলো সদস্যৰ সমন্বিত প্ৰচেষ্টাই দলক সফলতাৰ শিখৰত উপনীত কৰে। এই প্ৰক্ৰিয়াত শিক্ষাৰ্থীয়ে সহযোগিতা, সমন্বয়, পাৰস্পৰিক সন্মান আৰু দায়িত্ববোধৰ দৰে নেতৃত্বৰ বাবে প্ৰয়োজনীয় গুণসমূহ আয়ত্ত কৰে।

খেলৰ সময়ত বহু ক্ষেত্ৰত তাৎক্ষণিক সিদ্ধান্ত ল'ব লাগে। এনে পৰিস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ সিদ্ধান্ত গ্ৰহণ ক্ষমতা, সমস্যা সমাধানৰ দক্ষতা আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। দলৰ অধিনায়ক হিচাপে কাম কৰাৰ সুযোগ পালে তেওঁলোকে দল পৰিচালনা, সদস্যসকলক উৎসাহিত কৰা আৰু প্ৰতিকূল পৰিস্থিতিতো ধৈৰ্য ধৰি আগবাঢ়ি যোৱাৰ শিক্ষা লাভ কৰে। এই গুণসমূহ ভৱিষ্যতে সমাজ আৰু কৰ্মক্ষেত্ৰত সফল নেতৃত্ব প্ৰদান কৰাত সহায়ক হয়।

ইয়াৰ উপৰিও খেল-ধেমালিয়ে নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা, সহনশীলতা আৰু আত্মনিয়ন্ত্ৰণৰ দৰে মূল্যবোধ গঢ়ি তোলে। জয়লাভত অহংকাৰ নকৰা আৰু খেলৰ সময়ত বহু ক্ষেত্ৰত তাৎক্ষণিক সিদ্ধান্ত লোৱা আদি পৰিস্থিতিয়ে ছাত্ৰ-ছাত্ৰীৰ সিদ্ধান্ত গ্ৰহণ ক্ষমতা, সমস্যা সমাধানৰ দক্ষতা আৰু আত্মবিশ্বাস বৃদ্ধি কৰে। দলৰ অধিনায়ক হিচাপে কাম কৰাৰ সুযোগ পালে তেওঁলোকে দল পৰিচালনা, সদস্যসকলক উৎসাহিত কৰা আৰু প্ৰতিকূল পৰিস্থিতিতো ধৈৰ্য ধৰি আগবাঢ়ি যোৱাৰ শিক্ষা লাভ কৰে। এই গুণসমূহ ভৱিষ্যতে সমাজ আৰু কৰ্মক্ষেত্ৰত সফল নেতৃত্ব প্ৰদান কৰাত সহায়ক হয়।

ইয়াৰ উপৰিও খেল-ধেমালিয়ে নিয়মানুবৰ্তিতা, সময়ানুবৰ্তিতা, সহনশীলতা আৰু আত্মনিয়ন্ত্ৰণৰ দৰে মূল্যবোধ গঢ়ি তোলে। জয়লাভত অহংকাৰ নকৰা আৰু

পৰাজয়ত হতাশ নোহোৱাকৈ পুনৰ চেষ্টা কৰাৰ মানসিকতা খেলৰ জৰিয়তে বিকশিত হয়। এনে মানসিক শক্তিয়েই এজন দক্ষ নেতাৰ অন্যতম বৈশিষ্ট্য।

সামৰণিত ক'ব পাৰি যে খেল-ধেমালি ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক বিকাশৰ লগতে নেতৃত্ব গুণ বিকাশৰ এক উৎকৃষ্ট মাধ্যম। সেয়েহে বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত খেল-ধেমালিৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰি শিক্ষাৰ্থীসকলক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা উচিত।

OOO

# ভাৰতীয় কাল গণনা

ভাৰতীয় কাল গণনাত সকলোতকৈ সৰু একককটো হৈছে ত্ৰুটি। ত্ৰুটি মানে হৈছে এক ছেকেণ্ডৰ ৩৩৭৫০ ভাগ।

| | | | |
|---|---|---|---|
| ২০০০ | ত্ৰুটি = | ১ বেদ্য = | ২০০০ ত্ৰুটি |
| ০৩ | বেদ্য = | ১ লৱ = | ৬০০০ ত্ৰুটি |
| ০৩ | লৱ = | ১ নিমীষ = | ১৮০০০ ত্ৰুটি |
| ০৩ | নিমীষ = | ১ ক্ষণ = | ৫৪০০০ ত্ৰুটি |
| ০৫ | ক্ষণ = | ১ কাষ্ঠা = | ২,৭০,০০০ ত্ৰুটি |
| ১৫ | কাষ্ঠা = | ১ লঘু = | ৪০,৫০,০০০ ত্ৰুটি |
| ১৫ | লঘু = | ১ নাড়িকা = | ৬,০৭,৫০,০০০ ত্ৰুটি |
| ০৬ | নাড়িকা = | ১ প্ৰহৰ = | ৩৬,৪৫,০০,০০০ ত্ৰুটি |
| ০৮ | প্ৰহৰ = | ১ অহোৰাত্ৰ = | (ৰাতি-দিন) |
| ১৫ | দিন = | ১ পক্ষ = | (শুক্ল পক্ষ বা কৃষ্ণ পক্ষ) |
| ০২ | পক্ষ = | ১ মাহ = | (শুক্ল পক্ষ + কৃষ্ণ পক্ষ) |
| ০২ | মাহ = | ১ ঋতু = | |
| ০৩ | ঋতু = | ১ অয়ন =(উত্তৰায়ণ বা দক্ষিণায়ণ) ০৬ মাহ | |
| ০২ | অয়ন = | ১ বছৰ = | (৩৬৫ দিন) |
| ০১ | প্ৰহৰ = | ০৩ ঘণ্টা = ১৮০ মিনিট = ১০,৮০০ ছেকেণ্ড | |

৩৩৭৫০ ত্ৰুটি = ০১ ছেকেণ্ড ৩৬,৪৫,০০,০০০ ÷ ৩৩৭৫০ = ১০৮০০ ছেকেণ্ড = ০১ প্ৰহৰ

যুগ - কলিযুগ - ৪,৩২,০০০ বছৰ

দ্বাপৰ যুগ - ৮,৬৪,০০০ বছৰ

ত্ৰেতা যুগ - ১২,৯৬,০০০ বছৰ

সত্যযুগ - ১৭,২৮,০০০ বছৰ

৭১ চতুৰ্যুগ - ০১ মন্বন্তৰ = ৪৩,২০,০০০×৭১=৩০,৬৭,২০,০০০ বছৰ = ০১ মন্বন্তৰ।

১৪ মন্বন্তৰ =০১ কল্প = ৩০,৬৭,২০,০০০×১৪=৪,২৯,৪০,৮০,০০০ বছৰ

ইয়াৰ মাজত ১৫ সন্ধিক্ষণ আছে।

১ সন্ধিক্ষণ = ১,৭২,৮০,০০০×১৫=২,৫৯,২০,০০০ বছৰ

*(৩০ পৃষ্ঠাত চাওক)*

**বিজ্ঞান শিতান**

# বিজ্ঞানৰ অৱদান আৰু দৈনন্দিন জীৱনত ইয়াৰ প্ৰয়োগ

✍ অজয় গগৈ
প্ৰধানাচাৰ্য, শংকৰদেৱ শিশু নিকেতন, চিলাপথাৰ
সংকুল প্ৰমুখ, চিলাপথাৰ সংকুল

বিজ্ঞান হৈছে জ্ঞান আৰু কৰ্মৰ এক মহাসাগৰ, য'ত মানুহে বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰু অধ্যয়নৰ জৰিয়তে ন-ন তথ্য আৱিষ্কাৰ কৰে। বিজ্ঞানৰ প্ৰয়োগে মানৱ জীৱনক সহজ কৰি তুলিছে। ব্যৱহাৰিক জীৱনত বিজ্ঞানৰ প্ৰয়োগ অত্যন্ত বহুল। ব্যৱহাৰিক জীৱনত ইয়াৰ প্ৰয়োগে মানৱ জীৱনক সহজ, সুবিধাজনক আৰু উন্নত কৰি তুলিছে।

চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত বিজ্ঞানৰ প্ৰয়োগে পূৰ্বতে দুৰাৰোগ্য বুলি ধাৰণা কৰা অনেক ৰোগৰো নিৰাময় কৰিছে। উদাহৰণস্বৰূপে, ৰোগ প্ৰতিষেধক, অত্যাধুনিক অস্ত্ৰোপচাৰ, আৰু বিভিন্ন ৰোগ নিৰ্ণয় কৰিবলৈ বিজ্ঞানৰ প্ৰয়োগ হৈছে। দুৰাৰোগ্য ৰোগসমূহ নিৰাময়ৰ বাবে বিজ্ঞানে নতুন-নতুন চিকিৎসা পদ্ধতি অৱলম্বন কৰিছে। আগৰ দিনৰ আনুমানিক চিকিৎসা-ব্যৱস্থাৰ পৰিৱৰ্তে বৰ্তমান অত্যাধুনিক সা-সৰঞ্জাম আৰু পৰীক্ষা-নিৰীক্ষাৰ বাবে আৱিষ্কৃত যন্ত্ৰপাতিয়ে চিকিৎসা-ব্যৱস্থা উন্নত কৰি তুলিছে। প্ৰাকৃতিক আৰু অস্বাস্থ্য-জনিত কাৰণত সৃষ্টি হোৱা ৰোগৰ প্ৰয়োভৰ হ্ৰাস পাইছে আৰু ইয়াৰ ফলস্বৰূপে মানুহৰ আয়ুস বিঘিনিশূণ্য হৈ বৃদ্ধি পাইছে। যোগাসনৰ সঠিক আৰু বিজ্ঞানভিত্তিক প্ৰয়োগৰ দ্বাৰা স্বাস্থ্যৰ উন্নয়ন সম্ভৱ হৈছে।

কৃষিক্ষেত্ৰতো বিজ্ঞানৰ প্ৰয়োগে জাগৰণ আনিছে। বৰ্তমান প্ৰতিকূল বতৰৰ পৰিৱেশতো ফল-ফুলৰ উৎপাদন অব্যাহত ৰাখিব পৰা ব্যৱস্থা আছে। আধুনিক কৃষি পদ্ধতি, সাৰ আৰু কীটনাশক দৰৱে উৎপাদন বৃদ্ধি কৰিছে। অনাহুত খৰাং বতৰ আৰু অতি বাৰিষাৰ বতৰতো শস্য উৎপাদন কৰিব পৰা কৃষি পদ্ধতি আবিষ্কাৰ হৈছে। বিজ্ঞানৰ জৰিয়তে ৰাসায়নিক কীটনাশকৰ নেতিবাচক দিশ সমূহ পৰিহাৰ কৰিব পাৰিলে, জৈৱিক কীটনাশকৰ প্ৰয়োগ বৃদ্ধিৰ জৰিয়তে কৃষি ব্যৱস্থাৰ আমূল পৰিৱৰ্তন সাধন কৰিব পৰা যাব। বৰ্ণশংকৰ উন্নত প্ৰজাতিৰ শস্যৰ বীজ আৱিষ্কাৰ হৈছে। কৃষি সজুঁলিসমূহৰ বৈজ্ঞানিকীকৰণৰ যোগেদি কৃষকৰ শ্ৰম হ্ৰাস হৈছে, লগতে উৎপাদন বৃদ্ধি পাইছে। সময়ৰ অপচয় ৰোধ হৈছে।

পৰিবহণ আৰু যোগাযোগৰ ক্ষেত্ৰতো বিজ্ঞানৰ প্ৰয়োগে বিপ্লৱ আনিছে। বিমান, ৰেল, গাড়ী আদি



দ্ৰুতগামী যানবাহন আৰু ইন্টাৰনেট, মোবাইল ফোন আদিয়ে

যোগাযোগ সহজ কৰি তুলিছে। দ্ৰুতবেগী ৰেল আৰু বিমান নিৰ্মাণৰ জৰিয়তে যাতায়তৰ ক্ষেত্ৰত পৃথিৱীখন নিচেই সৰু যেন হৈ পৰিছে। আধুনিক বিজ্ঞানৰ প্ৰযুক্তি ব্যৱহাৰ কৰি বৰ্তমান ৰাস্তা-পদূলি নিৰ্মাণৰ কামত ক্ষীপ্ৰতা আনিব পৰা হৈছে। দুৰ্গম স্থানৰ মাজেদিও বৰ্তমান অতি খৰতকীয়াকৈ আলিবাট নিৰ্মাণৰ কাম হাতত ল'ব পৰা হৈছে। সাগৰতলীৰেও পথ নিৰ্মাণৰ কাম চলিছে।

কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে যোগাযোগ ব্যৱস্থাৰ অভূতপূৰ্ব উন্নয়ন সাধন হৈছে। বেংক ব্যৱস্থাত উন্নত ইন্টাৰনেট ব্যৱস্থাৰ সংযোগ সাধন হোৱাত লেনদেন খৰতকীয়া হৈছে আৰু যাতায়াত ব্যয় দ্ৰুতগতিত হ্ৰাস পাইছে, লগতে যোগাযোগ ব্যৱস্থাও ক্ষীপ্ৰৰ পৰা ক্ষীপ্ৰতৰ হৈ পৰিছে।

সামৰিক ক্ষেত্ৰতো বৰ্তমান বিজ্ঞানৰ প্ৰয়োগ অত্যন্ত গুৰুত্বপূৰ্ণ। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ, প্ৰতিৰক্ষা প্ৰণালীৰ উন্নীতকৰণ আদিয়ে দেশৰ সুদৃঢ় নিৰাপত্তা নিশ্চিত কৰিছে। সামৰিক ক্ষেত্ৰখনো বিজ্ঞানৰ প্ৰয়োগে অধিক শক্তিশালী কৰি তুলিছে। বিজ্ঞানৰ সঠিক প্ৰয়োগৰ জৰিয়তে হোৱা অত্যাধুনিক ক্ষেপনাস্ত্ৰৰ আধুনিক সংস্কৰণ আৰু বিকাশৰ দ্বাৰা দেশৰ আন্তৰ্জাতিক সুদৃঢ় নিৰাপত্তা নিশ্চিত হৈছে।

মহাকাশ বিজ্ঞানৰ জৰিয়তেও মানুহৰ অনেক উপকাৰ সাধন হৈছে। মহাকাশত থকা উপগ্ৰহবোৰে বতৰৰ আগলি বতৰা দি মানুহক প্ৰাকৃতিক বিপৰ্যয়ৰ পৰা ৰক্ষা কৰাত সহায় কৰিছে। মহাকাশত থকা উপগ্ৰহবোৰে পথাচাৰীসকলক দিশ নিৰ্দেশনাৰে সুবিধা প্ৰদান কৰে। নেভিগেশ্চন ব্যৱস্থাৰ যোগেদি আকাশী বিমান, জাহাজ আদিয়ে সঠিক আৰু নিৰ্ভুল পথ চিনাক্ত কৰিব পাৰে। যাতায়াত ব্যৱস্থাৰ বাবে বৰ্তমান নেভিগেশ্চন ব্যৱস্থা অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। মহাকাশত থকা উপগ্ৰহবোৰে পৰিবেশ অধ্যয়ন কৰি মানুহক পৰিবেশ সংৰক্ষণত সহায় কৰিছে।

দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা সা-সামগ্ৰীসমূহ বিজ্ঞানৰ অত্যাধুনিক প্ৰযুক্তিবিদ্যাৰ যোগেদি সংশোধিত আৰু পৰিশোধিত কৰি নিৰ্মাণ কৰাৰ ব্যৱস্থা হোৱাৰ লগে-লগে সামগ্ৰী সমূহৰ গুণগত মান বৃদ্ধি হৈছে।

বিজ্ঞানৰ প্ৰয়োগে মানৱৰ দৈনন্দিন জীৱনৰ সকলো দিশতে প্ৰভাৱ পেলাইছে।

০০০

# শব্দ শৃংখলৰ উত্তৰ

| দীঘলকৈ | পথালিয়ে |
|---|---|
| ১। বেঘনী সেহা সুৰ | ১। বেদুইন |
| ২। টলমল | ৩। নীলকমল |
| ৪। মনোহৰ | ৫। নোমল |
| ৮। তুৰ্কী | ৬। হল |
| | ৭। সুচতুৰ |

**এই সংখ্যাৰ প্ৰশ্নৰ উত্তৰ সমূহ ঃ** ১। উঃ- - কাণত, হাড়ডালৰ নাম ষ্টেপ্‌ছ। ২। উঃ-- ৯৭ শতাংশ, ৩। উঃ- উইলী উইলীজ, ৪। উঃ-নতুন দিল্লীত।, ৫। উঃ- চাৰিজন, ৬। উঃ- ১৯৫২ চনত।

## বিদ্যাৰ্থীৰ শিতান

এই সংখ্যাৰ প্ৰশ্ন

**নিকেতনত শাৰীৰিক আৰু খেল-ধেমালিৰ প্ৰয়োজন আছেনে? তুমি এই বিষয়ে কি অনুভৱ কৰা?**

সম্পাদক
বিদ্যা ভাৰতী সংবাদ
E-Mail:shishushiksha samiti@gmail.com
WhatsApp No:8486597957

### প্ৰশ্ন মঞ্চ

১। মানুহৰ শৰীৰৰ কোনটো অংশত আটাইতকৈ সৰু হাড়ডাল পোৱা যায়?

২। জলমণ্ডলৰ শতকৰা কিমান ভাগত মহাসাগৰ আছে?

৩। অষ্ট্ৰেলিয়াত হোৱা ঘূৰ্ণী বতাহক কি বোলা হয়?

৪। ৰাষ্ট্ৰীয় ভৌতিক গৱেষণাগাৰ ক'ত অৱস্থিত?

৫। পোলো দল এটাত কিমানজন খেলুৱৈ থাকে?

৬। অসমত হকী সংস্থা কেতিয়া গঠন কৰা হৈছিল?

উত্তৰসমূহ এই সংখ্যাৰে কোনোবা পৃষ্ঠাত আছে, বিচাৰি লোৱা।

**প্ৰশ্ন ঃ** মোবাইল ফোনৰ প্ৰতি আসক্তি কমাবলৈ বিকল্প হিচাপে তুমি কিহৰ সহায় লবা আৰু কেনেকৈ?

**উত্তৰ ঃ** মোবাইল ফোনৰ প্ৰতি আসক্তি কমাবলৈ মই বিভিন্ন ধৰণৰ সৃজনশীল কাম কৰিবলৈ চেষ্টা কৰিম। এইবোৰ কামে মোক মোবাইল ফোনৰ পৰা দূৰত থাকিবলৈ যথেষ্ট সহায় কৰিব।

**উদাহৰস্বৰূপে ঃ** কিতাপ পঢ়া, খেল-ধেমালি কৰা আৰু মোৰ প্ৰতিভা বিকাশত সহায় কৰা নানা ধৰণৰ কামত নিজকে নিয়োজিত কৰিম। এইবোৰ কাৰ্যই মনক নতুন কামত ব্যস্ত ৰাখে আৰু মোবাইল ফোনৰ পৰা আঁতৰাই ৰাখে। মোবাইল ফোনৰ পৰা দূৰত থাকি কিতাপ পঢ়িলে নতুন জ্ঞান আহৰণ কৰিব পৰা যায়।

আনহাতে বিভিন্ন ধৰণৰ খেল-ধেমালিত অংশগ্ৰহণ কৰাৰ জৰিয়তে মই শাৰীৰিকভাৱে সক্ৰিয় থাকিব পাৰোঁ আৰু নতুন দক্ষতাও শিকিব পাৰোঁ। এই সকলোবোৰ কামত মনোনিৱেশ কৰিলে স্বাভাৱিকতে মোবাইল ফোন ব্যৱহাৰৰ ইচ্ছা কমি আহে।

জ্যোতিষ বৰপূজাৰী
অষ্টম শ্ৰেণী, চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু বিদ্যা নিকেতন
জাঁজী জামুগুৰি, শিৱসাগৰ

## জানানে?


### আচৰিত স্মৃতি

১৯৯৮ চনৰ ২৬ ছেপ্তেম্বৰত হায়দৰাবাদত অনুষ্ঠিত এক অনুষ্ঠানত নিশান্ত কাশী বাটলাই (২১) ১৭ মিনিট ১৬ ছেকেণ্ড ২৮ মিলি ছেকেণ্ডত ৪০০ টা অংকবিশিষ্ট এক দ্বৈত সংখ্যা মনত ৰাখিছিল। তেওঁ ৩ মিনিট ১৬ ছেকেণ্ড ৯০ মিলি ছেকেণ্ডত সেই সংখ্যাটো সঠিক অনুক্ৰমত পুনৰ স্মৰণ কৰিছিল। তদুপৰি ওলোটা অনুক্ৰমত সেই সংখ্যাটো কৈ দিবলৈ তেওঁৰ সময় লাগিছিল ৪ মিনিট ৭ ছেকেণ্ড ১৯ মিলিছেকেণ্ড। এক বিশাল দ্বৈত সংখ্যাক সঠিক আৰু ওলোটা অনুক্ৰমত মনত ৰাখিব পৰা তেওঁ প্ৰথম ব্যক্তি আছিল।


ছুপাৰ মেম'ৰি একটিভ বিকল ট্ৰেইনিং ইনষ্টিটিউটে আয়োজন কৰা আন এটা অনুষ্ঠানত হায়দৰাবাদৰ ৩৩ বছৰীয়া টি ভি এছ সুব্ৰমনিয়ামে ২৮ মিনিট ৪৪ ছেকেণ্ডত ৩৬০ টা দ্বৈত সংখ্যা মনত ৰাখিছিল। পাছত তেওঁ ৪ মিনিট ২৩ ছেকেণ্ডত সেইকেইটা নিৰ্ভুলভাৱে কৈ দিছিল।

# ছবি আকোঁ আহা

**তলৰ চিত্ৰখনৰ বিন্দু সমূহ ক্ৰম অনুসৰি পেঞ্চিলেৰে সংযোগ কৰা আৰু সুন্দৰকৈ ৰং কৰা ঃ**



## শব্দ-শৃংখল




**পথালিকৈ**

১। অঘৰী জাতি বিশেষ
৩। নীলা বৰণৰ পদুম ফুল
৫। নুমলীয়া
৬। নাঙল
৭। অতি টেঙৰ

**দীঘলকৈ**

১। ৰামধেনুৰ সাতো ৰং
২। উপচি পৰা
৪। মন হৰণ কৰা
৮। তুৰস্ক দেশৰ



## আমাৰ গৌৰৱ

শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত শংকৰদেৱ বিদ্যা নিকেতন, হেঙেৰাবাৰীৰ প্ৰাক্তন ছাত্ৰ লোকসংগীতৰ গৱেষক ছাত্ৰ হীৰকজ্যোতি শৰ্মালৈ লোকসংগীতৰ (টোকাৰী গীতৰ) বাবে ২০২৪-২৫ বৰ্ষৰ সংগীত নাটক একাডেমী বঁটাৰ সন্মানীয় 'ওস্তাদ বিছমিল্লাহ খান যুৱ' পুৰস্কাৰ প্ৰদান কৰা হয়। বৰ্তমান তেওঁ লোকসংগীতৰ ওপৰত গৱেষণা কৰি আছে।



শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত শংকৰদেৱ বিদ্যা নিকেতন, বিষুঃপথৰ সপ্তম শ্ৰেণীৰ ছাত্ৰী শ্ৰী অংকিতা দাস এগৰাকী অনন্য অভিলেখ গঢ়া সাহসী সাঁতোৰবিদ।যোৱা ৮ ফেব্ৰুৱাৰী ২০২৬ মুম্বাই 'ৰেঙাচজেটি'ৰ পৰা 'গেটওৱে অফ ইণ্ডিয়া' লৈ ১৭ কি:মি: একাগ্ৰতাৰে সাঁতুৰি ৫ ঘণ্টা ৪৪ মি:ত অতিক্ৰম কৰি সাঁতোৰৰ প্ৰথমটো অভিলেখ গঢ়ে লগতে শ্ৰী লংকা (তালাইমান্নাৰ)ৰ পৰা ভাৰতৰ ধনুষ্কডিলৈ ২৯ কি:মি: দুটিয়াভাৱে (১২ ঘণ্টা ৫৪ মি:) ত সাঁতুৰি দ্বিতীয়টো অভিলেখ গঢ়ে। অনাগত দিনলৈ তোমাৰ এই চেষ্টা অব্যাহত থাকক আৰু অনাগত দিনত তোমাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

# স্কটলেণ্ডৰ সেই সৌভাগ্যৱান কৃষকজন

মৃণাল হাজৰিকা, একাদশ শ্ৰেণী
শংকৰদেৱ শিশু নিকেতন, ৰতনপুৰ মিৰি নয়াবজাৰ, মাজুলী

১৯১২ চনৰ ১০ এপ্ৰিলৰ কথা। টাইটানিকে যাত্ৰা কৰিছিল ইংলেণ্ডৰ পৰা নিউয়ৰ্ক অভিমুখে। চৌদিশে কেৱল আনন্দ, সকলোৰে এটা সপোন আছিল এবাৰ টাইটানিকত উঠাৰ। সেই সময়ত স্কটলেণ্ডত এজন কৃষক আছিল তেওঁৰ পাঁচজন ল'ৰা- ছোৱালী। কৃষকজনৰো সপোন আছিল যে তেওঁ টাইটানিকত পৰিয়ালৰ সৈতে ফুৰিবলৈ যাব। সেই উদ্দেশ্যি তেওঁ সাতটা টিকট কাটিলে (Non refundable)। টাইটানিকত যাত্ৰা কৰিবৰ বাবে তেওঁৰ পৰিয়ালটো উদ্‌গ্ৰীৱ হৈ আছিল।

এনেতে এটা নঘটিবলগীয়া ঘটনা ঘটিল। যাত্ৰাৰ কেইদিনমান পূৰ্বে তেওঁৰ সৰু ল'ৰাটোক কুকুৰে কামুৰিলে। সেই সময়ত ৰেবিছৰ আতংকই সমগ্ৰ বিশ্বক গ্ৰাস কৰি আছিল। তেতিয়া স্কটলেণ্ডত এটা নিয়ম আছিল যে কুকুৰে কামুৰিলে কোৱাৰেন্টাইন হৈ থাকিব লাগে। ডাক্তৰে সেই কৃষকজনৰ পৰিয়ালটোক ক'লে যে তেওঁলোক ১৫ দিন কোৱাৰেন্টাইন হৈ থাকিব লাগিব। সেই দুৰ্ভগীয়া কৃষক জনেই আছিল উইলিয়াম ক্লাৰ্ক। ইফালে কেই মুহূৰ্তমান পিছতেই টাইটানিকে যাত্ৰা আৰম্ভ কৰিব। ভাবি চাওক! ক্লাৰ্কৰ পৰিয়ালটোৰ কিমান এটা ডাঙৰ সপোন ভাঙিলে। গোটেই জীৱনটোত উপাৰ্জনৰ প্ৰায় সকলো টকা দি টাইটানিকৰ টিকট সাতটা ক্ৰয় কৰিছিল। ভাবিছিল নিউয়ৰ্কত গৈ তাৰ বাসিন্দা হ'ব।

যেতিয়া ১০ এপ্ৰিলৰ দিনাখন টাইটানিকে নিউয়ৰ্ক অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল সেই সময়ত উইলিয়াম ক্লাৰ্কে সাগৰৰ পাৰত বৈ কান্দিছিল আৰু কান্দি কান্দি কৈছিল 'জীৱনত ইমান আশা কৰিছিলো, উপাৰ্জন শেষ কৰি পেলালো, কিন্তু মোৰ টাইটানিকত উঠাৰ সপোন সপোন হৈয়ে ৰ'ল।' তেওঁ ঘৰলৈ উভতি আহি ল'ৰাটোক গালি পাৰিছিল, কুকুৰটোক মাৰিবলৈ খেদি ফুৰিছিল আৰু কৈছিল 'জীৱনত ইয়াতকৈ হয়তো বেয়া দিন কাৰো নাহে। মোৰ সমস্ত উপাৰ্জন পানীত পৰিল এই কুকুৰটোৰ বাবে, মোৰ সৰু ল'ৰাটোৰ বাবে আৰু মোৰ সকলো সপোন ভাগি নস্যাৎ হ'ল" তাৰ ঠিক পাঁচ দিন পাছতে অৰ্থাৎ ১৫ এপ্ৰিলৰ দিনাখন ক্লাৰ্কে খবৰ পাইছে Unsinkable টাইটানিকে আইচ বাৰ্গত গৈ খুন্দা মাৰিছে আৰু জাহাজত থকা হাজাৰৰো অধিক লোকৰ মৃত্যু হৈছে। ডুবি গ'ল টাইটানিকৰ দম্ভ আৰু অহংকাৰ। লগে লগে ক্লাৰ্ক ঘৰলৈ দৌৰি আহি সৰু ল'ৰাটোক সাৱটি ধৰি কৈছিল—' ক্ষমা কৰি দিবা, মই তোমাৰ বিষয়ে বৰ বেয়াকৈ ভাবিছিলো।' তেওঁ কুকুৰটোক বিচাৰি মৰম কৰিলে আৰু ক'লে- 'তুমি মোৰ ল'ৰাটোক নাকামোৰা হ'লে আজি মোৰ পৰিয়ালটো উত্তৰ আট্‌লান্টিক মহাসাগৰৰ বুকুৰ বৰফত মৃতদেহ হৈ উপঙি থাকিলহেতেন।'

জীৱনত যি হয় ভালৰ বাবেই হয়। There must be a reason behind it. যেতিয়া এখন ৰেলগাড়ী সুৰংগৰ মাজেৰে গতি কৰিবলৈ আৰম্ভ কৰে, তেতিয়া চাৰিওফালে আন্ধাৰ হৈ যায়। কিন্তু আন্ধাৰ হ'লে আমি কেতিয়াও ৰেলৰ টিকট দলিয়াই তাৰ পৰা জপিয়াই নিদিওঁ। কিয়নো আমি জানো যে সুৰংগৰ শেষত ক'ৰবাত পোহৰে আমাৰ বাবে অপেক্ষা কৰি আছে। সেই আন্ধাৰ আৰু বেছি সময় নিটিকে। Same happens in our life আমাৰ জীৱনলৈয়ো বেয়া দিন আহে কিন্তু সেই বেয়া দিন বেচি সময় নিটিকে। যেতিয়া আমাৰ জীৱনলৈ কিবা দুখ-কষ্ট আহে তেতিয়া আমি তাক লৈ মন বেয়া কৰাৰ কোনো প্ৰয়োজন নাই, বৰং আমি নৱ প্ৰভাতৰ অপেক্ষাত থাকিব লাগে।

০০০

# চিত্ৰৰে কাহিনী


ৰাম আৰু শ্যামে নিজৰ নিজৰ ঘৰত টাবত কিছু গছ ৰোপন কৰিলে।
ৰাম ঃ চাবা এইবাৰ বিশ্ব পৰিৱেশ দিৱসত ময়েই প্ৰথম পুৰস্কাৰটো পাম।
শ্যাম ঃ নহয়, মইহে পাম।
মই যদি পালো হয় প্ৰথম পুৰস্কাৰটো।
দ্বিতীয় দিনা
আজি শ্যামক দেখা নাইচোন...
সি গাঁৱলৈ গ'ল নেকি....
তেতিয়াই
যাহ ! এই গৰুটো শ্যামৰ বাগিছাত সোমাল। তাৰ গছবোৰ গৰুৱে খাই পেলাব এতিয়া।
ৰামে দৌৰি গৈ গৰুটো খেদি পঠিয়ালে।
অহ! আজিচোন গছবোৰত পানীও দিয়া হোৱা নাই।
ৰামে গছবোৰত পানী দিবলৈ ধৰিলে। তেতিয়াই...
ৰাম তুমি মোৰ গছবোৰক বচালা....
শ্যাম মই ভাবিছিলো...
গছ যিজনেই ৰোপন নকৰক কিয়? গছে সকলোৰে উপকাৰ কৰে।
ৰাতি আমি মামাহঁতৰ ঘৰৰ পৰা উভতি আহিব-নোৱাৰিলোঁ। ধন্যবাদ ৰাম।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী শিতান

# শংকৰদেৱ শিশু নিকেতনৰ প্ৰগতিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ভূমিকা

**নিপু বৰুৱা**
প্ৰাক্তন ছাত্ৰ, শংকৰদেৱ শিশু নিকেতন, ঢকুৱাখনা

বিদেশী ভাষাৰ প্ৰৱল ঢৌৰ মাজতো অসমৰ শিক্ষা জগতত মাতৃভাষাত শিক্ষা আগবঢ়াই সমাজ গঢ়াত আগভাগ লৈ অহা শংকৰদেৱ শিশু নিকেতনৰ নাম শিক্ষা জগতত সোণালী আখৰেৰে লিখা আছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামেৰে নামকৰণ কৰা এই শিক্ষানুষ্ঠান সমূহ কেৱল পাঠ্যক্ৰমিক শিক্ষাতেই সীমাবদ্ধ নহয় বৰঞ্চ ই এটি সামগ্ৰিক চৰিত্ৰ গঠনৰ প্ৰতিষ্ঠান। অসমীয়া সংস্কৃতি, নৈতিকতা, শিষ্টাচাৰ আৰু দেশপ্ৰেমৰ শিক্ষা দিয়াটোৱেই এই বিদ্যালয়ৰ মূল লক্ষ্য। এই শিক্ষা মন্দিৰসমূহৰ প্ৰগতি আৰু উন্নয়নত বিভিন্ন অংশীদাৰৰ অৱদান অপৰিহাৰ্য তাৰ মাজত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ ভূমিকাও বিশেষভাৱে উল্লেখযোগ্য।

প্ৰাক্তন ছাত্ৰ-ছাত্ৰী বা শিশু নিকেতনৰ ক্ষেত্ৰত "বিভায়ন" হৈছে যিকোনো শিক্ষানুষ্ঠানৰ সজীৱ ইতিহাস। তেওঁলোকে নিকেতনৰ পৰা শিক্ষা গ্ৰহণ কৰি জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হয় আৰু পৰৱৰ্তী প্ৰজন্মৰ বাবে পথ প্ৰদৰ্শক হিচাপে কাম কৰে। শংকৰদেৱ শিশু নিকেতনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ৰ সৈতে তেওঁলোকৰ আত্মিক সম্পৰ্ক বজাই ৰাখি বিদ্যালয়ৰ সামগ্ৰিক উন্নয়নত অৱদান আগবঢ়াই অহাৰ দৃষ্টান্তসমূহ অত্যন্ত অনুপ্ৰেৰণামূলক।

**শংকৰদেৱ শিশু নিকেতনৰ শিক্ষা দৰ্শন ঃ** শংকৰদেৱ শিশু নিকেতন সমূহে প্ৰতিষ্ঠাৰ পিছৰে পৰাই শিক্ষাৰ এটি সুকীয়া দৰ্শন অনুসৰণ কৰি আহিছে। এই বিদ্যালয়ত পাঠ্যক্ৰমিক শিক্ষাৰ লগতে ৰাষ্ট্ৰীয় মূল্যবোধ, অসমীয়া জাতীয়তাবাদ আৰু সামাজিক দায়বদ্ধতাৰ শিক্ষা প্ৰদান কৰা হয়। এই শিক্ষা দৰ্শনৰ প্ৰভাৱতেই প্ৰাক্তন ছাত্ৰ - ছাত্ৰীসকলৰ মনত বিদ্যালয়ৰ প্ৰতি এক গভীৰ কৃতজ্ঞতাবোধ আৰু দায়িত্ববোধৰ জন্ম হয়।

**আৰ্থিক সহযোগিতা আৰু পৰিকাঠামো উন্নয়ন ঃ** শংকৰদেৱ শিশু নিকেতনৰ প্ৰগতিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সবাতোকৈ দৃশ্যমান অৱদান হৈছে আৰ্থিক সহযোগিতা। সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত প্ৰাক্তনসকলে বিদ্যালয়ৰ নিৰ্মাণকাৰ্য, পুথিভঁৰাল স্থাপন কম্পিউটাৰ লেব নিৰ্মাণ, খেলপথাৰ উন্নয়ন আদি পৰিকাঠামো উন্নয়নৰ বাবে আৰ্থিক সহায় আগবঢ়াই আহিছে। শংকৰদেৱ শিশু নিকেতনৰ কিছু শাখাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে একত্ৰিত হৈ এনে পুঁজি গঠন কৰিছে যাৰ পৰা মেধাৱী কিন্তু আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক বৃত্তি প্ৰদান কৰা হয় বা অত্যন্ত পিছপৰা ঠাইত শিক্ষাৰ প্ৰচাৰ বা প্ৰসাৰ কৰা হয়।

**শিক্ষামূলক অৱদান আৰু জ্ঞানৰ বিনিময় ঃ** প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক অৱদানৰ বাহিৰেও জ্ঞান আৰু অভিজ্ঞতাৰ বিনিময় প্ৰক্ৰিয়া অতি গুৰুত্বপূৰ্ণ। বিভিন্ন ক্ষেত্ৰত সুপ্ৰতিষ্ঠিত প্ৰাক্তনসকলে বিদ্যালয়লৈ আহি বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকলৰ সৈতে তেওঁলোকৰ অভিজ্ঞতা ভাগ-বতৰা কৰে। কৰ্মশালা আৰু মেন্টৰশ্বিপ কাৰ্যক্ৰমসমূহৰ জৰিয়তে প্ৰাক্তনসকলে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীক বাস্তৱ জীৱন গঢ়াত সহায় কৰে। পাঠ্যপুথিৰ পৰিসীমাৰ বাহিৰৰ জ্ঞান, বৃত্তিমূলক দক্ষতা যোগাযোগ কৌশল আৰু ব্যক্তিত্ব বিকাশৰ বিষয়ে তেওঁলোকৰ পথ প্ৰদৰ্শনে ছাত্ৰ-ছাত্ৰীসকলক সামগ্ৰিক ভাৱে পৰিপক্ক কৰি তোলে।

**সাংস্কৃতিক উত্তৰাধিকাৰ ৰক্ষা আৰু পৰিচয়ৰ বিস্তাৰঃ** শংকৰদেৱ শিশু নিকেতনৰ এটি বিশেষ পৰিচয় হৈছে ইয়াৰ সাংস্কৃতিক ঐতিহ্য। অসমীয়া সাহিত্য, ভাৰতীয় ইতিহাস বিজৰিত গীতা শ্লোক, অমৃত বাণী, সংগীত, নৃত্য, নাট্যকলা আৰু অসমৰ জনগোষ্ঠীয় সংস্কৃতিৰ চৰ্চাই এই বিদ্যালয়সমূহত অত্যন্ত গুৰুত্বপূৰ্ণ স্থান লাভ কৰে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে এই সাংস্কৃতিক উত্তৰাধিকাৰৰ বাহক হিচাপে বিদ্যালয়ৰ বিভিন্ন সাংস্কৃতিক কাৰ্যক্ৰমত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

**সামাজিক দায়বদ্ধতা ঃ** শংকৰদেৱ শিশু নিকেতনৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনত সমাজৰ প্ৰতি দায়িত্ববোধ জাগ্ৰত কৰে। এই দায়িত্ববোধৰ প্ৰকাশ ঘটে যেতিয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সমাজৰ পিছপৰা শ্ৰেণীৰ শিশুৰ শিক্ষাৰ বাবে বিভিন্ন উদ্যোগ লয়। আপদ বা প্ৰাকৃতিক দুৰ্যোগত প্ৰাক্তনসকলে বিদ্যালয়ৰ সহায়ত আগবাঢ়ি আহে। ২০২২ চনৰ বানপানীত অসমৰ বহু শংকৰদেৱ শিশু নিকেতনৰ প্ৰাক্তনে ক্ষতিগ্ৰস্ত পৰিয়ালৰ ল'ৰা-ছোৱালীক শিক্ষা সামগ্ৰী আৰু সহায় প্ৰদানত উল্লেখযোগ্য অৰিহণা যোগাইছিল আৰু এইসমূহ বা-বাতৰি অসমৰ বিভিন্ন সংবাদ মাধ্যমত দেখিবলৈ পোৱা যায়।

**প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু কেৰিয়াৰ সংযোগ ঃ** প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নেটৱৰ্ক বিদ্যালয়ৰ বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে কেৰিয়াৰ গঠনৰ ক্ষেত্ৰত এক অমূল্য সম্পদ। বিভিন্ন কোম্পানী, চৰকাৰী সংস্থা বা অন্যান্য প্ৰতিষ্ঠানত কৰ্মৰত প্ৰাক্তনসকলে সদ্য উত্তীৰ্ণ সকলক ইন্টাৰ্ণশ্বিপ বা চাকৰিৰ সুযোগ প্ৰদানত সহায় কৰে। এই অনানুষ্ঠানিক নিয়োগ নেটৱৰ্কে বহু ক্ষেত্ৰত নিৰ্দিষ্ট নিয়োগ প্ৰক্ৰিয়াতকৈও বেছি কাৰ্যকৰী বুলি প্ৰমাণিত হয়।

**প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থাৰ গঠন আৰু কাৰ্যপ্ৰণালী ঃ** শংকৰদেৱ শিশু নিকেতনৰ বিভিন্ন শাখাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থা গঠন হৈছে। এই সংস্থাসমূহে বছৰেকত এবাৰ বা দুবাৰ প্ৰাক্তন ছাত্ৰ সন্মিলনৰ আয়োজন কৰে। সন্মিলনত বিদ্যালয়ৰ উন্নয়নৰ বাবে নিৰ্দিষ্ট পৰিকল্পনা গ্ৰহণ কৰা হয়।

**প্ৰত্যাহ্বান আৰু সম্ভাৱনা ঃ** প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অৱদান যিমান গুৰুত্বপূৰ্ণ সিমানেই এই সম্পৰ্কক গঢ়ি তুলিবলৈ কিছু প্ৰত্যাহ্বানো আছে। ব্যস্ত কৰ্মজীৱন, ভৌগোলিক দূৰত্ব বা যোগাযোগৰ অভাৱে অনেক প্ৰাক্তনক বিদ্যালয়ৰ কাৰ্যকলাপ সমূহৰ পৰা আঁতৰাই ৰাখে। ইয়াৰ সমাধানৰ বাবে বিদ্যালয় প্ৰশাসনে প্ৰাক্তনৰ সৈতে নিয়মীয়া যোগাযোগ ৰক্ষা কৰাটো জৰুৰী।

আনহাতে প্ৰাক্তনৰ অৱদানক সুচিন্তিতভাৱে ব্যৱহাৰ কৰিবৰ বাবে বিদ্যালয় প্ৰশাসনৰো এটা সুস্পষ্ট পৰিকাঠামো থাকিব লাগে।

**উপসংহাৰ ঃ** শংকৰদেৱ শিশু নিকেতনৰ প্ৰতিটো শাখাৰ পিছত থকা হাজাৰ হাজাৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী হৈছে এই প্ৰতিষ্ঠানৰ জীৱন্ত প্ৰতিভূ। তেওঁলোকৰ সাফল্য, তেওঁলোকৰ চৰিত্ৰ আৰু তেওঁলোকৰ সামাজিক অৱদানেই বিদ্যালয়খনৰ শিক্ষা-দৰ্শনৰ প্ৰকৃত প্ৰতিফলন। বিদ্যালয়ে তেওঁলোকক মানুহ কৰিছে আৰু তেওঁলোকে আকৌ বিদ্যালয়খনক জীয়াই ৰাখিছে - এই পাৰস্পৰিক নিৰ্ভৰশীলতাৰ মাজতেই নিহিত আছে শংকৰদেৱ শিশু নিকেতনৰ প্ৰগতিৰ ৰহস্য।

এই অভাজনে অধ্যয়ন কৰি অহা বিদ্যালয় শংকৰদেৱ শিশু নিকেতন, ঢকুৱাখনাৰ সন্মুখত লিখা এষাৰ আপ্তবাক্য 'জ্ঞানাৰ্থে প্ৰৱেশ সেৱাৰ্থে প্ৰস্থান' এতিয়াও মোৰ মানসপটত খুন্দিয়াই আৰু সমাজৰ লগতে শিক্ষা জগতত নতুনকৈ কিবা কৰাৰ অনুপ্ৰেৰণা পাওঁ। গীতাৰ এফাঁকি শ্লোক -

কৰ্মণ্যেৱাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্মফলহেতুৰ্ভূমী তে সঙ্গোঽস্ত্বকৰ্মণি॥

এই শ্লোকৰ জৰিয়তে সকলো প্ৰাক্তনৰ কৰ্মক্ষেত্ৰত সাফল্যতা আৰু সু-স্বাস্থ্যৰ কামনা কৰিছো। যাতে সকলো সফল হৈ সমাজ আৰু নিকেতন খন জাকত জিলিকা কৰি তুলিব পাৰো।

*তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় তেজপুৰ।*

সংস্কৃতি শিতান

# অসমীয়া সমাজ জীৱনত লোকসংস্কৃতিৰ প্ৰভাৱ

স্বপ্নালী দত্ত
আচাৰ্যা, শংকৰদেৱ বিদ্যা নিকেতন, ধেমাজি

অসমীয়া সমাজ জীৱনত লোক সংস্কৃতিৰ প্ৰভাৱ অতি গভীৰ আৰু সুদূৰপ্ৰসাৰী। যুগে যুগে এই লোক সংস্কৃতিয়েই অসমীয়া সমাজক ঐক্যবদ্ধ কৰি ৰাখিছে আৰু স্বকীয় পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সহায় কৰিছে। লোকসংস্কৃতি লোকজীৱনৰ ভেঁটিত গঢ় লৈ উঠে। সেয়ে লোকসংস্কৃতি কেৱল গীত-নৃত্য বা উৎসৱ পাৰ্বণতেই সীমাবদ্ধ নহয়; বৰঞ্চ ই সমাজৰ চিন্তা-চৰ্চা, আচাৰ-ব্যৱহাৰ, নৈতিক মূল্যবোধ আৰু দৈনন্দিন জীৱন-ধাৰাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। অসমৰ লোকসংস্কৃতিৰ যোগেদিয়েই অসমীয়া জাতিৰ পূৰ্ণ ছবি জগতত প্ৰকাশ পাইছে। অসমীয়া সংস্কৃতি অসমৰ ৰাইজৰ উমৈহতীয়া সম্পত্তি। অসম ভাৰতৰ অঙ্গৰাজ্য হ'লেও অসমীয়া সংস্কৃতিৰ কিছুমান বৈশিষ্ট্য আছে যিবোৰ ভাৰতৰ কোনো ৰাজ্যৰ লগতেই নিমিলে।

অসমৰ সমাজ জীৱন মূলতঃ কৃষিভিত্তিক। এই কৃষিভিত্তিক জীৱন-ধাৰাৰ লগত জড়িত বিভিন্ন উৎসৱ, পৰম্পৰা আৰু আচাৰ-অনুষ্ঠানেই লোকসংস্কৃতিক সমৃদ্ধ কৰিছে। অসমৰ মানুহে বছৰৰ বিভিন্ন সময়ত পালন কৰা উৎসৱ সমূহত আনন্দ, মিলন আৰু পাৰস্পৰিক সহানুভূতি প্ৰকাশ পায়। এই উৎসৱসমূহৰ জৰিয়তে সমাজত সম্প্ৰীতি, ভাতৃত্ববোধ আৰু সহযোগিতাৰ মনোভাৱ গঢ় লৈ উঠে। গাঁৱৰ-ঘৰৰ মানুহে একেলগে নাচ-গান কৰা, খাদ্য ভাগ-বতৰা কৰা আৰু সামাজিক অনুষ্ঠানত অংশগ্ৰহণ কৰাটো সমাজ জীৱনৰ এক গুৰুত্বপূৰ্ণ অঙ্গ।

অসমৰ বিহু উৎসৱসমূহ লোকসংস্কৃতিৰ এক উজ্জ্বল নিদৰ্শন। বিশেষকৈ বহাগ বিহু হৈছে বসন্ত উৎসৱ। বসন্ত উৎসৱ মূলতঃ কৃষি ভিত্তিক। কৃষি উৎসৱ ঘাইকৈ তিনিটা।

খেতিৰ আৰম্ভণিৰ বেলিকা, খেতিৰ বাঢ়নী বতৰত আৰু খেতি চপোৱাৰ শেষত পালন কৰা হয়। তদুপৰি খেতিৰ শস্য পোনতে কাটিবৰ দিনা আৰু পথাৰত সঁচ সিঁচিবৰ বা ৰুৱৰ দিনাও উৎসৱ পালন কৰে। খেতিৰ সামৰণিৰ উৎসৱ সমূহীয়াকৈ পাতে বা জাতীয় উৎসৱত পৰিণত হয়। অসমীয়াৰ বহাগ বিহু খেতি আৰম্ভণিৰ, মাঘ বিহু সামৰণিৰ উৎসৱ, আনন্দৰ উৎসৱ। বহাগত পোৱাৰ প্ৰয়াস, আশাৰ আনন্দ, মাঘত পোৱাৰ লগতে পাই



সামৰাৰ আনন্দই কৃষিজীৱি অসমীয়াৰ অন্তৰ স্পৰ্শ কৰি, অনুপ্ৰেৰণাৰ জোৱাৰ আনে। বিহু উৎসৱে মূলতঃ সামাজিক ঐক্য আৰু ভাতৃত্ববোধ বৃদ্ধি কৰে। লগতে সহযোগিতা আৰু মিলনৰ মনোভাৱো গঢ়ি তোলে।

লোকসংস্কৃতিৰ আন এক অৱদান হৈছে অসমীয়া লোক-সাহিত্যবোৰ। এই লোকসাহিত্যসমূহে অসমীয়া সমাজ জীৱনত নৈতিক-শিক্ষা প্ৰদান কৰে। অসমীয়া সমাজ জীৱনত ডাঙৰীয়া সেৱা, বুঢ়া ডাঙৰীয়া সেৱা, সুবচনী সবাহ, আই সবাহ, জলসাই দেৱতাৰ সেৱা আদিও অসমৰ লোকসাহিত্যৰ এক অঙ্গ। অসমৰ নাম-কীৰ্তনৰ প্ৰণালী, অসমৰ প্ৰসঙ্গ প্ৰণালী আদিও ভাৰতৰ অন্য ৰাজ্যৰ হৰি কীৰ্তনতকৈ সুকীয়া। প্ৰসঙ্গত ভোৰ-তালৰ ব্যৱহাৰ অসমীয়াৰ এটা বৈশিষ্ট্য। অসমৰ শিৱ মন্দিৰত কৰা শিৱ পূজা, নাম-কীৰ্তনৰ পাছত খোৱা মাহ-প্ৰসাদৰ প্ৰচলনো অসমৰ লোকসংস্কৃতিৰ এক নিজস্ব বৈশিষ্ট্য। লোক সাহিত্যই সমাজ জীৱনত নৈতিক শিক্ষা প্ৰদান কৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৰৰ 'বুঢ়ী আইৰ সাধু'ৰ কাহিনীসমূহত সাধাৰণতে সৎ আৰু অসৎ চৰিত্ৰৰ মাজৰ সংঘাত দেখুওৱা হয়। শেষত সৎ জনেই জয়লাভ কৰে। এইবোৰ কাহিনীয়ে শিশুসকলক সততা, ধৈৰ্য আৰু সাহসৰ শিক্ষা দিয়ে। উদাহৰণস্বৰূপে, কোনো কাহিনীত এলেহুৱা, অলস আৰু লোভী ব্যক্তিয়ে শাস্তি পায়, কিন্তু পৰিশ্ৰমী আৰু সৎ ব্যক্তিয়ে সফলতা লাভ কৰে। ইয়াৰ জৰিয়তে সমাজত সৎ আচৰণৰ গুৰুত্ব প্ৰতিপন্ন হয়।

অসমৰ লোকসংস্কৃতিত লোকশিল্প আৰু কাৰু শিল্পৰো প্ৰভাৱ স্পষ্ট। অসমৰ পাট-মুগাৰ মেখেলা-চাদৰ আৰু গামোচা কেৱল বস্ত্ৰ নহয়; ই অসমীয়া জাতিৰ পৰিচয় বহন কৰে। উদাহৰণস্বৰূপে কোনো অতিথিক গামোচা দি সম্ভাষণ জনোৱা হয়। ইয়াৰ দ্বাৰা সন্মান আৰু আদৰৰ প্ৰকাশ ঘটে। গাঁও অঞ্চলত বৰ্তমান বহু পৰিয়ালে হাতেৰে তাঁত বয়, যাৰ দ্বাৰা তেওঁলোকৰ আৰ্থিক অৱস্থাও সুদৃঢ় হয়। এইদৰে লোকশিল্পই সমাজৰ আৰ্থ-সামাজিক দিশত প্ৰভাৱ বিস্তাৰ কৰে।

ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠান সমূহতো



লোকসংস্কৃতিৰ প্ৰভাৱ দেখা যায়। অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শংকৰদেৱে নামঘৰ আৰু ভাওনাৰ প্ৰচলন কৰিছিল। উদাহৰণস্বৰূপে, গাঁৱৰ নামঘৰত নাম-প্ৰসঙ্গ অনুষ্ঠিত হ'লে গাঁৱৰ সকলো মানুহ একেলগে উপস্থিত হয়। ইয়াৰ ফলত সমাজত ঐক্য আৰু নৈতিক চেতনা বৃদ্ধি পায়। তদুপৰি ভাওনাৰ জৰিয়তে ধৰ্মীয় কাহিনী নাট্য ৰূপত উপস্থাপন কৰা হয়, যাৰ দ্বাৰা সাধাৰণ মানুহে সহজে ধৰ্মীয় শিক্ষা লাভ কৰে।

লোকসংস্কৃতিয়ে ভাষা আৰু দৈনন্দিন জীৱনতো প্ৰভাৱ পেলাইছে। অসমীয়া মানুহে কথোপকথনত বহুতো প্ৰবাদ-প্ৰবচন ব্যৱহাৰ কৰে, যেনে- 'যেনে কৰ্ম তেনে ফল' আদি। এইবোৰে-মানুহৰ জীৱনৰ অভিজ্ঞতা আৰু জ্ঞান প্ৰকাশ কৰে। বিয়ানাম বা দিহানামৰ দৰে লোকসংগীতসমূহ সামাজিক অনুষ্ঠানত গোৱা হয় বা পৰিৱেশন কৰা হয়, যাৰ দ্বাৰা আনন্দৰ লগতে সংস্কৃতিৰ সংৰক্ষণ হয়। সেইদৰে বৰগীত, অংকীয়া নাট, কীৰ্তন, দশম, ভাগৱত, নামঘোষা, গুণমালাৰ সৃষ্টিয়ে গুৰু দুজনাই অসমীয়া জাতি আৰু সমাজক ধৰ্মীয় আৰু আধ্যাত্মিক দিশৰ এনাজৰীয়ে বান্ধি থৈ গৈছে।

ইয়াৰ উপৰিও বাঁহ-বেতৰ শিল্প, অসমীয়া সোণৰ-ৰূপৰ-অলংকাৰ, মুঠিখাৰু, গামখাৰু আদিয়ে অসমীয়া লোকসংস্কৃতিক আৰু অধিক ৰঙীন কৰি তুলিছে। মাটিৰ পাত্ৰ, কাঠ শিল্প আদি গাঁৱৰ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। এইবোৰে মানুহৰ সৃষ্টিশীলতা আৰু পৰম্পৰাগত জ্ঞানৰ পৰিচয় দিয়ে। কাঁহ-পিতলৰ বাচন-বৰ্তনে অসমীয়া সমাজ জীৱনত অতীজৰে পৰা স্থান লাভ কৰি আহিছে। এই কাঁহৰ সামগ্ৰীসমূহ অসমীয়া লোকসংস্কৃতিত আন এবিধ উল্লেখযোগ্য সম্পদ। অসমীয়া কাঁহৰ কাঁহী-বাতিত খুৱা লগালে তাৰ সন্মান বাঢ়ে। যেনে বানকাঁহী, বান-বাতি, বটা, শৰাই, ডগডগী আদি। এনে খুৱা লগোৱা সন্মানসূচক কাঁহী-বাতি অথবা কাঁহৰ সৰ্জুলি ভাৰতৰ অন্য ৰাজ্যত দেখিবলৈ পোৱা নাযায়। কাঁহশিল্পই আৰ্থিক আৰু সামাজিক দিশত যথেষ্ট প্ৰভাৱ পেলায়। এই কাঁহ-পিতলৰ শিল্পইও অসমীয়া মানুহৰ সৃষ্টিশীলতা আৰু পৰম্পৰাগত জ্ঞানৰ পৰিচয় দিয়ে।



আজিৰ আধুনিক যুগত বিজ্ঞান-প্ৰযুক্তিৰ বিকাশে মানুহৰ জীৱন-ধাৰণত বহু পৰিবৰ্তন আনিছে। তথাপিও লোকসংস্কৃতিৰ প্ৰভাৱ এতিয়াও সমাজ জীৱনত অটুট আছে। আমাৰ গাঁৱলীয়া সমাজ জীৱনত এতিয়াও বহুতো পুৰণি পৰম্পৰা, আচাৰ-অনুষ্ঠান আৰু সাংস্কৃতিক ধাৰা চলি আছে। এইবোৰ পৰম্পৰাই অসমীয়া মানুহক শিপাৰ সৈতে সংযোগ কৰি ৰাখে আৰু নিজৰ পৰিচয় সজীৱ কৰি তোলে।

সামগ্ৰিকভাৱে ক'ব পাৰি যে, অসমীয়া সমাজ জীৱনত লোক সংস্কৃতি এক অবিচ্ছেদ্য শক্তি। ইয়াৰ প্ৰভাৱ গভীৰ আৰু বহুমুখী। ই মানুহৰ মন-মানসিকতা গঢ়ি তোলে, সামাজিক সম্প্ৰীতি বজাই ৰাখে আৰু নৈতিক মূল্যবোধ গঢ়ি তোলাত সহায় কৰে। তদুপৰি সমাজত ঐক্য, নৈতিকতা, সৃষ্টিশীলতা আৰু সম্প্ৰীতি গঢ়ি তোলে। সেয়ে, আগন্তুক প্ৰজন্মৰ বাবে এই লোকসংস্কৃতিক সংৰক্ষণ আৰু লালন-পালন কৰাটো আমাৰ সকলোৰে দায়িত্ব। কাৰণ, লোক সংস্কৃতি জীয়াই থাকিলেহে অসমীয়া সমাজৰ স্বকীয়তা আৰু পৰিচয় চিৰকাল অটুট থাকিব।

**সহায়ক গ্ৰন্থ ঃ** ১। **অসমীয়া প্ৰবন্ধ চয়ন সংকলন / সম্পাদক প্ৰকাশ গোস্বামী**

২। **অসমৰ সংস্কৃতি ডঃ লীলা গগৈ**

OOO

## অন্যান্য শিতান

# অসমৰ গৌৰৱময় শিল্পকলা জাপি

কৰবী মহন্ত কলিতা
শংকৰদেৱ শিশু নিকেতন, বাৰাংহাটী

সুজলা-সুফলা আই অসমী জাতি-উপজাতিৰ মিলনভূমি। ইতিহাসৰ বিভিন্ন স্তৰত এই ৰম্যভূমিৰ সুৰম্য প্ৰকৃতিৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন যুগত বিভিন্ন ঠাইৰ মানুহ অসমলৈ আহিছে। অসমৰ ভৌতিক কলা, স্থাপত্য-ভাস্কৰ্য, চাৰু আৰু কাৰু কলা, পৰিৱেশ্য আদি অসমীয়া সংস্কৃতিৰ অৱদান। ঠিক সেইদৰে মৃন্ময় শিল্প, বস্ত্ৰ শিল্প, কাহ-পিতলৰ শিল্প, বাঁহ-বেতৰ শিল্প, কাঠ আৰু কুঁহিয়াৰ শিল্প আদিয়ে অসমীয়া সংস্কৃতিৰ বৰঘৰ শুৱনি কৰি ৰাখিছে। এই সকলোবোৰৰ সমাহাৰত অসমীয়া সংস্কৃতিয়ে এক বৰ্ণাঢ্য আৰু বিশিষ্ট ৰূপ লাভ কৰিছে।

লোককলাৰ অন্তৰ্গত লোকশিল্পসমূহে ব্যক্তিৰ প্ৰত্যহিক জীৱনৰ অভাৱ-অভিযোগ পূৰণ কৰাৰ লগতে পৰম্পৰাগতভাৱে ব্যৱহৃত এই লোকশিল্পসমূহে নান্দনিক সৌন্দৰ্যও দান কৰে।

অসমৰ লোকজীৱন বাঁহৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। বাঁহেৰে নিৰ্মিত পাঁচি, খৰাহী, দূলি, ঢাৰি, মূঢ়া, খেতি কৰা সঁজুলি, বাঁহৰ বিচনী, ফণি, ডলা, কুলা, দোণ, তুলা, চালনী, জপা, তাঁতশালৰ সঁজুলি, ফুলদানী, হেতা, কুমলীয়া বাঁহৰ খৰিচা, খাদ্যবস্তু সংৰক্ষণৰ বাবে বাঁহৰ চুঙা, জনজাতীয় মানুহে ব্যৱহাৰ কৰা হোলা আদিয়ে ব্যৱহাৰিক জীৱনত মানুহৰ অভাৱ অভিযোগ পূৰণ কৰে।

অসমৰ লোককলাৰ অন্যতম ধাৰক আৰু বাহক হৈছে বাঁহেৰে নিৰ্মিত জাপি। জাপি হৈছে অসমৰ স্বাভিমান, সংস্কৃতি আৰু জাতীয় অৰ্থনীতিৰ সন্মানীয় প্ৰতীক। জাপিৰ প্ৰচলন প্ৰথম চীন দেশত হৈছিল, তাৰ পৰাই দক্ষিণ-পূব এছিয়া হৈ অসমত ইয়াৰ প্ৰচলন হয়। অসমত জাপিৰ প্ৰচলন কেতিয়া হৈছিল সঠিককৈ ক'ব পৰা নাযায় যদিও যুগে যুগে প্ৰচলিত হৈ অহা, বিহুগীত, নিচুকনি গীত, ফঁকৰা-যোজনা, প্ৰবচন আদিয়ে জাপি শিল্পৰ প্ৰাচীনত্বৰ নিদৰ্শন দাঙি ধৰে। এষাৰ কথা আছে -

"চোৰ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি"

বাঁহ সংস্কৃতি মংগোলীয় সংস্কৃতিৰ অৱদান, গতিকে জাপি শিল্পৰ প্ৰচলনৰ ক্ষেত্ৰতো মংগোলীয় সকলৰ অৱদান আছে। জাপিৰ প্ৰচলন হোৱাৰ সময়ত জাপিটো লাটুমৰ দৰে জোঙা আছিল, বৰ্তমান জাপি পদুম ফুলৰ দৰে ঘূৰণীয়া।

জাপি সাজিবলৈ বাঁহ গছ আৰু টকৌ পাত ব্যৱহাৰ কৰা হয়। জাপি প্ৰস্তুত কৰিবৰ বাবে কেঁচা বাঁহবোৰ এটা



নিৰ্দিষ্ট জোখত কাটি টুকুৰা কৰি লৈ তাৰ পৰা সৰু সৰু কাঠি চাঁচি সাঁচাৰ ওপৰত থৈ চালনীৰ দৰে ঘন ঘনকৈ বৈ ৰ'দত শুকুৰাই গাঁঠি দি মুখবোৰ থাংৰাৰ ওপৰত ৰাখি সমানকৈ কাটি জাপি তৈয়াৰ কৰা হয়। এয়া হৈছে জাপি নিৰ্মাণৰ পৰম্পৰাগত পদ্ধতি। বৰ্তমান সময়ৰ লগে লগে মানুহৰ ৰুচি অভিৰুচিৰ পৰিৱৰ্তন হৈছে। বৰ্তমান জাপিয়ে মানুহক প্ৰত্যহিক জীৱনৰ অভাৱ অভিযোগ পূৰণ কৰাৰ বিপৰীতে জাপিক নান্দনিক সৌন্দৰ্য প্ৰদান কৰিবৰ বাবেহে ব্যৱহাৰ কৰা হয়। গতিকে বৰ্তমান জাপি নিৰ্মাণ কৰিবলৈ বাঁহ গছ আৰু টকৌ পাতৰ উপৰিও আঠা, চুমকি, লেছ, সূতা আদি ব্যৱহাৰ কৰা হয়।

ৰূপসজ্জা, গঠন আৰু ব্যৱহাৰিক দিশৰ পৰা জাপিৰ সুকীয়া সুকীয়া নাম আছে, গৰখীয়া জাপি, পানী জাপি, বনুৱা জাপি, হালোৱা জাপি, উকা জাপি, ফুলাম জাপি, পদুমীয়া জাপি, সৰুদৈয়া জাপি ইত্যাদি।

আহোম যুগত ৰজা আৰু ডা-ডাঙৰীয়াসকলে আভিজাত্যৰ চিনস্বৰূপে আৰু সাজ-সজ্জাৰূপে পদবী অনুসৰি বাঁহেৰে নিৰ্মিত গুণাত সূতাৰে বুটা বাচি নিৰ্মাণ কৰা জাপি ব্যৱহাৰ কৰিছিল। এই জাপি বিধৰ নাম আছিল বৰ জাপি। উকা জাপি হালোৱা আৰু বনোৱাসকলে কৰ্মত নিয়োজিত হৈ থাকোতে ৰ'দ-বৰষুণৰ পৰা পৰিত্ৰাণ পাবলৈ ব্যৱহাৰ কৰে। উকা জাপিক হালোৱা জাপি বা পানী জাপি বুলিও কোৱা হয়। অসমীয়া জনজীৱনত জাপি পিন্ধি কঠিয়া সিঁচিলে কঠীয়াডৰা ৰ'দ-বৰষুণৰ পৰা পৰিত্ৰাণ পায় বুলি লোকবিশ্বাস আছে। চাহ জনগোষ্ঠীৰ বনুৱাসকলে পিঠিৰ পিনে দীঘল এক বিশেষ ধৰণৰ জাপি ব্যৱহাৰ কৰে। এই জাপিবিধৰ নাম বনুৱা জাপি।

সময় পৰিৱৰ্তনশীল, সময়ৰ বিৱৰ্তনত পৰিৱৰ্তন হয় সংস্কৃতিৰো। বৰ্তমান অত্যাধুনিক সামগ্ৰীৰ ব্যৱহাৰত জাপিৰ প্ৰচলন কমি গৈছে কিন্তু এতিয়াও ঘৰ শুৱনি কৰিবলৈ আৰু ৰংগমঞ্চত মান্যজনক সন্মান জনাবলৈ ফুলাম জাপি ব্যৱহাৰ কৰে। আনহাতে বিহু নাচৰ সময়ত নাচনীয়ে সৰুদৈয়া জাপি ব্যৱহাৰ কৰে। বিহুগীতত জাপিৰ বিষয়ে উল্লেখ আছে এনেদৰে।

মইনো যাম বনিজলৈ উজনিৰ ৰাজ্যলৈ  
তোমালৈনো আনিমে কি?  
তোমালৈনো আনিমে সৰুদৈয়া জাপিটি  
ৰূপত ৰূপে তোলা দি

জাপি নিৰ্মাণত নলবাৰী জিলাৰ মোহকুছি অঞ্চলৰ লবালা, মোহকুছি, টিলানা, সূতাৰকুচি, টেলিছিয়া, কৰ্দৈতোলা আদি গাওঁসমূহে অভিলেখ সৃষ্টি কৰিছে। এই গাওঁ সমূহৰ প্ৰায় ৮০ শতাংশ লোক জাপি শিল্পৰ লগত জড়িত হৈ আছে। আত্মসহায়ক গোটবোৰে জাপি নিৰ্মাণৰ প্ৰশিক্ষণ লয়। ঘৰৰ পুৰুষ-মহিলা, যুৱক-যুৱতী সকলোৱে জাপি শিল্পৰ লগত জড়িত হৈ আছে। তেওঁলোকে ২০ জনমান মানুহ একেলগে লগ হৈ ৮০ ফুট ওখ জাপি বনাই এক অভিলেখ সৃষ্টি কৰিছে। তেওঁলোকৰ জাপি মুম্বাই আদি ঠাইলৈও ৰপ্তানি হয়। বাঁহ গছ আৰু টকৌ গছৰ পাতৰ উপৰিও তেওঁলোকে জাপি নিৰ্মাণ কৰিবলৈ আঠা, চুমকি, লেছ, সূতা আদি ব্যৱহাৰ কৰে।

বৰ্তমান গোলকীকৰণ আৰু মুক্ত অৰ্থনৈতিক ব্যৱস্থাই বিশ্বৰ সকলো উৎপাদিত বস্তুৰ ওপৰত সহজলব্ধ হৈ পৰিছে। অনলাইন ব্যৱস্থাৰ জৰিয়তে বিশ্বৰ বজাৰখন হাতৰ মুঠিলৈ আহিছে। বৰ্তমান সামাজিক মাধ্যমৰ বহুল প্ৰচলন আৰম্ভ হৈছে। চৰকাৰেও কৰ্মত নিয়োজিত হ'ব বিচৰা যুৱক-যুৱতীক এম এছ এম ইয়াৰ অধীনত কে ভি আই চি, ডি আই চি আদি এজেঞ্চিৰ দ্বাৰা সহায়ৰ হাত আগবঢ়ায়। গতিকে চৰকাৰী ধনখিনিৰ সৎ ব্যৱহাৰ কৰি, জাপি নিৰ্মাণৰ পৰম্পৰাগত পদ্ধতিৰ লগতে আধুনিক পদ্ধতিৰে বিশ্ব বজাৰখন হাতৰ মুঠিলৈ আনি সামাজিক মাধ্যমক যোগাত্মক দিশত ব্যৱহাৰ কৰি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ উপৰি জাপি শিল্পটোক কেৱল শিল্প হিচাপে নাৰাখি এটি উদ্যোগ হিচাপে প্ৰতিষ্ঠা কৰিব পাৰিম আৰু ইয়াৰ দ্বাৰা জাপি শিল্পই বিশ্বৰ দৰবাৰত এক উচ্চ আসন লাভ কৰিব।

OOO

# ভাৰতীয় কাল গণনা

(১৫ পৃষ্ঠাৰ পৰা)

৫,২৯,৪০,৮০,০০০+২,৫৯,২০,০০০=৪,৩২,০০,০০,০০০ বছৰ = ০১ কল্প।

০১ কল্প = ব্ৰহ্মাৰ - ১২ ঘন্টা = ৪,৩২,০০,০০,০০০ বছৰ।

০২ কল্প = ব্ৰহ্মাৰ - ২৪ ঘন্টা (এক দিন এক ৰাতি) = ৮,৬৪,০০,০০,০০০ বছৰ।

০১ মাহ = ব্ৰহ্মাৰ - ৩০×৮,৬৪,০০,০০,০০০ বছৰ = ২,৫৯,২০,০০,০০,০০০ বছৰ।

১২ মাহ = ব্ৰহ্মাৰ - ৩০×২,৫৯,২০,০০,০০,০০০ বছৰ = ৩১ খৰব, ১০ খৰব, ৪০ কোটি বছৰ।

১০০ বছৰ সৃষ্টিৰ মুঠ আয়ুস ৩১ নীল, ১০ খৰব, ৪০ অৰব বছৰ।

সৃষ্টিৰ আধা আয়ুস সমাপ্ত হৈ গৈছে। এতিয়া বাকী আছে ১৫ নীল, ৫৫ খৰব, ২০ অৰব বছৰ

১৪ মন্বন্তৰৰ ৭ মন্বন্তৰ সম্পূৰ্ণ হৈ গৈছে এতিয়া “বৈৱস্বত মন্বন্তৰ চলি আছে।”

এতিয়া কল্পৰ ভিতৰত বৰাহ কল্প চলি আছে। যুগৰ ভিতৰত কলিযুগ চলি আছে, কলি চাৰি চৰণত সম্পূৰ্ণ হ'ব। এতিয়া চলি আছে কলিযুগৰ প্ৰথম চৰণ।

ব্ৰহ্মাৰ কাল গণনা চ'ত মাহৰ শুক্লপক্ষৰ পৰা আৰম্ভ হয়। সৃষ্টিৰ, প্ৰকৃতিৰ এটা চক্ৰ সম্পূৰ্ণ হয়। সম্পূৰ্ণ পৃথিৱীয়ে নিজৰ নতুন ৰূপ ধাৰণ কৰে। ভূমিয়ে নিজৰ শৃংগাৰ কৰে। এইটো মাহক ‘মধুমাহ’ বুলিও কোৱা হয়। ঋতুসমূহক ‘কুসুমাকৰ’ বসন্ত ঋতু বুলিও কোৱা হয়। চ'ত মাহৰ শুক্ল পক্ষৰ পৰাই নতুন বছৰৰ আৰম্ভণি হয়। ভাৰতীয় বৈদিক পদ্ধতি অত্যন্ত বৈজ্ঞানিক পদ্ধতি হয়। পূজা পাঠ কৰাৰ সময়ত পণ্ডিতসকলে এনেধৰণৰ সংকল্প কৰে আৰু আনকো কৰায়।

জম্বুদ্বীপে, ভাৰতবৰ্ষে, ৰেৱাখণ্ডে, বৰাহকল্পে, বৈৱস্বত মন্বন্তৰে, কলিযুগে প্ৰথম চৰণে, চৈত্ৰমাসে শুক্লপক্ষে, বৰ্ষাৰম্ভে প্ৰথম দিৱসে। শ্ৰীকৃষ্ণ সংৱতসৰে ৫২৫২, যুগাব্দে ৫১২৮, বিক্ৰম সংৱতসৰে ২০৮৩, ৰৌদ্ৰনাম সংবতসৰে গুৰুৱামৰে, আংগল বৰ্ষে ২০২৬, দিনাংক ১৯ মাৰ্চ, সৰ্ধেযাম, শুভম্‌ভৰতু..........

“সুপদ শান্তি সুখ শত সৰসিজ সে সদা মুদিত হো প্ৰাণ সৰোবৰ,

মংগলময় হো নৱ সংবতসৰ, মংগলময় হো নৱ সংবত্সৰ।।

চৈত্ৰ শুক্ল পক্ষ প্ৰতিপদা,

যুগাব্দ ৫১২৮, বিক্ৰম সংবত ২০৮৩

বৃহস্পতিবাৰ, দিনাংক ১৯ মাৰ্চ ,২০২৬

OOO

# বন্দে মাতৰম্...

(১০ পৃষ্ঠাৰ পৰা)

চনৰ ১২ ডিচেম্বৰত দিল্লীত বিশেষ দৰবাৰ পাতি ‘বঙ্গ ভঙ্গ’ আইন বাতিল কৰে আৰু দেশৰ ৰাজধানী কলিকতাৰ পৰা দিল্লীলৈ স্থানান্তৰ কৰে।

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ দীঘলীয়া যাত্ৰাত ‘বন্দে মাতৰম্’ ৰাষ্ট্ৰ গীতে যি অনুপ্ৰেৰণা দিছিল, পিছলৈ সেই সময়ৰ নেতৃত্বৰ দুৰ্বলতাৰ বাবে সম্পূৰ্ণ ‘বন্দে মাতৰম্’ৰ সলনি মাত্ৰ দুফাঁকিহে গোৱাৰ নিয়ম প্ৰচলন কৰিলে। যি ৰাষ্ট্ৰগীতে ইংৰাজৰ দৰে নিষ্ঠুৰ শাসকগোষ্ঠীৰ বিৰুদ্ধে দেশৰ জনতাক আত্মোৎসৰ্গ কৰাৰ বাবে অনুপ্ৰেৰণা যোগাইছিল, সেই ‘বন্দে মাতৰম’ আমাৰ বিদ্যা ভাৰতীৰ সকলো অনুষ্ঠানতে সম্পূৰ্ণৰূপে গোৱা হয়।

বন্দে মাতৰম্‌ৰ ডেৰশ বছৰীয়া জয়ন্তীৰ সময়ত ভাৰতবৰ্ষক বিশ্বগুৰুৰূপে প্ৰতিষ্ঠা কৰাৰ পূৰ্ব চৰ্ত হিচাপে ৰাষ্ট্ৰগীত ‘বন্দে মাতৰম্’ৰ পূৰ্ণৰূপত স্ব-স্থানত প্ৰতিষ্ঠিত কৰাৰ সংকল্প আমি সকলো ভাৰতবাসীয়ে ল'ব লাগিব।

OOO

# সংবাদ পৰিক্ৰমা

## বিদ্যা ভাৰতী অখিল ভাৰতীয় প্ৰচাৰ আৰু অভিলেখাগাৰ বিভাগৰ যুটীয়া বৈঠক

শিক্ষাৰ মনোনয়ন, সাংগঠনিক সমন্বয় আৰু সাংস্কৃতিক মূল্যবোধ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে বিদ্যা ভাৰতী অখিল ভাৰতীয় প্ৰচাৰ আৰু অভিলেখাগাৰ বিভাগৰ এক গুৰুত্বপূৰ্ণ যুটীয়া বৈঠক যোৱা ৩ আৰু ৪ জানুৱাৰী, ২০২৬ তাৰিখে ঝাৰখণ্ডৰ ৰাঁচীৰ আদিত্য প্ৰকাশ জালান টিচাৰ্চ ট্ৰেইনিং কলেজৰ প্ৰেক্ষাগৃহত দুদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। বৈঠকত দেশৰ সকলো প্ৰান্তৰ প্ৰচাৰ আৰু অভিলেখাগাৰ বিভাগৰ প্ৰমুখৰ উপস্থিতিত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে শিক্ষাবিদ তথা বিদ্যা ভাৰতী অখিল ভাৰতীয় মহামন্ত্ৰী দেশৰাজ শৰ্মা, বিদ্যা ভাৰতী অখিল ভাৰতীয় প্ৰচাৰ বিভাগৰ প্ৰভাৰী সুধাকৰ ৰেড্ডী, বিদ্যা ভাৰতী অখিল ভাৰতীয় অভিলেখাগাৰ প্ৰমুখ ললিত বিহাৰী গোস্বামী, মধ্যপ্ৰদেশ অভিলেখাগাৰ ৰাজেন্দ্ৰ বাঘেল, ক্ষেত্ৰীয় মন্ত্ৰী ৰামকেশ নাৰচাৰীয়াই। ইয়াৰ পিছতে শিশু সন্দেশ পত্ৰিকা লগতে বিভিন্ন ক্ষেত্ৰৰ পত্ৰিকা সমূহ উন্মোচন কৰা হয়।

বৈঠকৰ আৰম্ভণিতে সুধাকৰ ৰেড্ডীয়ে পঞ্চনদী সংস্কাৰমুখী শিক্ষাৰ ওপৰত তেওঁৰ প্ৰাস্তৱিক ভাষণ দিয়ে আৰু মহামন্ত্ৰী দেশৰাজ শৰ্মাই বিদ্যা ভাৰতীৰ শক্তিশালী সাংগঠনিক স্থিতি গঢ়ি তুলিবলৈ প্ৰচাৰ আৰু অভিলেখাগাৰৰ কৰ্মকৰ্তাক উৎসাহিত কৰাৰ বাবে আহ্বান জনায়। ইয়াৰ উপৰিও সম্পাদকীয় লেখন কৌশলৰ ওপৰত সৌৰভ মালব্য, চিত্ৰচয়ণ কৌশলৰ ওপৰত ড° নৰেন্দ্ৰ কুমাৰ মিশ্ৰ আৰু পত্ৰিকা প্ৰকাশনৰ ওপৰত ড° দিবাংশু কুমাৰে অতি গুৰুত্বপূৰ্ণ তথ্য আৰু কৌশল দাঙি ধৰে।



বৈঠকত পঞ্চপদী শিক্ষা ব্যৱস্থাৰ ৰূপায়ণ, বিভিন্ন নতুন যোজনা প্ৰস্তুত কৰাৰ লগতে প্ৰচাৰ আৰু অভিলেখাগাৰৰ ক্ষেত্ৰত কাৰ্যকৰী প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই বৈঠকত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ প্ৰচাৰ বিভাগৰ সংযোজক বিকাশ শৰ্মা, শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় প্ৰচাৰ বিভাগৰ সংযোজক মুকুটেশ্বৰ গোস্বামী, বিদ্যা ভাৰতী সংবাদ পত্ৰিকাৰ সম্পাদিকা গায়ত্ৰী গোস্বামী, পূৰ্বোত্তৰ ক্ষেত্ৰ আৰু অভিলেখাগাৰ অসম প্ৰান্তৰ দায়িত্বত থকা ভূষণ গোস্বামী, দক্ষিণ অসমৰ অভিলেখাগাৰ প্ৰমুখ মেঘাঞ্জন চক্ৰৱৰ্তী, দক্ষিণ অসমৰ প্ৰচাৰ প্ৰমুখ কুনলজিৎ দেৱ, মেঘালয় প্ৰান্ত প্ৰচাৰ প্ৰমুখ বিবেক তিৱাৰী, মণিপুৰ প্ৰান্ত প্ৰচাৰ প্ৰমুখ ভীমসেন শৰ্মা, চচিয়েল মিডিয়া প্ৰমুখ শ্ৰীৰাম শৰ্মাই অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে বিদ্যা ভাৰতীৰ অধীনস্থ মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহে বিগত চাৰিটা দশকত পূৰ্বোত্তৰ ভাৰতত সংস্কাৰমুখী শিক্ষাৰ জৰিয়তে মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত এক অতুলনীয় অৱদান আগবঢ়াই আহিছে।

## স্বদেশী সংকল্প দৌৰ

**"নতুন ভাৰতৰ সংকল্প— স্বদেশী আৰু স্বাৱলম্বন"**

স্বামী বিবেকানন্দৰ জয়ন্তী প্ৰতি বছৰে ১২ জানুৱাৰীত পালন কৰা হয়। ভাৰত চৰকাৰে ১৯৮৪ চনত স্বামী বিবেকানন্দৰ জয়ন্তীক ৰাষ্ট্ৰীয় যুৱ দিৱস হিচাপে ঘোষণা

কৰিছিল। ইয়াৰ মূল কাৰণ আছিল যে বিবেকানন্দৰ বিচাৰ, দৰ্শন আৰু জীৱনৰ আদৰ্শই দেশৰ যুৱক-যুৱতী সকলক অনুপ্ৰাণিত কৰাৰ ক্ষমতা ৰাখে। তেওঁ যুৱ শক্তিক ৰাষ্ট্ৰ নিৰ্মাণৰ আটাইতকৈ ডাঙৰ স্তম্ভ বুলি গণ্য কৰিছিল আৰু কৈছিল- 'যুৱক-যুৱতীসকল সেই শক্তি যিয়ে অসম্ভৱক সম্ভৱলৈ ৰূপান্তৰ কৰিব পাৰে।''

সেই উদ্দেশ্যেই যোৱা ১২জানুৱাৰী, ২০২৬তাৰিখে স্বামী বিৱেকানন্দৰ ১৬৪ তম্ জয়ন্তী উপলক্ষে সমগ্ৰ দেশজুৰি ৰাষ্ট্ৰীয় যুৱ দিৱস উদযাপনৰ অংশ হিচাপে শিশু শিক্ষা সমিতি, অসমৰ লগতে ইয়াৰ অন্তৰ্গত সকলো নিকেতনত স্বদেশী সংকল্প দৌৰ নামেৰে এটা কাৰ্যক্ৰম অনুষ্ঠিত কৰা হয়। যাৰ উদ্দেশ্য মূল্যবোধ, ৰাষ্ট্ৰীয় গৌৰৱ আৰু স্বামী বিৱেকানন্দৰ শাশ্বত শিক্ষাসমূহৰ প্ৰসাৰ কৰা। যুৱ প্ৰজন্মক ভাৰতীয় সামগ্ৰী গ্ৰহণ কৰিবলৈ, স্থানীয় উদ্যমিতাক উৎসাহিত কৰিবলৈ আৰু আত্মনিৰ্ভৰ ভাৰতৰ ভাৱনাক সুদৃঢ় কৰিবলৈ অনুপ্ৰাণিত কৰা।

**স্বদেশী সংকল্প দৌৰৰ বাবে শ্লোগান**

১। জয় স্বদেশী, জয় জয় স্বদেশী।

২। যেতিয়া বজাৰলৈ যাম, স্বদেশী সামগ্ৰী আনিম।

৩। স্ব-নিয়োগ আকোঁৱালি লওক, দেশক সমৃদ্ধিশালী কৰক।

৪। স্থানীয়ক আকোঁৱালি লওক, দেশক সমৃদ্ধিশালী কৰক।

৫। দেশপ্ৰেমৰ গতি, স্বদেশীকতাৰ সৈতে বাৰম্বাৰ।

৬। স্বদেশীকতাৰ বাবে দৌৰক, ভাৰতৰ বাবে দৌৰক।

স্বদেশীৰ অৰ্থ হ'ল নিজৰ প্ৰয়োজনৰ সমাধান নিজৰ দেশৰ ক্ষমতাৰ ভিতৰত বিচাৰি উলিওৱা। যেতিয়া যুৱপ্ৰজন্মই এই ধাৰণাটো গ্ৰহণ কৰিব, তেতিয়া ই কেৱল এটা বিপ্লৱ নহয় বৰঞ্চ ৰাষ্ট্ৰীয় নৱজাগৰণৰ আৰম্ভণি হ'ব। স্বামী বিবেকানন্দই কৈছিল— 'কোনো জাতিয়ে তেতিয়াহে উন্নতি কৰিব পাৰে, যেতিয়া তেওঁলোকে নিজৰ ভৰিত থিয় হ'বলৈ শিকে।' স্বদেশী চিন্তাধাৰা হ'ল এই উত্থানৰ পথ। স্বদেশী সংকল্প দৌৰত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী যুৱক-যুৱতীলৈ এয়ে বাৰ্তা যে দেশ তেতিয়াহে প্ৰগতিৰ পথত আগবাঢ়িব যেতিয়া ইয়াৰ প্ৰতিগৰাকী নাগৰিকে স্বদেশী সামগ্ৰীক অগ্ৰাধিকাৰ দিব।

## ৰাষ্ট্ৰীয় বৈদিক গণিত গোষ্ঠীৰ বৈঠক

যোৱা ১ আৰু ২ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে গুৱাহাটীৰ পানীখাইতিত থকা নেপালী সংস্কৃতি সদনত বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ ৰাষ্ট্ৰীয় বৈদিক গণিত গোষ্ঠীৰ বৈঠক এখনি অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটিৰ আৰম্ভণিতে মা সৰস্বতীৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিদ্যা ভাৰতীৰ মাননীয় সহ সংগঠন মন্ত্ৰী শ্ৰীৰাম আৰাৱকাৰ জীয়ে। এই বৈঠকত বিদ্যা ভাৰতীৰ বৈদিক গণিতৰ সংযোজক দেৱেন্দ্ৰ ৰাও দেশমুখকে ধৰি ১১টা ক্ষেত্ৰৰ পৰা মুঠ ১৬ গৰাকী বৈদিক গণিতৰ ক্ষেত্ৰীয় সংযোজক সকল উপস্থিত থাকি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰে।



## বৈদিক গণিত প্ৰশিক্ষণ বৰ্গ

যোৱা ৪ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখৰ পৰা ৭ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখলৈ গুৱাহাটীৰ পানীখাইতীত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ বৈদিক গণিত প্ৰশিক্ষণ বৰ্গৰ অনুষ্ঠিত কৰা হয়। সেই প্ৰশিক্ষণ বৰ্গত অসম প্ৰান্তৰ নটা বিভাগৰ পৰা ১৭ গৰাকী আৰু দক্ষিণ অসম প্ৰান্তৰ পৰা এগৰাকী সহ মুঠ ১৮ গৰাকীয়ে অংশগ্ৰহণ কৰে।

প্ৰশিক্ষণ বৰ্গত ৰাষ্ট্ৰীয় বৈদিক গণিত সংযোজক দেৱেন্দ্ৰ ৰাও দেশমুখ জী আৰু ক্ষেত্ৰীয় বৈদিক গণিত প্ৰমুখ মহানন্দ দাসে সম্পূৰ্ণ সময় উপস্থিত থাকি বৰ্গটো সুন্দৰভাৱে পৰিচালনা কৰে। ইয়াৰ উপৰিও সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসম প্ৰান্তৰ বৈদিক গণিত প্ৰমুখ পৰমানন্দ ডেকা, প্ৰান্তীয় বৈদিক গণিত টোলীৰ সদস্যদ্বয় হেমন্ত কুমাৰ দেৱ, কন্দৰ্প কুমাৰ দাস আৰু বঙাইগাঁও বিভাগৰ বৈদিক গণিত প্ৰমুখ দেৱেন্দ্ৰ নাথ ৰায়।

২০০১ চনত হোজাইত অনুষ্ঠিত প্ৰশিক্ষণেৰে বৈদিক গণিত যাত্ৰাৰ অসমত ২৫ বছৰ পূৰ্তি অৰ্থাৎ ৰূপালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা উপলক্ষে অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণৰ উদ্বোধনী সমাৰোহত উপস্থিত থাকে শিশু শিক্ষা সমিতি, অসমৰ সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী। লগতে প্ৰশিক্ষণৰ সময়ছোৱাত পূৰ্বোত্তৰ ক্ষেত্ৰৰ অধ্যক্ষ ডঃ গংগা প্ৰসাদ প্ৰসেইন আৰু পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড০ পৱন তিৱাৰী আৰু বিদ্যা ভাৰতীৰ উচ্চ শিক্ষা সংগঠন মন্ত্ৰী শ্ৰী কে এন ৰঘুনন্দনজী উপস্থিত থাকি আলোচনী সংকল্প উৎসাহিত কৰাৰ



লগতে NEP 2020 ৰ পাঠ্যক্ৰমত ভাৰতীয় জ্ঞান পৰম্পৰাৰ বৈদিক গণিতৰ সমাবেশ সম্পৰ্কে তেওঁলোকে সাৰগৰ্ভ মন্তব্য আগবঢ়ায়।

বৰ্গৰ সামৰণি অনুষ্ঠানত শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী উপস্থিত থাকি অসমত বৈদিক গণিতৰ ২৫ বছৰীয়া যাত্ৰাত আৰ্থিক আৰু ইয়াৰ আৱশ্যকতা আৰু জনপ্ৰিয়তা সম্পৰ্কে বক্তব্য আগবঢ়ায়। শেষত শান্তি মন্ত্ৰেৰে প্ৰশিক্ষণ বৰ্গৰ সামৰণি পৰে।

## সপ্তশক্তি সংগমৰ সামৰণি অনুষ্ঠান

যোৱা ১৬ অক্টোবৰ, ২০২৫ তাৰিখৰ পৰা ১৯ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখলৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ১০০ বছৰ পূৰ্তি উপলক্ষে বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ সংবদ্ধ শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত ৪৩২ খন নিকেতনত 'সপ্ত শক্তি সংগম' নামেৰে এটি কাৰ্যক্ৰম অনুষ্ঠিত কৰা হয়। এই 'সপ্ত শক্তি সংগম' শীৰ্ষক কাৰ্যক্ৰমটো প্ৰধানকৈ মহিলাসকলৰ মাজত কুটুম্ব আৰু পৰিবেশৰ প্ৰতি ভাৰতীয় ভাব জাগ্ৰত কৰা শিশুৰ সামগ্ৰিক আৰু সৰ্বাংগীন বিকাশত মাতৃৰ ফলপ্ৰসূ ভূমিকা সু-নিশ্চিত কৰা আদিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ উদ্দেশ্যৰে অনুষ্ঠিত কৰা হয়। সপ্তশক্তি সংগমৰ সামৰণি কাৰ্যক্ৰম যোৱা ১৯ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে শংকৰদেৱ বিদ্যা নিকেতন, বিষ্ণুপথত অনুষ্ঠিত হৈ যায়। এই অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বিষ্ণুপথ নিকেতন পৰিচালনা সমিতিৰ সভানেত্ৰী ড° মনোৰমা দেৱীয়ে, অধ্যক্ষৰ আসন অলংকৃত কৰে দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° নমিতা ডেকাই। প্ৰস্তাৱিক ভাষণ ডাঙি ধৰে সপ্তশক্তি সংগমৰ প্ৰান্তীয় সংযোজিকা গীতাঞ্জলী দেৱী, বৃত্ত দাঙি ধৰে সপ্তশক্তি সংগমৰ প্ৰান্তীয় সংযোজিকা মলয়া ৰাজবংশী পাঠকে। সভাত মুখ্য বক্তাৰ ভাষণ প্ৰদান কৰে গড়মূৰ নিকেতনৰ প্ৰাক্তন প্ৰধানাচাৰ্যা বৰ্ণালী বৰুৱাই।

এই কাৰ্যক্ৰমত অসম গৌৰৱ বঁটা প্ৰাপক তথা শ্মশান বন্ধু ধৃতিমালা ডেকা আৰু আৰৱ সাগৰ সাঁতুৰি ৰেকৰ্ড গঢ়িবলৈ সক্ষম হোৱা বিষ্ণুপথ নিকেতনৰ ছাত্ৰী কংকিতা দাসক সম্বৰ্ধনা আৰু অভিনন্দন জ্ঞাপন কৰা হয়। বাণী

কংকণা কাশ্যপে সঞ্চালন কৰা সভাখনত অনুপমা দেৱী, কল্যাণী ঠাকুৰীয়া, প্ৰীতি শৰ্মা, ময়ুৰাক্ষী দেৱী, বনশ্ৰী মহন্ত মালাকাৰ, বিভাগ, সংকুল সংযোজিকা সকলৰ লগতে বিভিন্ন নিকেতনৰ প্ৰধানাচাৰ্যা, আচাৰ্যাৰ উপৰিও সপ্তশক্তি সংগমৰ বক্তা সকল উপস্থিত থাকি সভাৰ শোভা বৰ্ধন কৰে।

এই কাৰ্যক্ৰমৰ তথ্য তলত উল্লেখ কৰা ধৰণৰ—

| | | |
|---|---|---|
| ১। | মুঠ নিকেতন | ৫১০ |
| ২। | কাৰ্যক্ৰম অনুষ্ঠিত হোৱা নিকেতন | ৪৩২ |
| ৩। | অংশগ্ৰহণকাৰী মাতৃ | ৭৪৬৪৪ |
| ৪। | অংশগ্ৰহণকাৰী বক্তা | ৩৪২ |
| ৫। | অংশগ্ৰহণকাৰী প্ৰেৰণাদায়ী মহিলা | ১৮৯৫ |

## প্ৰান্তীয় প্ৰশিক্ষণ টোলীৰ বৈঠক

যোৱা ২৪ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় প্ৰশিক্ষণ টোলীৰ বৈঠকখন প্ৰদেশ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। শিশু শিক্ষা সমিতি, অসমৰ সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশীয়ে বন্তি প্ৰজ্বলন কৰা বৈঠকখনৰ ব্ৰহ্মনাদেৰে শুভাৰম্ভ কৰা হয়। বৈঠকৰ উদ্দেশ্য ব্যাখ্যা কৰে সহঃ প্ৰান্তীয় প্ৰশিক্ষণ প্ৰমুখ মনমোহন কলিতাই। বৈঠকত প্ৰস্তাৱিক ভাষণ প্ৰদান কৰি সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশীয়ে কয় যে- বিভাগ ভিত্তিত অনুষ্ঠিত হ'বলগীয়া প্ৰাথমিক প্ৰশিক্ষণ বৰ্গত ৰাষ্ট্ৰীয় শিক্ষানীতি -২০২০ৰ বাবে প্ৰয়োজনীয় শিক্ষা ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। লগতে সমল ব্যক্তিসকলৰ পাঠদান প্ৰক্ৰিয়া ডিজিটেল ব্যৱস্থাৰে কৰিবলৈও পৰামৰ্শ দিয়ে। বৈঠকত প্ৰতিটো বিভাগত অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণ বৰ্গ সুচাৰুৰূপে পৰিচালনা কৰাৰ সুবিধাৰ বাবে এখন সামূহিক ব্যৱস্থা পত্ৰৰ লগতে প্ৰশিক্ষণ ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় কাগজ পত্ৰ সন্নিৱিষ্ট একোটা ফাইল প্ৰতিটো বিভাগৰ প্ৰশিক্ষণ প্ৰমুখলৈ প্ৰেৰণ কৰা হয়। বৈঠকত প্ৰশিক্ষাৰ্থী আচাৰ্য-আচাৰ্যসকলৰ উপস্থিতি নিশ্চিতকৰণৰ বাবে প্ৰতিটো বিভাগৰ ফালৰপৰা Google form পূৰ কৰাৰ ব্যৱস্থা কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়।

## অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ বিদ্যা ভাৰতীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

এই বৰ্ষত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফল হোৱা শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে অৱসৰপ্ৰাপ্ত প্ৰধানাচাৰ্য, প্ৰধানাচাৰ্যাক অসম প্ৰকাশন ভাৰতীৰ সভাগৃহত শিশু শিক্ষা সমিতি, অসমৰ প্ৰাক্তন ছাত্ৰ ভাৰতীৰ তৰফৰ পৰা যোৱা ২৮ ফেব্ৰুৱাৰী, ২০২৬ তাৰিখে অভিনন্দন আৰু সম্বৰ্ধনা জনোৱা হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা এই সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী কমাৰ্চ কলেজৰ অধ্যক্ষ ড° বিপুল দাস। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পূৰ্বোত্তৰ ক্ষেত্ৰৰ সম্পাদক ড° জগদীন্দ্ৰ ৰায় চৌধুৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী। এই অনুষ্ঠানত শিশু শিক্ষা



সমিতি, অসমৰ প্ৰথমখন নিকেতন শংকৰদেৱ শিশু কুঞ্জ, অম্বিকাগিৰী নগৰৰ প্ৰাক্তন প্ৰধানাচাৰ্য তথা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ কাৰ্যবাহ খগেন শইকীয়াৰ লগতে ৰীতা সৰকাৰ, তুলুৰাণী বৰুৱা, অনিল শৰ্মা আৰু ১২ গৰাকী অসম লোকসেৱা আয়োগৰ

পৰীক্ষাত সফলতা লাভ কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰাক্তন ছাত্ৰ ভাৰতী (বিভায়ন)ৰ তৰফৰ পৰা ক্ষেত্ৰীয় সংযোজিকা স্বপ্না দেৱী, প্ৰান্তীয় সংযোজক মৃগাংক শৰ্মা, প্ৰাক্তন ছাত্ৰ ভাৰতীৰ প্ৰভাৰী গৌৰৱ কলিতা, প্ৰাক্তন ছাত্ৰ ভাৰতীৰ প্ৰমুখ ৰিংকু কলিতাকে ধৰি কেইবাগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি অনুষ্ঠানটো সফলতাৰে পৰিচালনা কৰে। মুখ্য অতিথি ড০ বিপুল দাসে শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰশংসা কৰি তেওঁৰ সাৱলীল ভাষণ আগবঢ়ায়। অনুষ্ঠানৰ শেষত মৃগাংক শৰ্মাই শলাগৰ শৰাই আগবঢ়াই এই অনুষ্ঠানত উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাৰ বাবে সকলোকে ধন্যবাদ জনায়। শেষত বন্দে মাতৰমেৰে অনুষ্ঠানৰ সফল সামৰণি মৰা হয়।

## ৰাষ্ট্ৰীয় খেল পৰিষদৰ সমীক্ষা বৈঠক

যোৱা ০৭ আৰু ০৮ মাৰ্চ, ২০২৬ তাৰিখে বিদ্যা ভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ অধীনস্থ অখিল ভাৰতীয় খেল পৰিষদৰ এক গুৰুত্বপূৰ্ণ সমীক্ষা বৈঠক অসম প্ৰকাশন ভাৰতীৰ সভাগৃহত অনুষ্ঠিত হৈ যায়। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰা এই বৈঠকত অখিল ভাৰতীয় খেল পৰিষদৰ সংযোজক মুখটেজ সিং বদেশা, প্ৰভাৰী তথা উত্তৰ পূব ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী হেমচন্দ্ৰজী আৰু খেল পৰিষদৰ সহ সংযোজক কৃপা শংকৰ শৰ্মাৰ লগতে দেশৰ ১১ টা ক্ষেত্ৰৰ ক্ষেত্ৰ সংযোজক আৰু সহ ক্ষেত্ৰ সংযোজকে ধৰি মুঠ ২০ গৰাকী কাৰ্যকৰ্তা উপস্থিত থাকে। এই বৈঠকত বিগত বৰ্ষত অনুষ্ঠিত ৰাষ্ট্ৰীয় খেলসমূহৰ খতিয়ান লোৱাৰ লগতে আগন্তুক বৰ্ষৰ বাবে



ক্ৰীড়া যোজনাও প্ৰস্তুত কৰা হয়। উদ্বোধন অনুষ্ঠানত উপস্থিত থাকি বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী আৰু সম্পাদক ড০ জগদীন্দ্ৰ ৰায় চৌধুৰীয়ে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## প্ৰান্তীয় শিশু বাটিকা প্ৰশিক্ষণ বৰ্গ



যোৱা ১৪ মাৰ্চৰ পৰা ২২ মাৰ্চ, ২০২৬ তাৰিখলৈ শংকৰদেৱ শিশু বিদ্যা নিকেতন, বিলাসীপাৰাত সাতদিনীয়া কাৰ্যসূচীৰে প্ৰান্তীয় শিশু বাটিকা প্ৰশিক্ষণ বৰ্গ অনুষ্ঠিত হৈ যায়। এই প্ৰশিক্ষণ বৰ্গৰ মূল লক্ষ্য হৈছে শিশুৰ সৰ্বাংগীণ বিকাশৰ বাবে আচাৰ্য-আচাৰ্যা সকলক নৱতম পদ্ধতিৰে শিক্ষিত কৰি তোলা। শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত শিশু বাটিকাৰ ভূমিকা অপৰিসীম। এই প্ৰশিক্ষণ বৰ্গৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মাৰ্গদৰ্শন কৰে বিশিষ্ট সমাজকৰ্মী ডাঃ কানুলাল দাস আৰু শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় প্ৰশিক্ষণ প্ৰমুখ ধৰ্মদেৱ ব্ৰহ্মচাৰীয়ে। অনুষ্ঠানত প্ৰাসংগিক ভাষণ প্ৰদান কৰে শিশু বাটিকাৰ প্ৰান্তীয় সহঃসংযোজিকা নমিতা ওজাই।

ইয়াৰ লগতে ক্ষেত্ৰীয় শিশু বাটিকা সংযোজক আনন্দ সূত্ৰধৰ, বগৰীবাৰী Art of living ৰ ব্ৰহ্মচাৰী অচ্যুৎ গুৰুজী আৰু স্থানীয় পৰিচালনা সমিতিৰ কাৰ্যকৰ্তাসকলক উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই প্ৰশিক্ষণ বৰ্গৰ ৯টা বিভাগৰ ৪৮খন নিকেতনৰ পৰা সৰ্বমুঠ ৭৪ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ ভিতৰত ১১ গৰাকী আচাৰ্য আৰু ৬৩ গৰাকী আচাৰ্যা আছিলে।

## আধুনিক প্ৰযুক্তি ভাৰতীয় জ্ঞান পৰম্পৰাৰ সংমিশ্ৰণৰ NEP 2020 শীৰ্ষক কৰ্মশালা




গুৱাহাটী বিশ্ববিদ্যালয় (GUIS-T) ৰ চেমিনাৰ হলত যোৱা ১৭ মাৰ্চ, ২০২৬ তাৰিখে ৰাজ্যিক বিদ্বৎ পৰিষদৰ NEP 2020 ৰূপায়ণক কেন্দ্ৰ কৰি "Roadmap to NEP '20 Implementation through Content Development using Indigenous knowledge & Emerging Technologies" শীৰ্ষক এখন গুৰুত্বপূৰ্ণ কৰ্মশালা অনুষ্ঠিত হয়। অনুষ্ঠানৰ উদ্বোধনী অধিবেশনত মুখ্য ভাষণ প্ৰদান কৰে বিদ্যা ভাৰতীৰ উচ্চ শিক্ষা বিভাগৰ সাংগঠনিক সম্পাদক কে.এন. ৰঘুনন্দনে। অনুষ্ঠানত সভাপতিত্ব কৰে ৰাজ্যিক বিদ্বৎ পৰিষদৰ সভাপতি অধ্যাপক পৰিমল ভট্টাচাৰ্যই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্ত আৰু সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে পূৰ্বোত্তৰ জনজাতি শিক্ষা সমিতিৰ সভাপতি, অধ্যাপক ড০ দেৱব্ৰত দাস আৰু অধ্যাপক আলোক বুঢ়াগোঁহায়ে। ড০ দেৱব্ৰত দাসে 'গেপ-এনালাইচিচ' বিষয়ত আৰু প্ৰফেচাৰ আলোক বুঢ়াগোঁহায়ে উদ্যোগ একাডেমিক সহযোগিতাৰ জৰিয়তে শিক্ষাৰ গুণগত মান উন্নয়ণৰ ওপৰত আলোকপাত কৰে। ইয়াৰ লগতে Content Development for OBE as per NEP 2020" শীৰ্ষক আলোচনাত কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ডীন তথা শিশু শিক্ষা সমিতি, অসমৰ প্ৰাক্তন সভাপতি ড০ দিব্যজ্যোতি মহন্তই অংশগ্ৰহণ কৰে। ইয়াৰ পিছত অনুষ্ঠিত পেনেল আলোচনাত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড০ পৱন তিৱাৰী, আই.আই.এম. শ্বিলঙৰ সঞ্চালক প্ৰফেচাৰ নলিনী প্ৰভা ত্ৰিপাঠী, শিলাদিত্য সৰকাৰ, নেড্ফিৰ সঞ্চালক পি ভি এচ এল এন মুৰ্ত্তি, ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মিলন ৰাণী জামাতীয়া আদি বিশিষ্ট ব্যক্তি সকলে নিজৰ মতামত আগবঢ়াই। এই অনুষ্ঠানত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাধাৰণ সম্পাদক ড° জগদীন্দ্ৰ ৰায় চৌধুৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী লগতে বিশ্ববিদ্যালয়, মহাবিদ্যালয়ৰ অধ্যাপক আৰু নিকেতনৰ আচাৰ্যসকলে সক্ৰিয় অংশগ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ঈশাঙ্কুৰ শইকীয়াই অনুষ্ঠানৰ আৰম্ভণিত উদ্দেশ্য ব্যাখ্যা কৰি সকলো অভ্যাগতসকলক আদৰণি জনায়।

এই কৰ্মশালাৰ জৰিয়তে NEP 2020 ৰূপায়ণত স্থানীয় জ্ঞান পৰম্পৰা আৰু আধুনিক প্ৰযুক্তিৰ সংমিশ্ৰণে শিক্ষাৰ নতুন দিশ প্ৰদৰ্শন কৰাৰ লক্ষ্য লোৱা হৈছে। অনুষ্ঠানৰ শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰাঞ্জল শইকীয়াই মঞ্চ সঞ্চালক অধ্যাপিকা নৰমিতা দেৱ আৰু অধ্যাপক ধূৰ্জটি শৰ্মাৰ লগতে উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়ায়।

# ক্ষেত্ৰীয় চয়নিত যোগাসন নিৰ্ণায়ক কৰ্মশালা

যোৱা ২৬ মাৰ্চৰ পৰা ২৮ মাৰ্চ, ২০২৬ তাৰিখলৈ সৰস্বতী বিদ্যা নিকেতন, শ্ৰীভূমিত ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া যোগাসন নিৰ্ণায়ক কৰ্মশালা অনুষ্ঠিত হৈ যায়। এই কৰ্মশালাৰ সামৰণি সত্ৰৰ শুভাৰম্ভ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ৰামকৃষ্ণ মিছন শ্ৰীভূমিৰ সহ অধ্যক্ষ পূজ্য স্বামী পূৰ্ণৰূপানন্দ মহাৰাজে লগতে উপস্থিত থাকে উত্তৰ অসম প্ৰান্তৰ প্ৰান্তীয় খেল প্ৰমুখ পবিত্ৰ গগৈ, শিক্ষা বিকাশ পৰিষদ আৰু দক্ষিণ অসম প্ৰান্তৰ উপ সভানেত্ৰী মালবিকা ভট্টাচাৰ্য, সৰস্বতী বিদ্যা নিকেতন, শ্ৰীভূমিৰ পৰিচালনা সমিতিৰ সম্পাদক সুবীৰ বৰণ ৰয়। NS NIS Coach, গুৱাহাটীৰ নাৰায়ণ ডেকা, ভাৰ্গৰ জ্যোতি গগৈ, সঞ্জীৱ দাস, মালবিকা শৰ্মা, বাপন দেৱ। আদৰণি অনুষ্ঠানৰ আঁত ধৰে দক্ষিণ অসম প্ৰান্তৰ যোগ প্ৰমুখ বাপন দেৱে, প্ৰস্তাৱিক ভাষণ প্ৰদান কৰে পবিত্ৰ গগৈয়ে। বন্তি প্ৰজ্বলক পূজ্য স্বামীজীয়ে স্বামী



বিবেকানন্দ আৰু চৈতন্য মহাপ্ৰভুৰ জীৱনত যোগৰ প্ৰভাৱৰ বিষয়ে উল্লেখ কৰে। এই অনুষ্ঠানত সৰস্বতী বিদ্যা নিকেতনৰ বিদ্যাৰ্থী সকলে এটি লোক নৃত্য (ধামাইল নৃত্য) প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ শেষত অংশগ্ৰহণকাৰী প্ৰশিক্ষাৰ্থী আচাৰ্য-আচাৰ্যাসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। মানপত্ৰ প্ৰদান অনুষ্ঠান পৰিচালনা কৰে ভাৰ্গৰ জ্যোতি গগৈয়ে আৰু শেষত কল্যাণ মন্ত্ৰৰে অনুষ্ঠানৰ সামৰণি পৰে।

# প্ৰান্তীয় সংগীত কৰ্মশালা

যোৱা ২৭ মাৰ্চৰ পৰা ৩০ মাৰ্চ, ২০২৬ তাৰিখলৈ শংকৰদেৱ শিশু নিকেতন, তেজপুৰত চাৰিদিনীয়া কাৰ্যসূচীৰে প্ৰান্তীয় সংগীত কৰ্মশালাখনি অনুষ্ঠিত হৈ যায়। তেজপুৰ বিভাগৰ সংগীত প্ৰমুখ তথা তেজপুৰ নিকেতনৰ প্ৰধানাচাৰ্য ৰঞ্জিত শৰ্মাই আঁত ধৰা এই অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে তেজপুৰৰ জ্যোতিকলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ, অধ্যক্ষ তথা প্ৰসিদ্ধ তবলা বাদক লিখন শৰ্মাই। আদৰণি তথা প্ৰস্তাৱিক ভাষণ আগবঢ়ায় তেজপুৰ বিভাগৰ বিভাগ নিৰীক্ষক ধীৰেণ শৰ্মাই। এই অনুষ্ঠানত উপস্থিত থাকে- ক্ষেত্ৰীয় সংগীত প্ৰমুখ নৃপেন দত্ত। তেজপুৰ চৰকাৰী বহুমুখী কন্যা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংগীত শিক্ষক তথা জ্যোতি কলা কেন্দ্ৰ সংগীত বিদ্যালয়ৰ কণ্ঠ সংগীত বিভাগৰ মুৰব্বী অধ্যাপক ৰমেশ কুমাৰ ডেকা, জ্ঞানোদয় প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা অসমৰ বিশিষ্ট সংগীত



শিল্পী সীমান্ত কাকতি আৰু শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় প্ৰশিক্ষণ প্ৰমুখ ধৰ্মদেৱ ব্ৰহ্মচাৰী। কৰ্মশালাৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকে বৰপেটা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সুৰকাৰ, গীতিকাৰ আৰু কণ্ঠ সংগীতৰ সাধক কবিন দাস। ইয়াৰ লগতে উপস্থিত থাকে যোৰহাট বিভাগৰ বিভাগ সংগীত প্ৰমুখ স্বপ্নালী বৰুৱা, শিৱসাগৰ বিভাগৰ মৌচুমী গগৈ,

লক্ষীমপুৰ বিভাগৰ ৰিতু সোণোৱাল, গুৱাহাটী বিভাগৰ পুৰৱী দাস, বৰপেটা বিভাগৰ বিষ্ণু নাথ, যোৰহাট বিভাগৰ সহ সংগীত প্ৰমুখ প্ৰীতি শৰ্মা, লক্ষীমপুৰ বিভাগৰ ধনৰঞ্জন হাজৰিকা আৰু তেজপুৰ বিভাগৰ সন্ধ্যাশ্ৰী দাস। কৰ্মশালাত অসমৰ ২৩ টা সংকুলৰ সংগীত প্ৰমুখসকলে অংশগ্ৰহণ কৰে। এই কৰ্মশালাত প্ৰতিদিনে বন্দনা, প্ৰাতঃস্মৰণ আৰু বন্দে মাতৰমৰ অভ্যাস কৰা হয়। অখিল ভাৰতীয় হিন্দী আৰু সংস্কৃত গীত কেইটাৰ লগতে প্ৰান্তীয় টোলীৰ দ্বাৰা নিৰ্বাচিত ১৬ টা গীত সুন্দৰভাৱে অভ্যাস কৰা হয়। প্ৰান্তীয় সংগীত প্ৰমুখ নিপেন দত্তই আন্তৰিক সহযোগিতাৰে এই কৰ্মশালা সফল কৰি তোলাৰ বাবে সমূহ সংগীত প্ৰমুখক ধন্যবাদ জ্ঞাপন কৰে।

## ৰাষ্ট্ৰীয় শিশু বাটিকা প্ৰশিক্ষণ প্ৰাপ্ত জিলা কেন্দ্ৰ প্ৰমুখ আচাৰ্যৰ কৰ্মশালা



ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত শিশু বাটিকাত পাঠদান কৰা প্ৰতিগৰাকী আচাৰ্য-আচাৰ্যাই যাতে প্ৰশিক্ষণ প্ৰাপ্ত হয় তাৰ বাবে যোৱা ২০২৩, ২০২৪ আৰু ২০২৫ বৰ্ষত গুজৰাটৰ গান্ধীধামত অনুষ্ঠিত অখিল ভাৰতীয় শিশু বাটিকা প্ৰশিক্ষণ বৰ্গত মুঠ ২৭ গৰাকী জিলা কেন্দ্ৰ নিকেতনৰ শিশু বাটিকা প্ৰমুখসকলে অংশগ্ৰহণ কৰিছিল। গান্ধীধামত প্ৰশিক্ষণ প্ৰাপ্ত জিলা কেন্দ্ৰৰ প্ৰমুখ আচাৰ্যৰ দুদিনীয়া কৰ্মশালা যোৱা ৩০ আৰু ৩১ মাৰ্চ, ২০২৬ তাৰিখে গুৱাহাটীৰ অসম প্ৰকাশন ভাৰতীৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়।

শংকৰদেৱ শিশু কুঞ্জৰ প্ৰধানাচাৰ্যা কমলা গোস্বামীয়ে সঞ্চালন কৰা উদ্বোধনী কৰ্মশালাত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰীয়ে। এই কৰ্মশালাত ক্ষেত্ৰীয় শিশু বাটিকা প্ৰমুখ আনন্দ সূত্ৰধৰ, প্ৰান্তীয় শিশু বাটিকা সহ সংযোজিকা নমিতা ওজাৰ লগতে প্ৰশিক্ষণ প্ৰাপ্ত আপেক্ষিক ২৬ খন জিলা কেন্দ্ৰ নিকেতনৰ ২২ গৰাকী আচাৰ্য-আচাৰ্যা উপস্থিত থাকে। প্ৰভাৱী শিশু বাটিকাৰ সফল ৰূপায়ণ সন্দৰ্ভত, এল এম আৰু ডিজিটেল ক্লাছৰুমৰ ওপৰত মাৰ্গদৰ্শন কৰাৰ লগতে বন্দে মাতৰম্ ৰাষ্ট্ৰীয় গীতৰ ১৫০ বছৰ পূৰ্ণ হোৱা সন্দৰ্ভত পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰীয়ে উদ্বোধনী ভাষণত বক্তব্য আগবঢ়ায়। এই কৰ্মশালাৰ জৰিয়তে প্ৰাপ্ত জ্ঞান লৈ নিজ নিজ নিকেতনত শিশু বাটিকাৰ দ্বাৰা সমাজত প্ৰভাৱ পেলাব পৰাটোৱেহে হ'ব এই কৰ্মশালাৰ সাৰ্থকতা।

## প্ৰান্তীয় সংস্কৃত কৰ্মশালা



যোৱা ২২ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিল, ২০২৬ তাৰিখলৈ শিশু শিক্ষা সমিতি, অসমৰ প্ৰান্তীয় সংস্কৃত কৰ্মশালাখনি অসম প্ৰকাশন ভাৰতীৰ সভাগৃহত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। উদ্বোধনী কাৰ্যক্ৰমত বিদ্যাভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সম্পাদক ড০ জগদীন্দ্ৰ ৰায়চৌধুৰী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা ড° সুদেষ্ণা ভট্টাচাৰ্য আৰু কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ কেন্দ্ৰ শিক্ষক সাধন দেৱনাথ উপস্থিত থাকে।

এই কৰ্মশালাত শিশু শিক্ষা সমিতি, অসমৰ দহটা

বিভাগৰ পৰা আচাৰ্য ১৬ গৰাকী আৰু আচাৰ্যা ১১ গৰাকী মুঠ ২৭ গৰাকী আচাৰ্য-আচাৰ্যা উপস্থিত থাকে। কৰ্মশালাৰ কালাংশ সমূহত NEP-2020; ভাৰতীয় জ্ঞান পৰম্পৰা, পঞ্চপদী অধিগম পদ্ধতিত শিক্ষণ, পাঠযোজনা নিৰ্মাণ কৰা, গদ্য-পদ্য পাঠন শৈলী, ব্যাকৰণ আদি দহটা কালাংশ অনুষ্ঠিত হয়। সমাৰোহ কাৰ্যক্ৰমত পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড° পৱন তিৱাৰী, অসম প্ৰকাশন ভাৰতীৰ সচিব দিপাংকৰ বৰা উপস্থিত থাকে। প্ৰাচীন ভাৰতৰ শিক্ষা ব্যৱস্থাত নিহিত সংস্কাৰ, ভাৰতৰ বিভিন্ন ৰাজ্যত চলি থকা ভাষাৰ জননী স্বৰূপা সংস্কৃত ভাষাত নিহিত থকাৰ বাবে এই ভাষাৰ প্ৰচাৰ প্ৰসাৰ তথা উত্থানৰ আৱশ্যকতা থকাৰ কথা সাংগঠনিক সম্পাদকে সকলোৰে আগত ব্যক্ত কৰে। শেষত বন্দে মাতৰমেৰে কৰ্মশালাৰ সামৰণি মৰা হয়।

# শিশু শিক্ষা সমিতি, অসমৰ প্ৰাথমিক প্ৰশিক্ষণ বৰ্গ - ২০২৬-২৭



আচাৰ্য-আচাৰ্যাসকলৰ অন্তৰত থকা কৰ্মময় ব্যক্তিত্ব, বিদ্যা সাধনা, শিক্ষণ কৌশল, শিক্ষণ পদ্ধতি, মূল্যাংকন, ব্যক্তি নিৰ্মাণৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ শ্ৰেষ্ঠ লক্ষ্য, মূল্যবোধৰ শিক্ষা দিয়া আদি গুণৰ বিকাশৰ বাবে বিদ্যা ভাৰতীৰ লক্ষ্য আদৰ্শৰ প্ৰতি নিষ্ঠাৱান কৰি গঢ়ি তোলাৰ উদ্দেশ্যে শিশু শিক্ষা সমিতি অসমে প্ৰতি বছৰে বিভিন্ন স্তৰত আচাৰ্য প্ৰশিক্ষণ বৰ্গৰ ব্যৱস্থা কৰি আহিছে। এইবেলিও সমিতিৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ৭ দিনীয়া প্ৰাথমিক আচাৰ্য প্ৰশিক্ষণ বৰ্গ নিম্নলিখিত স্থানত অনুষ্ঠিত হৈ যায়—

| ক্র নং | বিভাগ | প্ৰশিক্ষণৰ স্থান / দিনাংক | উপস্থিতি | | মুঠ |
|---|---|---|---|---|---|
| | | | আচাৰ্য | আচাৰ্যা | |
| ১. | বঙাইগাঁও | শ.শি.নি. বিজনী<br>২২ এপ্ৰিলৰ পৰা ২৯ এপ্ৰিললৈ | ২৪ | ৫১ | ৭৫ |
| ২. | নলবাৰী | শ.শি.নি. চান্দকুছি/২ মে' পৰা ৯ মে' লৈ | ২৬ | ৫৩ | ৭৯ |
| ৩. | যোৰহাট | শ.বি.নি. গোলাঘাট<br>৩০ এপ্ৰিলৰ পৰা ৭ মে' লৈ | ৮ | ২৭ | ৩৫ |
| ৪. | নগাঁও আৰু হোজাই | শ.শি.নি. মৰিগাঁও/২ মে' পৰা ৯ মে'লৈ | ৩৬ | ৮৪ | ১২০ |
| ৫. | বৰপেটা | শ.শি.নি. ভৱানীপুৰ/৬ মে' পৰা ১৩ মে' লৈ | ২৯ | ৫৬ | ৮৫ |
| ৬. | গুৱাহাটী | শ.শি.নি. দলগোমা/৬ মে' পৰা ১৩ মে' লৈ | ২২ | ৪৫ | ৬৭ |
| ৭. | তেজপুৰ | শ.শি.নি. মাজবাট/৬ মে' পৰা ১৩ মে' লৈ | ২১ | ৫৪ | ৭৫ |
| ৮. | লখিমপুৰ | শ.শি.নি. ফুলবাৰী /১০ মে' পৰা ১৭ মে' লৈ | ২৪ | ৩৬ | ৬০ |
| ৯. | শিৱসাগৰ | শ.শি.নি., নাহৰকটীয়া<br>২৫ মে'ৰ পৰা ১ জুনলৈ | ৭ | ১৮ | ২৫ |

# ক্ষেত্ৰীয় ক্ৰীড়া সমাৰোহ (এথেলেটিকছ)

খেলৰ মাজেৰে ঐক্য, শৃংখলা, ভ্ৰাতৃত্ববোধ আৰু ৰাষ্ট্ৰীয় চেতনাৰ এক অনন্য বাৰ্তা প্ৰেৰণ কৰাৰ উদ্দেশ্যেৰে যোৱা ৩০ মে'ৰ পৰা ২ জুন, ২০২৬ তাৰিখলৈ ধেমাজিত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ উদ্যোগত শিশু শিক্ষা সমিতি, অসমৰ সৌজন্যত ৩৬ সংখ্যক ক্ষেত্ৰীয় ক্ৰীড়া সমাৰোহ অনুষ্ঠিত হৈ যায়। এই সমাৰোহত পূৰ্বোত্তৰ ক্ষেত্ৰৰ চাৰিটা প্ৰান্তৰ অন্তৰ্গত ১৬১ খন বিদ্যালয়ৰ মুঠ ৩৯৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ লগতে ১১১ গৰাকী তত্বাৱধায়ক আচাৰ্য-আচাৰ্যা, ৬৪ গৰাকী খেল পৰিচালক আৰু ৬ গৰাকী বিষয়া অধিকাৰীয়ে সমাৰোহৰ সফল পৰিচালনাত সহযোগিতা আগবঢ়ায়।

উক্ত অনুষ্ঠানটিত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড০ পৱন তিৱাৰী, লখিমপুৰ বিশ্ব-বিদ্যালয়ৰ উপাচাৰ্য ড০ মুকুল চন্দ্ৰ বৰা, মৰীধল মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দিপেন শইকীয়া, শিশু শিক্ষা সমিতি, অসমৰ খেল পৰিষদৰ সভাপতি সুবোধ বৰা, উপ সভাপতি বিপুল চুতীয়া, আজীৱন সদস্য প্ৰেম দত্ত, ধেমাজি পৌৰসভাৰ পৌৰপতি দ্বীপৰেখা দাস বাক্সী, ধেমাজি জিলা উন্নয়ন পৰিষদৰ আয়ুক্ত দেৱেশ্বৰ বৰা, ধেমাজি চেম্বাৰ অব কমাৰ্চৰ সভাপতি ঘনকৃষ্ণ বৰগোহাঁই, জিলা কাৰ্যবাহ ৰাণা দেউৰী, বিশিষ্ট সমাজসেৱিকা সুৰোজ মালপানী আৰু বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ কাৰ্যকৰী পৰিষদৰ সদস্য সৌৰভ মালপানী উপস্থিত থাকে।

এই ক্ৰীড়া সমাৰোহত বিভিন্ন শাখাৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ সকল হৈছে- ১৪ বছৰ অনুৰ্দ্ধৰ বালক শাখাত হাওৱাঘাট নিকেতনৰ গীতাৰ্থ বৰা আৰু বালিকা শাখাত বি এল বেৰীয়া সৰস্বতী শিশু মন্দিৰৰ জ্যোতিস্মিতা শইকীয়া, ১৭ বছৰ অনুৰ্দ্ধৰ কিশোৰ ল'ৰা শাখাত ভৱানীপুৰ নিকেতনৰ কাজল ডেকা আৰু কিশোৰ ছোৱালী শাখাত ধেমাজি নিকেতনৰ ডিম্পী কোঁচ, ১৯ বছৰ অনুৰ্দ্ধৰ তৰুণ ল'ৰা শাখাত বি এল বেৰীয়া সৰস্বতী শিশু মন্দিৰৰ গুণাভিৰ শইকীয়া আৰু তৰুণ ছোৱালী শাখাত চৰাইবাহী নিকেতনৰ নিহাৰিকা বৰদলৈয়ে তিনিটা সোণৰ পদক লাভ কৰি বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰে। দলীয় শাখাত লখিমপুৰ বিভাগে ২০ টা সোণ, ১৮ টা ৰূপ আৰু ৮ টা ব্ৰঞ্জসহ মুঠ ৪৬ টা পদক লাভ কৰি সৰ্বশ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। শিৱসাগৰ বিভাগে ১৪ টা সোণ, ১১ টা ৰূপ আৰু ৯ টা ব্ৰঞ্জসহ মুঠ ৩৪ টা পদক লাভ কৰি দ্বিতীয় স্থান দখল কৰে। গুৱাহাটী বিভাগে ৮ টা সোণ, ১০ টা ৰূপ আৰু ৯ টা ব্ৰঞ্জসহ মুঠ ২৭ টা পদক লাভ কৰি তৃতীয় স্থান লাভ কৰে। তদুপৰি শুভাৰম্ভণি অনুষ্ঠানত অনুষ্ঠিত কুচকাৱাজ প্ৰতিযোগিতাত নগাঁও বিভাগে সৰ্বশ্ৰেষ্ঠ দলৰ খিতাপ অৰ্জন কৰে আৰু হোজাই বিভাগক সৰ্বশ্ৰেষ্ঠ শৃংখলাবদ্ধ দল হিচাপে সন্মানিত কৰা হয়।

আয়োজকসকলে বিজয়ীসকলক অভিনন্দন জনাই সমাৰোহ সফল কৰি তোলা সকলোকে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ভৱিষ্যতেও অধিক উৎসাহেৰে ক্ৰীড়া চৰ্চাত অংশগ্ৰহণৰ বাবে আহ্বান জনায়।

**গুৱাহাটী বিভাগ ঃ** যোৱা ০২ মাৰ্চ, ২০২৬ তাৰিখে গুৱাহাটীৰ শংকৰদেৱ শিশু নিকেতনৰ, বৰাগাঁৱত অনুষ্ঠিত হোৱা বিভাগৰ ২০২৬-২৭ শিক্ষাবৰ্ষৰ যোজনা বৈঠকখনত গুৱাহাটী বিভাগৰ সহ বিভাগ নিৰীক্ষক ৰাতুল ডেকা, বিভাগ সংযোজক ভবেন তালুকদাৰ, বিভাগ প্ৰমুখ ডাঃ দণ্ডেশ্বৰ ডেকা লগতে গুৱাহাটী বিভাগৰ বিভিন্ন দায়িত্বত থকা প্ৰমুখ আৰু সংকুল প্ৰমুখসকল উপস্থিত থাকে। বিভাগ সংযোজক ভবেন তালুকদাৰে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভণি কৰা এই বৈঠকত বিভিন্ন বিষয়ত আলোচনা কৰা হয়। ২০২৬-২৭ শিক্ষাবৰ্ষত গুৱাহাটী বিভাগৰ প্ৰতিখন নিকেতনে যাতে আগতীয়াকৈ সু-পৰিকল্পিত যোজনা লৈ নিকেতন সমূহৰ শিক্ষাৰ মানদণ্ড আৰু অধিক উন্নত কৰিব পাৰি তাৰ ওপৰত এই বৈঠকত আলোচনা কৰা হয়। বড়াগাঁও নিকেতনৰ প্ৰধানাচাৰ্যকে ধৰি আচাৰ্য-আচাৰ্যাৰ সহায়-সহযোগিতাত বৈঠকখনৰ সফল সামৰণি মৰা হয়।

OOO

# অভিনন্দন আৰু সম্বৰ্ধনা অনুষ্ঠান-২০২৬

প্ৰাগজ্যোতিষপুৰ বিশ্ব বিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ৩০ এপ্ৰিল, ২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ অন্তৰ্গত ৫২৭ খন শংকৰদেৱ শিশু নিকেতনৰ ভিতৰত মাধ্যমিক পৰ্যায়ৰ ৩৩৭ খন নিকেতনৰ পৰা বিশেষ স্থান প্ৰাপ্ত আৰু ৯৫ শতাংশ বা ততোধিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ৪৭ খন নিকেতনৰ পৰা ৯০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা, অসমীয়া আৰু সংস্কৃত বিষয়ত অসমৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰী, ১০০ শতাংশ শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা নিকেতনৰ প্ৰধানাচাৰ্য আৰু পোন প্ৰথমবাৰৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হৈ ১০০ শতাংশ উত্তীৰ্ণ হোৱা নিকেতনৰ প্ৰধানাচাৰ্যসকলক শিশু শিক্ষা সমিতি, অসমৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। বন্তি প্ৰজ্বলন আৰু সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা সভাৰ আদৰণি ভাষণ আগবঢ়াই শিশু শিক্ষা সমিতি, অসমৰ
সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশীয়ে।

অনুষ্ঠানত শংকৰদেৱ শিশু নিকেতন, পাটাছাৰকুছিৰ কৃৰ্তি ছাত্ৰ জ্যোতিৰ্ময় দাসে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ৯৮.৫ শতাংশ নম্বৰ অৰ্জন কৰাৰ বাবে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ লগতে ৯৫ শতাংশৰো অধিক নম্বৰ লাভ কৰা আন কৃতি ছাত্ৰ-ছাত্ৰীসকল- তন্ময় বৰা, শ.শি.নি., বৰপথাৰ (৯৭.৩৩ শতাংশ), নিকিতা দেৱী, শ.শি.নি., বইটামাৰী (৯৫.৩৩ শতাংশ), কৌশিক সেনাপতি, শ.শি.নি., ব্ৰহ্মপুত্ৰ (৯৬.৩৩ শতাংশ), পাৰ্থপ্ৰতীম লহকৰ, শ.শি.নি., ৰঙিয়া (৯৫ শতাংশ), অম্লান ভূঁঞা, শ.শি.নি., কলাবাৰী (৯৫.৩৩ শতাংশ), তনুষ্কা পৰাশক, শ.শি.নি., পাঠশালা (৯৫.৬৭ শতাংশ) সম্বৰ্ধনা জনোৱা হয়।

অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা উপস্থিত থাকি শিক্ষাৰ্থী সকলক উদ্দেশ্যি অধ্যৱসায়, শৃংখলা আৰু লক্ষ্য নিষ্ঠাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনায়। তেওঁ কৃতি শিক্ষাৰ্থীসকলক ভৱিষ্যত জীৱন অনুপ্ৰেৰণাৰ উৎস হৈ সমাজ উন্নয়ণৰ ক্ষেত্ৰত সমৰ্পিত মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়ৰ আচাৰ্য অৱসৰপ্ৰাপ্ত লেফটেনেন্ট ৰাণা প্ৰতাপ কলিতা আৰু প্ৰাগজ্যোতিষপুৰ বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য ড° স্মৃতি কুমাৰ সিন্হাই বিদ্যা ভাৰতীৰ শৈক্ষিক অৱদান আৰু শিক্ষাৰ্থীৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত কৰা প্ৰচেষ্টাৰ উচ্চ প্ৰশংসা কৰি তেওঁলোকৰ সাৰলীন বক্তব্য আগবঢ়ায়। লগতে অনুষ্ঠানত বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড° পৱন তিৱাৰী, সম্পাদক জগদীন্দ্ৰ ৰায়চৌধুৰী, শিশু শিক্ষা সমিতি অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশী উপস্থিত থাকে।











# শিশু শিক্ষা সমিতি, অসমৰ বাৰ্ষিক সাধাৰণ সভা

যোৱা ৭ জুন, ২০২৬ তাৰিখে শিশু শিক্ষা সমিতি, অসমৰ বাৰ্ষিক সাধাৰণ সভাখন শংকৰদেৱ বিদ্যা নিকেতন, গড়মূৰ, যোৰহাটত অনুষ্ঠিত হৈ যায়। সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বুঢ়াগোহাঁই ৰাজকোঁৱৰ, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্তৰ প্ৰান্ত প্ৰচাৰক নৃপেন বৰ্মন, বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাংগঠনিক সম্পাদক ড° পৱন তিৱাৰী, সম্পাদক ড' জগদীন্দ্ৰ ৰায় চৌধুৰী, শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতী আৰু সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশীয়ে। এই সভাত শিশু শিক্ষা সমিতি, অসমৰ উপ-সভাপতি ড° অলকানন্দা বৰুৱা আৰু অনিমা শৰ্মা, বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ জ্যেষ্ঠ সদস্য যোগেন্দ্ৰ সিং চিছোদিয়া প্ৰমুখ্যে বহুতো শিক্ষাবিদ আৰু কৰ্মকৰ্তা উপস্থিত থাকে। শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতীৰ অধ্যক্ষতাত সভাৰ উদ্দেশ্য বাখ্যা আৰু বিগত বাৰ্ষিক সাধাৰণ সভাৰ প্ৰস্তাৱ তথা খতিয়ান দাঙি ধৰে সমিতিৰ সাধাৰণ সম্পাদক জগন্নাথ ৰাজবংশীয়ে। এই সভাত শিশু শিক্ষা সমিতি, অসমৰ বিগত বৰ্ষৰ আয়-ব্যয় হিচাপ আৰু আগন্তুক বৰ্ষৰ বাজেট দাখিল কৰে অসম প্ৰকাশন ভাৰতীৰ সচিব দীপাংকৰ বৰাই। সভাত বিদ্যা ভাৰতীৰ বিভিন্ন কেন্দ্ৰীয় আৰু আধাৰভূত বিষয়ৰ লগতে অভিলেখাগাৰ, প্ৰশিক্ষণ, মাতৃ ভাৰতী, শিশু বাটিকা, খেল আদি বিষয়ৰ ওপৰত PPT ৰ মাধ্যমেৰে বৃত্ত পৰিৱেশন কৰা হয়। মুখ্য অতিথিৰ ভাষণত ড° অজন্তা বুঢ়াগোহাঁই ৰাজকোঁৱৰে সমন্বয়যুক্ত শিক্ষা, আধুনিক শিক্ষা ব্যৱস্থা, অটল টিংকাৰিং লেবৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক উৎকৰ্ষ সাধনৰ বাবে ব্যৱস্থা গ্ৰহণ আৰু তেওঁলোকৰ বিশ্ববিদ্যালয়ৰ পৰা প্ৰস্তুত কৰা 'মায়া' নামৰ ৰবটৰ দ্বাৰা শিশুসকলক শিক্ষা প্ৰদান কৰি সফলতা লাভ কৰা বুলি কয়। নিকেতনত সুদীৰ্ঘকাল প্ৰধানাচাৰ্য আৰু সংকুল প্ৰমুখ হিচাপে দক্ষতা, সততা, অনুশাসন, নিয়মানুৱৰ্তিতা আৰু কৰ্তব্য নিষ্ঠাৰ বাবে ক্ৰমে যোৰহাট, গড়মূৰ নিকেতনৰ প্ৰাক্তন প্ৰধানাচাৰ্যা বৰ্ণালী বৰুৱা আৰু নাৰায়ণপুৰ নিকেতনৰ প্ৰাক্তন প্ৰধানাচাৰ্য বিনোদ কৃষ্ণ শৰ্মাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় লগতে শিশু শিক্ষা সমিতি, অসমৰ ত্ৰৈমাসিক ই-পত্ৰিকা 'মহাবাহু সংবাদ'ৰ বাৰ্ষিক সংখ্যাৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোৱা ৩০ বছৰৰ (১৯৯৬-২০২৬) শীৰ্ষ স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক পৰিক্ৰমাৰ এটি দস্তাবেজ উন্মোচন কৰা হয়।

সভাৰ শেষত শিশু শিক্ষা সমিতি, অসমৰ সভাপতি কুলেন্দ্ৰ কুমাৰ ভাগৱতীয়ে সকলোকে শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে গড়মূৰ নিকেতনৰ আচাৰ্য-আচাৰ্যা, ছাত্ৰ-ছাত্ৰী আৰু সমূহ কাৰ্যকৰ্তাক ধন্যবাদ জ্ঞাপন কৰে।









